
# কানৈ কলেজ আলোচনী

সপ্তদশ সংখ্যা
১৯৬৩
ডিব্ৰুগড়



সম্পাদক [illegible]

# কানৈ কলেজ আলোচনী

## বছেৰেকীয়া প্ৰকাশ

সপ্তদশ সংখ্যা ॥ ১৮৮৫ শক ॥ ১৯৬২—৬৩

### সম্পাদনা সমিতি

উপদেষ্টা

শ্ৰীসুনীল বৰঠাকুৰ

,, প্ৰিয়াংশুপ্ৰবল উপাধ্যায়।

সম্পাদক

শ্ৰীলম্বেশ্বৰ বৰুৱা

সভ্য

শ্ৰীবিমল বৰুৱা

,, পূৰ্ণানন্দ হাজৰীকা

,, ভুবন বৰা

,, মঞ্জুলা দাস

# সূচী


| বিষয় | লিখক | পৃষ্ঠা |
|---|---|---|
| সাময়িক প্ৰসঙ্গ | | |
| **প্ৰবন্ধ** | | |
| ১। ঔপনিবেশিকতাৰ কবলৰ পৰা আফ্ৰিকাৰ বন্ধন মুক্তি | শ্ৰীহীৰেন্দ্ৰ নাথ গগৈ | ১—৯ |
| ২। বিশ্বকবি ৰবীন্দ্ৰনাথৰ সাহিত্যত বৌদ্ধ সংস্কৃতিৰ প্ৰভাৱ | শ্ৰীনিকেন গোঁহাই | ১০—১৫ |
| ৩। ক্ৰমবিকাশৰ পথত চুটি গল্প | শ্ৰীবীৰেণ চুতীয়া | ১৬—২০ |
| ৪। নাট্য শাস্ত্ৰৰ বিধি প্ৰকৰণ | শ্ৰীলম্বেশ্বৰ বৰুৱা | ২১—২৬ |
| ৫। মিৰি লোকগীত "ঐ নিতমৰ" তাৎপৰ্য্য | শ্ৰীধনেশ চন্দ্ৰ দলে | ২৭—৩০ |
| **কবিতা** | | |
| ১। এই উপকুলৰ ৰং | শ্ৰীনাহেন্দ্ৰ পাদুন | ৩১—৩২ |
| ২। স্মৃতি : চন্দ্ৰালৈ | শ্ৰীভুপেন্দ্ৰ পেগু | ৩৩—৩৪ |
| ৩। উক্তি | শ্ৰীগোপী তামুলী | ৩৫—৩৯ |
| ৪। মহাকবিৰ স্বপ্ন: অলকানন্দাৰ | শ্ৰীভুবন চন্দ্ৰ বৰা | ৩৬ |
| ৫। সপোন আতৰি গলে | শ্ৰীঅনন্ত কুমাৰ শইকীয়া | ৩৭ |
| ৬। এখন ছবি শাৰদীয় জোনালীৰ | শ্ৰীবিজয় চেতিয়া পাতৰ | ৩৮ |
| ৭। সন্ধিয়াৰ ডায়েৰী | শ্ৰীছত্ৰৰঞ্জন দুৱৰা | ৪০ |
| ৮। প্ৰশ্ন জীৱনৰ | শ্ৰীমাখনী নেওগ | ৪১—৪২ |
| **গল্প** | | |
| ১। অনন্ত ঘাট, অনন্ত ঘাটৈ | শ্ৰীক্ষীৰোদ বৰুৱা | ৪৩—৪৯ |
| ২। দুটা টকা | শ্ৰীজীৱন ৰাজখোৱা | ৫০—৬৮ |
| ৩। মন ময়ুৰীৰ নাচ | শ্ৰীএক্ৰামুল ইচলাম | ৬৯—৭৩ |
| ৪। হেৰুৱা স্মৃতি | শ্ৰীপ্ৰদীপ কুমাৰ বৰুৱা | ৭৪—৮০ |
| ৫। ছন্দ হাৰা | অধ্যাপক ভূবন চুতীয়া | ৮১—৮৫ |
| ৬। নেহেৰুৰ জীৱনত প্ৰভাৱ পেলোৱা তিনি গৰাকী মহিলা | —সংগ্ৰহ— | ৮৬ |
| সম্পাদকীয়— | | |

# কটন কলেজ আলোচনী

বছেৰেকীয়া প্ৰকাশ

সপ্তদশ সংখ্যা ॥ ১৯৬২—৬৩ চন


## সাময়িক প্ৰসঙ্গঃ

### ভাৰতীয় পৰৰাষ্ট্ৰ নীতি

ভাৰতে দুটা ফালে গোষ্ঠীভুক্ত হৈছে বুলি চীন আৰু পাকিস্থানে অভিযোগ তুলিছে। ভাৰতে ৰুছিয়া আৰু আমেৰিকা উভয়ৰে পৰা সহানুভূতি লাভ কৰাত পাকিস্থানে চীনৰ সৈতে মিতিৰালি পাতি তেওঁলোকৰ বন্ধু ৰাষ্ট্ৰ আমেৰিকাৰ স্বাৰ্থত ব্যাঘাত জন্মাইছে। ভাৰতৰ ধাৰণা, ৰুছিয়া, আমেৰিকাৰ দৰে দুখন বিৰাট শক্তিশালী দেশৰ লগত ভাৰসাম্য ৰক্ষা কৰি নচলিলে বিশ্ব শান্তিত আহিনা যোগোৱা টান হ'ব। সেইবাবে ভাৰতে আমেৰিকা আৰু ৰুছিয়াৰ লগত তাল ৰাখি কাম কৰিবলগীয়া হৈছে। গোষ্ঠী-নিৰপেক্ষতা ৰক্ষা কৰি চলা ভাৰতৰ প্ৰধান কৰ্ত্তব্য কিয়নো এচিয়া আৰু আফ্ৰিকাৰ প্ৰায়বোৰ দেশে ভাৰতৰ গোষ্ঠী-নিৰপেক্ষতাক সমৰ্থন জনাই ভাৰতৰ সতে সহযোগিতা কৰিছে। ৰুছিয়া আৰু আমেৰিকাও সেইদৰে এছিয়া আফ্ৰিকা দেশসমূহৰ লগত মিত্ৰতা স্থাপনৰ ভেটি কটকটীয়া কৰাৰ উদ্দেশ্যেই ভাৰতৰ সৈতে হাত মিলাই সুযোগ গ্ৰহণ কৰাৰ চেষ্টা চলাইছে। এই ক্ষেত্ৰত ভাৰত যথেষ্ট লাভবান হৈছে। চীনে ১৯৬২ চনত ভাৰত আক্ৰমণ কৰাৰ ইও এটি ঘাই কাৰণ। এই ছেগতে চীনে ভাৰতৰ গোষ্ঠী-নিৰপেক্ষতা আৰু নিৰ্লিপ্ততাক এবাৰ পৰীক্ষা কৰাৰ সুযোগ ললে।

চীনৰ দ্বাৰা অনুপ্ৰাণিত হোৱা দুই এখন দেশ এছিয়াত আছে। কিন্তু চতুৰ ৰাজনীতিবিদ জৱহৰলাল নেহেৰুৱে উপায়হীন হৈ পৃথিবীৰ বিভিন্ন দেশৰ আনকি চীন সমৰ্থক দুই এখন দেশৰ পৰাও চীনৰ বিৰুদ্ধে জনমত গঠন কৰি চীনৰ স্বাৰ্থত আঘাট সানিলে। ৰুছিয়াও এই ক্ষেত্ৰত নিমাত হৈ নেথাকিল। চীনৰ সম্প্ৰসাৰণ নীতিক বাধা দিয়াৰ প্ৰশ্নত মিঃ ক্ৰুশ্চেভ আৰু নেহেৰু একমত হ'ল আৰু পশ্চিমীয়া শক্তিবৰ্গই তাৰ প্ৰতি সহানুভূতিৰে সমৰ্থন জনাই ভাৰতক অনুপ্ৰাণিত কৰিলে। ৰুছিয়াই ইফালে ভাৰতৰ দৰে এখন বিৰাট ক্ৰমবৰ্দ্ধমান দেশৰ স্বাধীনতা ৰক্ষা কৰাত অৰ্থনৈতিক আৰু সামাজিক উভয় ক্ষেত্ৰতে সাহাৰ্য্য দিয়াৰ দায়িত্বও বহন কৰিলে। ফলত চীনে এক পক্ষ ভাৱে অস্ত্ৰ সম্বৰণ কৰি বেলেগ পন্থা লবলৈ বাধ্য হ'ল। চীনে এতিয়া আণৱিক বোমা উৎপাদন কৰি ৰুছিয়া, আমেৰিকা আৰু ফ্ৰান্সৰ দৰে আণৱিক বোমাৰে শক্তিশালী দেশসমূহৰ লগত সমানে প্ৰতিযোগিতা চলাইছে। চীনে ভাবিছে, আণৱিক বোমা উৎপাদন কৰি এছিয়াত তেওঁলোকেই একমাত্ৰ শক্তিশালী দেশ হিচাবে চিনাকি দিব পাৰিব আৰু এছিয়াৰ কিছুমান দেশক সহায় কৰাৰ প্ৰতিশ্ৰুতিৰে আপোন কৰি তেওঁলোকৰ শক্তি দুগুণে বঢ়াই তুলিব পাৰিব। এই ক্ষেত্ৰত ভাৰতৰ সৈতে চীনৰ যুদ্ধ হোৱাৰ সম্ভাৱনাও নোহোৱা নহয়। সেইবাবে ভাৰতে এতিয়া অন্তঃৰাষ্ট্ৰীয় নীতিৰ প্ৰতি বিশেষ ভাৱে মন দিবলগীয়া হৈছে। কংগ্ৰেছ সংসদী দলৰ সম্পাদক শ্ৰীবিভূতি মিশ্ৰই ভাৰতেও চীনৰ আক্ৰমণমূলক অভিসন্ধিৰ বিৰুদ্ধে নিজৰ আঞ্চলিক অখণ্ডতা ৰক্ষা কৰিবলৈ আণৱিক বোমা উৎপাদন কৰিব লাগে বুলি দৃঢ়তাৰে দাবি জনাইছে। অধ্যাপক ডি, চি, শৰ্ম্মা আৰু শ্ৰীভাগৱত ঝাহ আজাদ [এম, পি] আদিয়েও ভাৰতৰ অন্তঃৰাষ্ট্ৰীয় নীতি সলনি হোৱাটোকে কামনা কৰে। কিন্তু ভাৰতে অন্তঃৰাষ্ট্ৰীয় নীতিৰ কোনো সাল-সলনি নিবিচাৰি আণৱিক শক্তিক একমাত্ৰ শান্তিপূৰ্ণ উদ্দেশ্যৰ হকে ব্যৱহাৰ কৰাৰ নীতিকে বাহল ৰাখিবলৈ চেষ্টা চলাইছে। ভাৰতৰ ৰাজনীতিবিদ সকলৰ বিশ্বাস, ভাৰতে আণৱিক বোমা উৎপাদন কৰিলে এছিয়া, আফ্ৰিকা আনকি ইউৰোপৰ কেইবাখনো বন্ধু ৰাষ্ট্ৰৰ অপ্ৰিয়ভাজন হব আৰু আদিৰে পৰা নেহেৰু চৰকাৰে অনুসৰণ কৰি চলা পৰৰাষ্ট্ৰ নীতিৰ বৈশিষ্ঠতাও লোপ পাব ফলত ভাৰতৰ আদৰ্শও ক্ৰমাৎ ম্লান পৰি যাব।

এতিয়া প্ৰশ্ন হ'ল—চীনৰ আণৱিক বোমা উৎপাদন কৰাৰ হেতু ভাৰতে ইয়াৰ বিৰুদ্ধে কেনে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ভাৰতে নিজৰ স্বাধীনতা আৰু দেশৰ শক্তি অক্ষুণ্ণ ৰাখিবলৈ চীনৰ সৈতে প্ৰতিযোগিতা চলাব লাগিব নেকি ? যদি চীনে ভাৰত আক্ৰমণ কৰে তেন্তে ভাৰতে গোষ্ঠী নিৰপেক্ষতা অৱলম্বন কৰি থাকিব পাৰিব জানো ? বাৰ্ম্মা, সিংহল আৰু দক্ষিণ আফ্ৰিকাত ভাৰতীয় লোকৰ যি অৱস্থা সেই অৱস্থালৈ চকু ৰাখি কাম কৰিবলগীয়া হলে ভাৰতে নিজৰ বৈদেশিক নীতিৰো কিছু

সাল সলনি কৰিব লাগিব। এনে কৰিলে ভাৰতৰ বৈদেশিক নীতিৰ কোনো হানি-বিঘিনি নহয়। চীনৰ লগত ভাৰতৰ সীমা বিবাদ এতিয়াও অমীমাংসিত হৈ আছে। ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি সীমা বিবাদ মীমাংসিত হওক চাৰি সীমাৰ হৈ এখন ডাঙৰ যুদ্ধ হোৱাৰহে সম্ভাৱনা দেখা যায়। কিয়নো চীনে এতিয়া আণৱিক বোমাৰে শক্তিশালী। ইফালে ৰুছিয়াৰ নেতাসকলে আশ্বাস দিছে যে তেওঁলোকৰ হাতত যিমান-বোৰ অস্ত্ৰ আছে সেয়ে কমিউনিষ্ট শিবিৰৰ দেশসমূহক আক্ৰমণৰ পৰা ৰক্ষা কৰিবৰ বাবে যথেষ্ট হব। ৰুছিয়াৰ পৰা ভয় কৰিবলগীয়া কাৰণ ভাৰতৰ নাই বৰং মিঃ ক্ৰুশ্বেভৰ দিনত ৰুছ-ভাৰত সম্পৰ্ক বেচ কটকটীয়া হৈছে। ৰুছিয়াই ভাৰতৰ সপক্ষে সদাই ঠিয় দিব কাৰণ ভাৰতৰ সৈতে ৰুছিয়াৰ স্বাৰ্থ নিহিত আছে। কিন্তু চীনে ৰুছিয়াৰ এই প্ৰতিশ্ৰুতি কেনে দৰে গ্ৰহণ কৰে সেইটোহে ভাৰতৰ বিবেচ্য বিষয়। চীনে ভাৰত আক্ৰমণ কৰিলে ৰুছিয়াই মৌনতা অৱলম্বন যে কৰিব ই নিশ্চিত। কিন্তু আমেৰিকাই নিমাতে থাকিব জানো? চীনে আণৱিক অস্ত্ৰেৰে ভাৰত আক্ৰমণ কৰিলে ভাৰতেও আণৱিক অস্ত্ৰ বিচাৰি বৃটেইন আৰু আমেৰিকাৰ ওচৰ চাপিব লাগিব। তেতিয়া ভাৰতৰ গোষ্ঠী নিৰপেক্ষতা ৰক্ষা পৰিব জানো? এনে ক্ষেত্ৰত ভাৰতে নিজৰ স্বাধীনতা আৰু শক্তি অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যে আণৱিক বোমা উৎপাদন কৰিলে ভাৰতৰ শান্তিপূৰ্ণ নীতিত কোনো কলঙ্ক নাহে। বিদেশী অস্ত্ৰ সাহাৰ্য্যৰ বাবে দিবলগীয়া হোৱা ভাৰতৰ খৰছ বোধহয় দুই এটি আণৱিক বোমা উৎপাদন কৰোতে পৰা খৰছতকৈ অধিক বেচি হব। আণৱিক অস্ত্ৰ উৎপাদন কৰাত ভাৰত চৰকাৰে যদি জনমত গ্ৰহণ কৰে তেন্তে ভাৰতৰ জন-গণে উৎপাদন কৰাৰ হকেই ভোট দিব। যুদ্ধ ভাৰতে নিবিচাৰে কিয়নো ভাৰত শান্তিপ্ৰিয় দেশ। কিন্তু আণৱিক বোমাৰ শক্তিৰে দেশ শক্তিশালী হোৱাটো সকলোৱেই কামনা কৰে কিয়নো কেতিয়াবা যদি ভাৰতে আমেৰিকাৰ আশ্বাসৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া বাস্তৱ পৰিস্থিতিৰ উদ্ভৱ হয় তেন্তে সি কেৱল ভাৰতৰে নহয় পৃথিবীৰ বাবেই দুৰ্যোগৰ কথা হব। এনে দুৰ্যোগৰ কথা চিন্তা কৰিয়েই ভাৰতে এতিয়া নিজৰ পৰৰাষ্ট্ৰ নীতি আৰু পৰমাণু নীতি উভয়ৰে পৰিবৰ্ত্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা উচিত।

## কাশ্মীৰ সমস্যা

কাশ্মীৰ সমস্যা এক প্ৰকাৰ সমাধান হৈ গৈছে। ভাৰতে পূৰ্ণ স্বাধীনতা পোৱাৰ দিনৰে পৰা কাশ্মীৰ ভাৰতৰ লগত চামিল কৰা হৈছে আৰু সেইদিনাৰ পৰাই কাশ্মীৰ ভাৰতৰ এটি অবিচ্ছেদ্য অঙ্গ হৈ পৰিছে। ভাৰতে কাশ্মীৰ প্ৰশ্নত এতিয়া ভাৰতে দৃঢ়তাৰে পাকিস্থানৰ দাবি প্ৰত্যাখ্যান কৰিব লাগে আৰু পাকিস্থানৰ সৈতে কোনো আপোচ মীমাংসালৈ বাট চাই সমস্যা জটিল কৰিব নেলাগে। কাশ্মীৰ ভাৰতৰ অবিচ্ছেদ্য অঙ্গ

বৃটিশ ভাৰতে দৃঢ়ভাৱে কৈ দিয়াৰ বাহিৰে এই সমস্যা সমাধানৰ আন কোনো উপায়
নাই। পাকিস্তানৰ অনুৰোধ ক্ৰমে ৰাষ্ট্ৰসংঘত কেইবাবাৰো কাশ্মীৰ প্ৰশ্ন উত্থাপন হৈছে
আৰু ভাৰতেও সেইসময়ে ৰাষ্ট্ৰসংঘৰ সন্মানৰ খাতিৰত তেনে প্ৰশ্নৰ উত্তৰ দি খুব যুক্তিপূৰ্ণ
ভূমিকা পালিছে। পাকিস্তানে এই দাবীক প্ৰোপাগাণ্ডা কৰিবলগীয়া হৈছে। এই কথা দৃঢ়ভাৱে
কব পাৰি যে কাশ্মীৰ প্ৰশ্ন ৰাষ্ট্ৰসংঘত উত্থাপন কৰিবলগীয়া হোৱাটো বৃটিছ ৰাজনীতিবিদৰেই
এটি কৌশল মাথোন। পাকিস্তানে এই ক্ষেত্ৰত চতুৰ বৃটিছ ৰাজনীতিবিদসকলক মাথোন
সহায়হে কৰিছে। কাজেই কাশ্মীৰ ক্ষেত্ৰত ভাৰতক দৃঢ়ভাৱে সমৰ্থন কৰাত বৃটেইন
আৰু আমেৰিকা উভয় দেশে ভাগ লৈছে। তেওঁলোকে কাশ্মীৰ সমস্যা সমাধান
নোহোৱাটোকে কামনা কৰে। ৰাষ্ট্ৰসংঘত কাশ্মীৰ প্ৰশ্ন উত্থাপন হোৱাৰ আগতে বৃটেইন
আৰু আমেৰিকা উভয়ে কচ্ছিয়াৰ মত প্ৰধানমন্ত্ৰীয়ে কোনো মতামত দিব নিবিচাৰে।
কচ্ছিয়াই এই বিষয়ত পাকিস্তানক সহায় কৰাৰ ইঙ্গিত দিলে বৃটেইন আমেৰিকা উভয়ে
হয়তো ভাৰতৰ পক্ষ লৈহে সন্তোষজনক মীমাংসাৰ এটি সূত্ৰ বাহিৰ কৰাৰ
আশাৰে পাকিস্তানক সন্তুষ্ট ৰখাৰ ব্যৱস্থা কৰিব। বৃটেইন আৰু আমেৰিকা উভয়ে
আজিও আশা কৰে- কাশ্মীৰ সমস্যা কোনো কালেই সমাধা নহওক আৰু পাকিস্তানৰ
সৈতে নিহিত থকা স্বাৰ্থত কোনো ব্যাঘাত নজন্মক। এনে ক্ষেত্ৰত ভাৰতে কি ব্যৱস্থা
লব পাৰে? ৰাষ্ট্ৰসংঘই কোনো কালেই কাশ্মীৰ সমস্যা সমাধান কৰি দিব নোৱাৰে
এই কথা পাকিস্তানেও উপলব্ধি কৰা উচিত। ভাৰতে এই কথা স্পষ্ট ভাৱে জানে
যদিও ভাৰতৰ আন এটি সমস্যা হ'ল ওচৰচুবুৰীয়া দেশসমূহৰ সতে কেনেকৈ সমিল-
মিলেৰে থাকিব পাৰি তাৰ উপায় উদ্ভাৱন কৰা। চীনৰ পৰা ভাৰতে একো আশা
কৰিব নোৱাৰে। নেপালে ভাৰতৰ গোষ্ঠী-নিৰপেক্ষতাক সমৰ্থন জনাইছে যদিও ইফালে
পাকিস্তানৰ সতেও তেওঁলোকৰ বন্ধুতা গাঢ় হৈ উঠিছে। এই ক্ষেত্ৰত ভাৰতেও নিৰৱ
হৈ বহি থাকিব নোৱাৰে। চীনে ভাৰত আক্ৰমণ কৰিলে পাকিস্তানেও কাশ্মীৰক মুক্ত
কৰাৰ সুবিধা লব। কাশ্মীৰ ভাৰতৰ অঙ্গ বুলি দাবি কৰিলেও ভাৰতৰ শক্তিক ঘাইকৈ
বাধা দিব পাকিস্তান সমৰ্থক ভাৰতীয় কিছুমানে। এওঁলোকে এতিয়াও পাকিস্তানৰ
হকে চোৰাংচোৱাগিৰি অবিৰাম ভাৱে চলাই আছে। পাকিস্তান সমৰ্থক কিছুমান
ভাৰতীয়ৰ পৰাও পাকিস্তানে কাশ্মীৰ সমস্যাত জটিলতাৰ সৃষ্টি কৰাত উৎসাহ পাইছে।
এতিয়া ভাৰত চৰকাৰৰ প্ৰধান কৰ্ত্তব্য হল ভাৰতৰ বিৰুদ্ধে চোৰাংচোৱাগিৰি কৰা ভাৰতীয়
নাগৰিক কিছুমান বাহিৰ কৰি শাস্তি দিয়া আৰু পাকিস্তানৰ পৰা অহা কিছুমান
মুছলমান পমুৱা ভাৰতীয় এনেকোৱা পমুৱা বহিষ্কাৰ কৰা। কাশ্মীৰ অঞ্চলত কিছুমান
ভাৰতীয়ই কাশ্মীৰ সমস্যা সমাধান কৰাৰ চলেৰে যি বিশৃঙ্খলতাৰ সৃষ্টি কৰিছে সেই-
সকলকো দেশৰ নিৰপত্তাৰ খাতিৰত পুনৰ আটক কৰি দেশত শান্তি স্থাপনৰ দিহা কৰা
উচিত। কাশ্মীৰ এক প্ৰকাৰে ভাৰতৰ লগত চামিল হৈ গৈছে। কাশ্মীৰ সমস্যা

ভাৰতৰ কোনো সমস্যাই নহয়। কাশ্মীৰ তথা ভাৰতৰ নিৰপত্তাৰ খাতিৰত অভ্যন্তৰীণ আঁসোৱাহবোৰ আতৰ কৰি ভাৰত চৰকাৰে মাথোন শত্ৰুৰ বিপক্ষে থিয় দিবলৈ শক্তিশালী হোৱাৰ চেষ্টা চলাওক।

## ৰুছ-ভাৰত সম্প :

মিঃ ক্ৰুশ্বেভৰ চেষ্টাত ৰুছ-ভাৰত সম্পৰ্ক গাঢ় হৈ উঠিছে। ক্ৰুশ্বেভ শান্তিপ্ৰিয় লোক। কিউবাৰ পৰা ৰকেট ঘাটি উঠাই নি যুদ্ধৰ ভয়াবহ পৰিস্থিতিৰ পৰা পৃথিবীক ৰক্ষা কৰিলে। চীনে ভাৰত আক্ৰমণ কৰাৰ সময়তো মিঃ ক্ৰুশ্বেভে পূৰ্ব্বৰ প্ৰতিশ্ৰুতি অনুসৰি সামৰিক সাহায্য দি ভাৰতক উৎসাহিত কৰিলে। শান্তি আৰু মৈত্ৰীৰ বাবে প্ৰয়োগ কৰা ক্ৰুশ্বেভৰ নীতি শলাগিবলগীয়া। ভাৰতৰ প্ৰতি ৰুছিয়াৰ এইজন নেতাৰ এটি এৰিব নোৱাৰা মোহ আছে। এওঁৰ দিনতেই নেহেৰু, মিঃ কেনেডী, মিঃ মেক্‌মিলন আদি ৰমমুৰীয়াসকলৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ স্বীকৃত হ'ল আৰু ৰুছিয়াই তেতিয়াই সহ-অৱস্থানৰ দৰ্শন গ্ৰহণ কৰি ষ্টেলিনৰ সম্প্ৰসাৰণ নীতি মষিমুৰ কৰিলে। ৰুছিয়াই আনকি বৃহৎ দেশ হিচাবে ক্ৰমবৰ্দ্ধমান দেশবিলাকৰ স্বাধীনতা ৰক্ষা কৰিবলৈ অৰ্থনৈতিক আৰু সামৰিক উভয় ক্ষেত্ৰতে সাহায্য দিয়াৰ দায়িত্বও বহন কৰিলে। আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত নেহেৰু আৰু ক্ৰুশ্বেভৰ মতৰ মিল ঘটাত আন নহলেও ভাৰত যথেষ্ট ভাৱে উপকৃত হ'ল। ভাৰতৰ শিল্প আৰু কৃষি উন্নয়ণৰ ক্ষেত্ৰত এতিয়া ভাৰতলৈ ৰুছিয়াই বিৰাট পৰিমাণৰ সাহায্য আগবঢ়াইছে। অন্তৰ্জ্জাতিক ক্ষেত্ৰতো বিৰোধৰ শান্তিপূৰ্ণ মীমাংসাৰ হকে, নিৰপত্তা সুদৃঢ় আৰু শান্তি স্থাপনৰ হকে এই দুয়োখন দেশে যুটীয়া ভাৱে আগবাঢ়ি আহিছে। আন আন দেশৰ তুলনাত ৰুছ—ভাৰত ঘনিষ্ঠ সম্পৰ্কই এই দুয়োখন দেশৰ মাজত থকা সহযোগিতাক বেচি উজ্বল আৰু স্থায়ী কৰি তুলিছে। শান্তি স্থাপনৰ ক্ষেত্ৰত মতৈক্য আৰু অৰ্থনৈতিক সহযোগিতাই দুয়োখন দেশৰ মাজত থকা সম্পৰ্কক ঘনিষ্ঠতৰ কৰি তুলিছে। ৰুছিয়াই ভাৰতৰ ভিলাই, ৰাচী আৰু নেইভেলীৰ প্ৰকল্পলৈ বহুতো গধুৰ যন্ত্ৰ-পাতিৰ যোগান ধৰিছে। যোৱা জুন মাহত মস্কোত ভাৰত ছোভিয়েটৰ মাজত স্বাক্ষৰিত হোৱা দীৰ্ঘম্যাদী বাণিজ্য চুক্তিয়ে ভাৰতত ছোভিয়েট ট্ৰেক্টৰ আৰু কৃষি যন্ত্ৰপাতি আমদানিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ঠাই লৈছে। ইতিমধ্যে ভাৰতলৈ এই চুক্তি অনুসৰি ৰুছিয়াই ৫০০০ খন ট্ৰেক্টৰ যোগান ধৰিছে আৰু এই বছৰৰ ভিতৰতেই আৰু ২৩০০ খন যোগান ধৰাৰ প্ৰতিশ্ৰুতি আগবঢ়াইছে।

ভাৰতৰ জাতীয় অৰ্থনীতিৰ বিভিন্ন তাৎপৰ্য্যময় ক্ষেত্ৰত ছোভিয়েট যুক্তৰাষ্ট্ৰই বৰ্ত্তমানে ৩২খন ডাঙৰ আয়তনৰ শ্ৰমশিল্প প্ৰতিষ্ঠান নিৰ্ম্মাণ কাৰ্য্যতো কাৰিকৰী সহায় আগবঢ়াইছে।

ভাৰতীয় টকাৰে পৰিশোধ কৰিব পৰাকৈ ইয়াৰ বাবেই ভাৰতক শতকৰা ২.৫ টকা সুদত দীৰ্ঘম্যাদী ঋণ দিছে। এইবিলাকৰ ভিতৰত কেইটিমান ইতিমধ্যে কাৰ্য্যকৰী হৈছে। ভিলাই তীখা কাৰখানা, কেইটিমান তেলৰ খনি, নেইভেলী বিজুলী কেন্দ্ৰৰ তিনটা টাৰ্বো জেনেৰেটৰ, কলিকতাত এটা ফাইল কাৰখানা, চুৰাট গড়ত কেন্দ্ৰীয় যন্ত্ৰীকৃত পাম ইত্যাদি। ১৮ খনৰ নিৰ্ম্মাণ কাৰ্য্য এতিয়া চলি আছে। দুটা প্ৰিচিশ্যন কাৰখানাৰ ভিতৰত প্ৰথমটো ৰাজস্থানৰ কোটা চহৰত তৈয়াৰ হৈ আছে। দ্বিতীয় প্ৰিচিশ্যন যন্ত্ৰপাতিৰ কাৰখানাটো কেৰেলাৰ পুদুচেৰি চহৰত স্থাপন কৰাৰ যোজা চলিছে। ইয়াত উৎপাদন নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় হাইড্ৰোলিক, মেকানিকেল আৰু নিউমেটিক প্ৰিচিশ্যন যন্ত্ৰপাতি, চাপ আদি জুখিবলৈ আৰু নিয়ন্ত্ৰনৰ যন্ত্ৰপাতি আৰু আন স্বয়ংক্ৰিয়াকৰণৰ যন্ত্ৰপাতি উৎপন্ন হব বুলি আশা কৰা যায়।

ভাৰত আৰু ছোভিয়েট যুক্তৰাষ্ট্ৰৰ মাজত এই বাণিজ্যিক, অৰ্থনৈতিক আৰু কাৰিকৰী সহযোগিতা এহাতে যেনেকৈ দুয়ো দেশৰ জনসাধাৰণৰ মাজত মৈত্ৰীসম্পৰ্ক সুদৃঢ় কৰি তুলিছে; আনহাতে তেনেকৈ বিশ্বশান্তিৰ ক্ষেত্ৰত অৰিহনা যোগাইছে। ভাৰত ছোভিয়েট সম্পৰ্ক বেচি দৃঢ় আৰু স্থায়ী হোৱাটোকে ভাৰতৰ জনসাধাৰণে আশা কৰে।



# ঃ ঔপনিবেশিকতাৰ কবলৰ পৰা • আফ্ৰিকাৰ বন্ধনমুক্তি ঃ

( এটি আলোচনা )

শ্ৰীহীৰেন্দ্ৰ নাথ গগৈ
দ্বিতীয় বাৰ্ষিক কলা ( টি, ডি, চি )

এসময়ত অন্ধকাৰ মহাদেশ আফ্ৰিকাৰ বুৰঞ্জীৰ এনে এটা যুগ আছিল যি সময়ত প্ৰায় সমগ্ৰ মহাদেশখনেই আছিল পৰপদানত। সাম্ৰাজ্যবাদীৰ অবাধিত লুণ্ঠন, হত্যা আৰু শোষণত এই মহাদেশৰ মানৱতা পদদলিত হৈছিল। কিন্তু স্বধিকাৰ সাব্যস্ত কৰিবৰ কাৰণে এই সুপ্ত সিংহ আজি জাগ্ৰত হৈ উঠিছে। আফ্ৰিকাৰ দেশসমূহত আজি স্বাধীনতাৰ নব-অৰুণোদয় হৈছে। পৃথিৱীৰ আৰু ভৱিষ্যতৰ বাবেই ই আশাৰ লক্ষণ। সকলোৱে নিজৰ ভাগ্য নিজে নিৰ্ণয় আৰু গঢ়ি লব,— এই মনোভাৱ আজি তেওঁলোকৰ কাৰ্য্যকলাপত পৰিলক্ষিত হৈছে। সাম্ৰাজ্যবাদী শাসনত জৰ্জ্জৰিত এই মহাদেশত আজি পৰিবৰ্ত্তনৰ যি প্লাৱন আহিছে তাক মুক্ত পৃথিৱীৰ প্ৰত্যেকেই স্বাগত জনাইছে। কিন্তু এতিয়াও দুই এক সাম্ৰাজ্যবাদী শক্তিয়ে উপনিবেশসমূহৰ পৰা টালি-টোপোলা বান্ধি আঁতৰি যোৱাৰ পৰিবৰ্ত্তে গাৰ জোৰেৰে নিজ কৰ্তৃত্ব বজায় ৰাখিবলৈ দৃঢ়প্ৰতিজ্ঞ। কিন্তু এই কথা বিনা দ্বিধাই কব পাৰি যে তেওঁলোকে ইতিহাসৰ এই নতুন গতি ৰোধ কৰিব নোৱাৰে। মুক্তিকামী জাগ্ৰত জনতাৰ অপ্ৰতিৰোধ্য শক্তিৰ ওচৰত শিৰ নত কৰি এদিন তেওঁলোকে নিজ দেশলৈ উভটি যাবই লাগিব।

উনবিংশ শতাব্দী; ১৮৮৫ চন। এই চনতেই বৰ্ত্তমান কঙ্গো ৰাজ্য বেলজিয়ামৰ পদানত হয়। এই বছৰটোকে আফ্ৰিকাৰ পৰাধীনতাৰ বছৰৰূপে চিহ্নিত কৰিব পাৰি। ইউৰোপীয় শক্তিসমূহ যেতিয়া অফুৰন্ত কেচামাল আৰু সস্তীয়া বনুৱাৰ দেশ আফ্ৰিকাত উপস্থিত হ'ল, স্বভাৱতে তেওঁলোকৰ মাজত মহাদেশখন ভাগবটোৱাৰ প্ৰশ্ন উঠিল। কোন অংশ কোনে লব, ক'ত কাৰ সীমাৰেখা টনা হব এইবোৰ কথা বিবেচনাৰ্থে ১৮৮৫ চনত বাৰ্লিণত পশ্চিম ইউৰোপৰ সাম্ৰাজ্যবাদী ৰাষ্ট্ৰকেইখনৰ এখন সন্মিলন আহ্বান কৰা হ'ল। এই সন্মিলনত তেওঁলোকে কিছুমান উমৈহতীয়া স্বাৰ্থত ( আফ্ৰিকা শোষণৰ ? ) একমত হ'ল। এই সন্মিলনৰ পাচৰ পৰাই তেওঁলোকে যেন আফ্ৰিকাত

দস্যুতা, লুণ্ঠন, ধৰ্ষণ, আৰু হত্যাকাণ্ড চলাই নিবৰ বাবে এখন এৰ্কচেটিয়া চনদহে পালে। এই সম্মিলনৰ চুক্তি পত্ৰৰ এটা দফাত এই কথাখিনি লিখা আছিল— "স্বাক্ষৰকাৰী শক্তিসমূহে আফ্ৰিকাৰ স্থানীয় জাতিসমূহৰ সংৰক্ষণ আৰু তেওঁলোকৰ বাচি থকাৰ নৈতিক আৰু বৈষয়িক অৱস্থাৰ উন্নয়ণৰ কাৰণে প্ৰতিশ্ৰুতি দিছে।" কামান বন্দুকৰ ভয় দেখুৱাই জাতিসমূহৰ মাত-মতাৰ অধিকাৰ ৰুদ্ধ কৰি আফ্ৰিকাবাসীৰ চিৰন্তন মাটি-বাৰী আৰু শাসন ক্ষমতা হস্তগত কৰি তেওঁলোকক ঘৰতে বিদেশী কৰি তাৰ পৰিবৰ্ত্তে নিজে প্ৰভু হৈ পশ্চিমীয়া শক্তিবৰ্গই আফ্ৰিকাৰ কি নৈতিক আৰু বৈষয়িক উন্নতি সাধিলে ইতিহাসে তাৰ বিচাৰ কৰিব। ১৮৮৫ চনত বেলজিয়াম ৰাজ্য লিওপোল্ডে বিশাল কঙ্গোৰাজ্য 'ব্যক্তিগত সম্পত্তি'ৰূপে গ্ৰাস কৰাৰ লগে লগে সেই বছৰতেই পূব আফ্ৰিকাত খোপনি পুতি বহিল জাৰ্ম্মান বিলাক। তাৰ পাচত ইখনৰ পাছত সিখনকৈ দেশ তেওঁলোকৰ দখলাধীন হোৱাৰ পাচত বাকী আছিলগৈ মাত্ৰ ইথিওপিয়া, তাকো ১৯৩৫ চনত ইটালীৰ ডিক্টেটৰ মুচোলিনীয়ে সাময়িক ভাবে হলেও দখল কৰি আফ্ৰিকাৰ পৰাধীনতা সম্পূৰ্ণ কৰে।

শিল্প বিপ্লৱৰ ফলস্বৰূপে ইউৰোপৰ জনসাধাৰণৰ জীৱনধাৰণৰ মানদণ্ডৰ প্ৰভুত উন্নতি সাধন হোৱাৰ লগে লগে বিশ্বৰ ৰাজনীতিত আফ্ৰিকাৰ ভূমিকা গুৰুত্বপূৰ্ণ হৈ পৰে। কিয়নো এই উচ্চ মানদণ্ড বজায় ৰাখিবৰ বাবে তেওঁলোকৰ প্ৰয়োজন হৈ পৰে কিছুমান উপনিবেশ, যৰ পৰা তেওঁলোকে প্ৰচুৰ পৰিমাণে শিল্পৰ উপযোগী কেচামাল আৰু খাদ্যশস্য পাব পাৰে। তাৰোপৰি তেওঁলোকৰ কল-কাৰখানাত উৎপাদিত সামগ্ৰীবোৰ বিক্ৰী কৰিবৰ বাবে প্ৰয়োজন হৈ পৰে এখন বহল বজাৰ। ইউৰোপৰ ঔপনিবেশিক শক্তিবোৰে দাস ব্যৱসায়কো এটা খুব লাভজনক ব্যৱসায়ৰ ভিত্তৰত ধৰিছিল। গতিকে দেখা যায় সাম্ৰাজ্যবাদী শক্তিবোৰৰ ঔপনিবেশিক নীত সম্পূৰ্ণভাৱে অৰ্থনৈতিক কাৰণৰ দ্বাৰা চালিত নহলেও সাম্ৰাজ্য বিস্তাৰৰ সৰ্ব্বপ্ৰধান কাৰণ আছিল ইয়েই। ষোলশ শতিকাত ইউৰোপীয় ৰাষ্ট্ৰসমূহৰ মাজত সাম্ৰাজ্য বিস্তাৰৰ বাবে তীব্ৰ অৰিয়া-অৰী হয়। ৰাজশক্তিৰ দ্বাৰা অনুগ্ৰীহিত কিছুমান দুঃসাহসী নাবিকে নতুন দেশ আবিস্কাৰৰ বাবে সাগৰত পাৰি দিয়ে। আৱিস্কৃত হয় ক্ৰমে আমেৰিকা, আফ্ৰিকা, এচিয়া আৰু এইবোৰ ঠাইৰ বুকুত মণি-মুক্তা, ধন-ৰত্নৰ অজস্ৰ ভাণ্ডাৰ দেখি আৰব্য উপন্যাসৰ আলিবাবাৰ দৰে তেওঁলোকৰ টকু বিস্ময়ান্বিত হৈ যায়। পৰৰাজ্য গ্ৰাসৰ বাবে সাম্ৰাজ্যবাদী শক্তিসমূহ কেনে উন্মাদ হৈ পৰিছিল এইবোৰ উদাহৰণেই তাৰ সাক্ষ্য বহন কৰিব। ১৯১৫ চনত বৃটিছ সাম্ৰাজ্যৰ আয়তন হয়গৈ ১ কোটি ১৭ লক্ষ বৰ্গমাইল ( মুল বৃটিছ দ্বীপপুঞ্জৰ আয়তন মাত্ৰ ১লক্ষ ২১ হাজাৰ বৰ্গমাইল ) অৰ্থাৎ মুল বৃটিছ দ্বীপপুঞ্জৰ ৪৬ গুণ। দ্বিতীয় মহাযুদ্ধৰ প্ৰথম ছোৱাত ৰক্ষিত আৰু নিৰ্ভৰশীল ৰাজ্যসমূহক ধৰি বৃটিছ সাম্ৰাজ্যই পৃথিবীৰ

একচতুৰ্থাংশ ভূমি আৰু মানুহক সামৰি লয়।

## ঔপনিবেশিক শোষণৰ ইতিহাস ঃ—

ঔপনিবেশসমূহ অধিকাৰ কৰি গজ-গজীয়া হৈ বহাৰ পাচত সাম্ৰাজ্যবাদীসকলে আৰম্ভ কৰিলে এক অমানুষিক অত্যাচাৰৰ ইতিহাস। এই নিৰ্লজ্জ, বৰ্ব্বৰ অত্যাচাৰৰ কলঙ্ক কাহিনী পৃথিবীৰ বুৰঞ্জীৰ পাতৰ পৰা চন্দ্ৰ-দিবাকৰ থাকে মানে থাকিব। যুগে যুগে ই পৃথিবীৰ মুক্তিকামী মানুহক সোঁৱৰাই থাকিব সাম্ৰাজ্যবাদীসকলৰ শোষণ কাহিনী, তেওঁলোকৰ স্বভাৱ আৰু চৰিত্ৰ। অথচ সাম্ৰাজ্যবাদী সকলে প্ৰচাৰ কৰি ফুৰে যে অন্ধকাৰ মহাদেশখনৰ অসভ্য মানুহক সভ্য কৰাৰ 'পৱিত্ৰ কৰ্ত্তব্য'লৈ তেওঁলোকে এই দেশবোৰত অনুপ্ৰবেশ কৰিছে। অৱধাৰিত ভাবে কেইবা শতাব্দী জুৰি লুণ্ঠনৰ দ্বাৰা যি বিৰাট সম্পদ এই ঔপনিবেশিক শক্তিসমূহে তেওঁলোকৰ নিজ দেশলৈ লৈ গৈছে তাৰ পৰা বুজা যায় যে আফ্ৰিকা দৰিদ্ৰ মহাদেশ নহয়। সোণ, হীৰা, তাম, লো, ম্যাঙ্গানীজ, বক্সাইট, ইউৰেনিয়াম, এজবস্‌টস্‌, কোবাল্ট আদি খনিজ সম্পদ আৰু অনেক কৃষিজাত দ্ৰব্যৰে এই মহাদেশ সুসমৃদ্ধ। মহাদেশৰ এই সম্পদসমূহ শোষণ কৰি থলুৱা আফ্ৰিকা-বাসীক চৰম দৰিদ্ৰতা বৰণ কৰিবলৈ বাধ্য কৰি ইউৰোপীয় শক্তিসমূহে নিজদেশ ধন-দৌলতেৰে উপচাই পেলাইছে। আকাশচুম্বী অট্টালিকা আৰু বিৰাট বিৰাট মহানগৰী গঢ়ি তুলি, কুৰি শতিকাৰ আধুনিক সভ্যতাই দিব পৰা সকলো উপকৰণ সংগ্ৰহ কৰি এক অভিজাত্যৰ জীৱন যাপন কৰিছে। জন-জীৱনৰ শ্ৰমেৰে বিদেশী পুজিপতিসকলে অজস্ৰ লাভ কৰিছে। Sir Robert Giffenৰ হিচাপ মতে ১৮৯৯ চনত বিদেশত নিয়োজিত বৃটিছ মূলধনৰ পৰিমাণ ৯ কোটি পাউণ্ডৰ পৰা বাঢ়ি ১৯১২ চনত হয়গৈ ১৭ কোটি ৬০ লক্ষ পাউণ্ড আৰু ১৯১৯ চনত হয়গৈ ২৫ কোটি পাউণ্ড।

সপ্তদশ আৰু অষ্টাদশ শতিকাত আফ্ৰিকাৰ বুকুত দাস ব্যৱসায়ৰ যি জঘন্য জোৱাৰ উঠিছিল সেই কথাৰ স্মৰণত মানৱতাবোধ থকা প্ৰত্যেক মানুহেই মানুহৰ প্ৰতি মানুহৰ ব্যৱহাৰ দেখি লাজত চকু মুদিব। হিচাপ কৰি দেখা গৈছে যে ১৮৫০ চনত দাস প্ৰথা বিলুপ্ত হোৱাৰ আগলৈকে কেৱল এঙ্গোলাৰ পৰাই ৩০ লাখ নিগ্ৰোক ব্ৰেজিল আৰু উত্তৰ আমেৰিকাৰ বাগিছা-সমূহলৈ ক্ৰীতদাস হিচাবে পঠোৱা হৈছিল। আমেৰিকাৰ বয়োবৃদ্ধ আৰু সুবিখ্যাত মনিষী ডাঃ ডব্লিউ ই, বি, ডুবয়ৰ মতে "The slave trade was continentwide and centuries long and an economic, social and political catastrophe probably unparalleled in human history...... at least 10,000,000 Negroes were expatriated. Probably every slave imported represented on the average five cropses in Africa or on the high seas. The American slave trade, therefore, meant the elimina-

tion of at least 60,000,000 Negroes from their fatherland. The Mohammedan slave trade meant the expatriation or forcible migration in Africa of nearly as many more. It would be conservative, then to say that the slave trade cost Negro Africa 100,000,000 souls" ইউৰোপীয় আৰু মাৰ্কিণ পুঁজিপতিসকলে এই দাস আৰু অন্যান্য ব্যৱসায়ৰ দ্বাৰা মুঠিয়ে মুঠিয়ে ধন আহৰণ কৰি নিজ দেশ সমৃদ্ধিশালী কৰিছে। বিনিময়ত থলুৱা আফ্ৰিকাবাসীয়ে ইউৰোপ আৰু আমেৰিকাৰ সমৃদ্ধিৰ বেদীত নিজৰ আত্মসন্মান, স্বাধীনতা, শ্ৰম আৰু বুকুৰ তেজৰ চেকুৰা বলিদান দি আহিছে। এয়েই 'সভ্য শ্বেতকায়'সকলৰ 'অসভ্য আফ্ৰিকাবাসী'ক সভ্য কৰাৰ 'পৱিত্ৰ মিছনৰ' ইতিহাস। লাখ লাখ শ্বেতাঙ্গ আহি আফ্ৰিকাৰ ঔপনিবেশ-সমূহত নিগাজীকৈ বসবাস কৰিছেহি। স্থানীয় জনসাধাৰণক দমনৰ বাবে প্ৰয়োজনীয় সকলো ৰকমৰ সহায় সহানুভূতিকেই এই শ্বেতাঙ্গসকলে ঔপনিবেশিক চৰকাৰৰ পৰা পায়। কামান, বন্দুক-বেয়নেটৰ সাহাৰ্য্য লৈ ন ন ভূমি আইনৰ দ্বাৰা থলুৱা অধিবাসী সকলক উৰ্ব্বৰ অঞ্চলবোৰৰ পৰা উচ্ছেদ কৰি অনুৰ্ব্বৰ পাৰ্ব্বত্য অঞ্চলবোৰলৈ খেদি দি শ্বেতাঙ্গসকলে সেইবোৰ অঞ্চল নিজে দখল কৰিছিল বা পৰাধীন দেশবোৰত আজিও কৰি আছে। শতাব্দীৰ পাছত শতাব্দী ধৰি অখৃষ্টান অধিবাসীসকলৰ ওপৰত চলিছে নৃসংশ উৎপীড়ন। আফ্ৰিকাৰ থলুৱা ভাষা ঔপনিবেশিক কৰ্ত্তৃপক্ষৰ দ্বাৰা অৱহেলিত হৈ আহিছে। ফৰাচী, পৰ্ত্তুগীজ, স্পেনীছ, জাৰ্ম্মান আৰু ইটালীয়ান ভাষাক কৰা হৈছে চৰকাৰী ভাষা, আদালতৰ ভাষা আৰু শিক্ষাৰ মাধ্যম। সংস্কৃতিৰ বেলিকাও হৈছে সেয়ে। আফ্ৰিকাৰ থলুৱা সংস্কৃতিয়ে ঔপনিবেশিক কৰ্ত্তৃপক্ষৰ পৰা কোনো স্বীকৃতি পোৱা নাই। তেওঁলোকে আফ্ৰিকাৰ যি কোনো অতীত ইতিহাস বোলা বস্তু এটা আছে এই কথাটোকে স্বীকাৰ কৰিব নোখোজে। আফ্ৰিকাৰ জাতীয় বীৰ-বীৰাঙ্গনাসকলৰ পৰিবৰ্ত্তে লৰা-ছোৱালীবোৰক পঢ়োৱা হয় ইংৰাজ ৰজা-ৰাণী বা ফৰাচী সম্ৰাটসকলৰ কাহিনী। দেশী আৰু বিদেশী সকলো বাতৰি কাকতৰ ওপৰতে চেন্সৰ ব্যৱস্থা কৰা হৈছে। এঙ্গোলাৰ চৰকাৰে আমেৰিকান আলোচনী এখনৰ প্ৰকাশকে বন্ধ কৰি দিয়ে; কাৰণ হল এই কাকতখনৰ এটা সংখ্যাত ১৯৫০ চনৰ পৰা ১৯৬০ চনলৈক স্বাধীন হোৱা আফ্ৰিকান ৰাষ্ট্ৰ সমূহৰ এখন মানচিত্ৰ প্ৰকাশ কৰা হৈছিল। ঔপনিবেশ নিষ্পেষণত পৰ্ত্তুগীজ চৰকাৰ অদ্বিতীয়। পৰ্ত্তুগীজ ঔপনিবেশবোৰৰ অৰ্থনীতিৰ এটি কুৎসিৎ দিশ হৈছে বাধ্যতামুলক শ্ৰম। জোচ্ গ্লিমৰ নামে এজন লিখকৰ মতে "Forced labour in Angola exists in the most brutal form. Semi-official statistics for 1957 put the number of workers at 700,000 including men, women

and children between the ages of Seven and Seventy." পর্ত্তুগীজ ডিক্টেটৰ চালাজাৰৰ ঘোৰ বিৰোধী, চান্তা মেৰিয়া জাহাজ অৱৰোধকাৰী, পর্ত্তুগালৰ সাগৰ পাৰৰ ঔপনিবেশবোৰৰ ভূতপূৰ্ব্ব প্ৰধান পৰিদর্শক, বৰ্ত্তমান দেশান্তৰিত বিদ্ৰোহী কেপ্তেন হেন্‌ৰিক গালভাওৰ মতে ( তেওঁ নিজে পর্ত্তুগীজ ) "Forced labour in the Portuguese Provinces is today indistinguishable from outright slavery." আফ্ৰিকান বনুৱাসকলক শ্বেতাঙ্গ মালিকৰ অনুৰোধত পর্ত্তুগীজ পুলিচে বেত্ৰচালনা কৰে নাইবা মালিকে নিজেই প্ৰায়ে এই কামফেৰা সমাধা কৰে। গাৰ বং কলা বুলিয়েই আফ্ৰিকান সকলে শ্বেতাঙ্গৰ দ্বাৰা ব্যৱহৃত একেই দোকান, ৰেষ্টুৰেণ্ট, চিনেমাহল, সাঁতোৰা পুখুৰী, কোনো কোনো সময়ত সমুদ্ৰতীৰ পৰ্য্যন্ত আৰু পার্ক, বাচ, ট্ৰেইন, গীৰ্জ্জা আদিত একেলগে মিলামিছা কৰিব নোৱাৰে। এই বিষয়ত দক্ষিণ আফ্ৰিকা চৰকাৰ অত্যুৎসাহী। তেওঁলোকৰ কুখ্যাত 'apartheid' নীতি আজি সৰ্ব্বজনবিদিত। এইদেশৰ শতকৰা ৮৭ ভাগ মাটি আৰু চহৰ, ৰেলপথ আৰু বজাৰৰ ওচৰৰ সকলো মূল্যবান মাটি শ্বেতাঙ্গ লোকৰ সম্পত্তি আৰু মাত্ৰ তেওঁলোকৰ বসবাসৰ কাৰণেহে চিহ্নিত, 'Group areas' আইনমতে শ্বেতাঙ্গৰ বাহিৰে কোনো কৃষ্ণাঙ্গই এই অঞ্চলৰ ভিতৰত বসবাস কৰিব নোৱাৰে। তেওঁলোকৰ বাসস্থান, শিক্ষানুষ্ঠান আদি শ্বেতাঙ্গৰ পৰা সম্পূৰ্ণ পৃথক। আফ্ৰিকাৰ কোনো এখন ৰাষ্ট্ৰ নাই য'ত শ্বেতাঙ্গসকল সংখ্যা গৰিষ্ঠ। কিন্তু ইতিহাসৰ ই এক বিস্ময়কৰ তথ্য যে সংখ্যালঘু শ্বেতাঙ্গসকলেই আফ্ৰিকাৰ সংখ্যাগৰিষ্ঠ কৃষ্ণাঙ্গসকলৰ ভাগ্য-বিধাতা। যি এঙ্গোলাত পর্ত্তুগীজ বৰ্ব্বৰতাই সকলো সীমা পৰিসীমা চেৰাই গৈছে সেই এঙ্গোলাত কৃষ্ণাঙ্গ আদিম অধিবাসীৰ সংখ্যা (৪০) চল্লিশ লাখ আৰু শ্বেতাঙ্গৰ সংখ্যা মাত্ৰ দুই লাখ। আনকি দক্ষিণ ৰোডেচিয়াৰ দৰে তুলনামূলক ভাবে বেছি শ্বেতাঙ্গ অধ্যুষিত অঞ্চলতো তেওঁলোক স্থানীয় আফ্ৰিকান সকলৰ ন-দশমাংশহে। আফ্ৰিকাক সভ্য কৰিবলৈ অহা বুলি দাবী কৰা সাম্ৰাজ্যবাদী সকলে আফ্ৰিকাবাসীৰ বৈষয়িক উন্নতিৰ বাবে কি কৰিছে, কঁহিয়াই চালে দেখা যায় এঙ্গোলাত প্ৰতি ২৬,০০০ জন অধিবাসীৰ বাবে মাত্ৰ এজন চিকিৎসক, জনসংখ্যাৰ শতকৰা ৯৯ জন অশিক্ষিত। মোজাম্বিকৰো মুঠ জনসংখ্যাৰ শতকৰা ৯৯ জন অশিক্ষিত, সমগ্ৰ ডাক্তৰৰ সংখ্যা মাত্ৰ ১৬৫ জন। পশ্চিম আফ্ৰিকাৰ প্ৰাচীনতম বৃটিছ উপনিবেশ গ্যাম্বিয়াৰ ৩০,০০০ জন অধিবাসীৰ কাৰণে মাত্ৰ এজন চিকিৎসক, সমগ্ৰ দেশত মাত্ৰ পাঁচখন স্কুল আছে। উদাহৰণ ইমানেই যথেষ্ট।

দক্ষিণ আফ্ৰিকা চৰকাৰৰ 'apartheid' নীতি আৰু পর্ত্তুগীজ ঔপনিবেশিক শক্তিৰ বৰ্ব্বৰ অত্যাচাৰৰ বিৰুদ্ধে বিশ্বজনমত আজি বৰ প্ৰবল হৈ উঠিছে। পৃথিবীৰ বহুত দেশে

পর্তুগীজ আৰু দক্ষিণ আফ্রিকা চৰকাৰৰ সৈতে কূটনৈতিক বাণিজ্যিক সম্পৰ্ক ছেদ কৰাৰ উপৰিও ৰাষ্ট্ৰসংঘকে ধৰি আন আন আন্তৰ্জাতিক অনুষ্ঠানসমূহৰ পৰা পৰ্তুগালক বিতাৰিত কৰাৰ পোষকতা কৰি আহিছে। কোনো কোনো ৰাষ্ট্ৰই ইতিমধ্যে কূটনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক ছেদ কৰিছেই। জেনেভাত এই বছৰৰ জুন মাহত বহা আন্তৰ্জাতিক বনুৱা সংঘৰ (ILO) ৪৮ জনীয়া কাৰ্য্যপালিকা পৰিষদে, দক্ষিণ আফ্রিকাক এই সন্থাৰ পৰা বহিস্কৃত কৰাৰ বাবে উত্থাপিত এটা প্ৰস্তাৱ ২৯ জুনৰ দিনা প্ৰায় সৰ্ব্বসন্মতিক্ৰমে গ্ৰহণ কৰে। প্ৰস্তাৱত ১০৮ জনীয়া এই সংস্থাৰ পৰা দক্ষিণ আফ্রিকাক বহিস্কাৰ কৰিবৰ বাবে সন্থাৰ সংবিধান পৰিবৰ্ত্তন হোৱাৰ পোষকতা কৰে। প্ৰস্তাৱটো ৬৮-৪ ভোটত গৃহীত হয়। ৩জন প্ৰতিনিধি ভোটদানৰ পৰা বিৰত থাকে। উল্লেখযোগ্য যে আমেৰিকাৰ প্ৰতিনিধিয়ে প্ৰস্তাৱৰ বিপক্ষে ভোট দিয়ে। আকৌ এই বছৰৰ জুলাইৰ চাৰি তাৰিখে জেনেভাত বহা আন্তৰ্জাতিক শিক্ষা সন্মিলনত ( world educational meet ) আফ্রিকাৰ প্ৰতিনিধিসমূহৰ দ্বাৰা উত্থাপিত এটা প্ৰস্তাৱ ৪০-২৩ ভোটত গৃহীত হয়। ১৭জন প্ৰতিনিধি ভোটদানৰ পৰা বিৰত থাকে। এই প্ৰস্তাৱৰ দ্বাৰা যিমান দিনলৈকে দক্ষিণ আফ্রিকা চৰকাৰে বৰ্ণ বৈষম্য নীতি চলাই যাব সিমান দিনলৈকে এই অনুষ্ঠানৰ পৰা বহিস্কৃত হৈ থাকিব। আমেৰিকা আৰু বৃটিছ প্ৰতিনিধিয়ে এই প্ৰস্তাৱৰো বিপক্ষে ভোট দিয়ে। এই দুই চৰকাৰৰ বিৰুদ্ধে গঢ়ি উঠা এনে বহুতো উদাহৰণ দিব পৰা যায়। আনকি, বৰ্ত্তমান বৃটিছ লেবাৰ পাৰ্টিৰ দলপতি আৰু অহা নিৰ্ব্বাচনৰ পাচত ইংলণ্ডৰ প্ৰধানমন্ত্ৰী হোৱাৰ সম্ভাৱনা থকা মিঃ হেৰলড উইলচনেও এই বছৰৰ মাৰ্চ্চ মাহত ঘোষণা কৰিছে যে পৰবৰ্ত্তী বনুৱা চৰকাৰে দক্ষিণ আফ্রিকালৈ অস্ত্ৰ-শস্ত্ৰৰ সৰবৰাহ বন্ধ কৰিব।

## স্বাধীনতা সংগ্ৰামত আফ্রিকা :—

শ্বেতাঙ্গ ঔপনিবেশিক শাসকসকলে ভাবিছিল যে তেওঁলোকে আফ্রিকাবাসীৰ ওপৰত চিৰকাল এইদৰে দস্যুবৃত্তি চলাই যাব পাৰিব। কিন্তু আজি ইতিহাসৰ গতি পৰিবৰ্ত্তন হৈছে। সেইহে যোৱা দুই দশকৰ ভিতৰত আফ্রিকাৰ ইমানবিলাক দেশ পৰাধীনতাৰ জিঞ্জিৰি ছিঙি মুক্ত পৃথিবীলৈ ওলাই আহিল। ইয়েই প্ৰমাণ কৰে মুক্তিকামী মনৰ পচোৱাজাক কিমান বেগেৰে বলিছে, যি বেগৰ গতিৰোধ কৰিবৰ শক্তি সাম্ৰাজ্যবাদীসকলৰ হেৰাই গৈছে।

বৰ্ত্তমান আফ্রিকা মহাদেশতেই মধ্যযুগৰ ঔপনিবেশিক শাসন ব্যৱস্থা চলি আছে আৰু তীব্ৰ স্বাধীনতা সংগ্ৰামো বৰ্ত্তমান। পৰাধীন আফ্রিকাৰ তিনি চতুৰ্থাংশ অঞ্চল আজি শৃঙ্খলাবদ্ধ। তলত আফ্রিকাৰ আজিও পৰাধীন ৰাষ্ট্ৰসমূহৰ নাম উল্লেখ কৰা হৈছে। কিন্তু আফ্রিকাৰ মুক্তি আন্দোলনৰ পচোৱাজাক যি বেগেৰে বলিছে তালৈ চালে কব নোৱাৰি ; হয়তো এই প্ৰবন্ধ প্ৰকাশ হোৱাৰ

আগতেই কেইবাখনো দেশে স্বাধীনতা লাভ কৰিব পাৰে। আজিও পৰাধীন ৰাষ্ট্ৰবোৰ হ'ল (১) এঙ্গোলা (২) মোজাম্বিক (৩) পৰ্ত্তুগীজগিনি (পৰ্ত্তুগীজ) (৪) জাঞ্জিবাৰ (৫) গ্যাম্বিয়া (৬) বেচুয়ানাল্যাণ্ড (৭) চোয়াজিল্যাণ্ড (৮) বাসুতোল্যাণ্ড (৯) নিয়াসাল্যাণ্ড (১০) উত্তৰ ৰোডেচিয়া (১১) দক্ষিণ ৰোডেচিয়া (ইংৰাজ) (১২) স্পেনীয় চাহাৰা (১৩) স্পেনীয় গিনি (১৪) মৰক্কোৰ অন্তৰ্গত সমুদ্ৰতীৰবৰ্ত্তী চহৰ কিউটা আৰু মেলিনা (১৫) দক্ষিণ পশ্চিম আফ্ৰিকা (স্পেনীচ) (১৬) ফৰাচী সোমালি উপকূল (ফৰাচী)। কি দ্ৰুততৰ গতিত আফ্ৰিকান ৰাষ্ট্ৰসমূহে স্বাধীনতা লাভ কৰিছে তলৰ তথ্যসমূহৰ পৰা বিচাৰ কৰক! দ্বিতীয় মহাসমৰৰ আগলৈকে সমগ্ৰ আফ্ৰিকাত মিচৰ, ইথিওপিয়া, লাইবেৰিয়া আৰু দক্ষিণ আফ্ৰিকা ইউনিয়ন গবৰ্ণমেণ্টক ধৰি মাত্ৰ চাৰিখন স্বাধীন ৰাষ্ট্ৰ আছিল। কিন্তু চলিত বছৰলৈকে এই সংখ্যা ৩৫ খনলৈ বৃদ্ধি হৈছে। আফ্ৰিকাৰ স্বাধীনতা সংগ্ৰামত ১৯৬২ চনটো এক স্মৰণীয় বছৰ। বহুতে এই বছৰটোক আফ্ৰিকান ইয়াৰ বা আফ্ৰিকাৰ স্বাধীনতাৰ বছৰৰূপে চিহ্নিত কৰে। কিয়নো এই এটা বছৰতে আফ্ৰিকাৰ ১৭খন দেশে স্বাধীনতা লাভ কৰে। ভাৰতবৰ্ষৰ জনসাধাৰণে যি দৰে আৰম্ভনিৰে পৰা বিদেশী শাসনৰ বিৰুদ্ধে প্ৰতিৰোধ সংগ্ৰাম কৰি আহিছিল সেইদৰে আফ্ৰিকাবাসীয়েও বিদেশী শাসন নিৰ্ব্বিবাদে বিনা প্ৰতিৰোধে মানি লোৱা নাছিল। আধুনিক অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত প্ৰবল পৰাক্ৰমী ঔপনিবেশিক প্ৰতিপক্ষৰ বিৰুদ্ধে আফ্ৰিকাবাসীয়ে ধনু-কাঁড়, তৰোৱাল আৰু যাঠি-জোঙেৰে হলেও দেশপ্ৰেম আৰু স্বাধীনতা মন্ত্ৰেৰে দীক্ষিত হৈ জুইত জপিয়াই পৰিছিল। দক্ষিণ আফ্ৰিকাৰ আদিমবাসী জুলুবিলাকে ওলন্দাজবিলাকক আৰম্ভনিৰে পৰা সশস্ত্ৰ প্ৰতিৰোধ কৰিছিল। তেওঁলোকৰ এই যুদ্ধ ইংৰাজবিলাকৰ বিৰুদ্ধেও ১৮৭৯ চন পৰ্য্যন্ত চলিছিল। উনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰা বিংশ শতিকাৰ ১৯৩৫ চন পৰ্য্যন্ত মহাদেশৰ বিভিন্ন অংশত ওলন্দাজ, বৃটিছ, ফৰাচী, জাৰ্ম্মান, বেলজিয়াম আৰু ইটালীয়সকলৰ লগত আফ্ৰিকানসকলৰ বহুতো খণ্ড আৰু বৃহৎ যুদ্ধ হৈ গৈছে। এই স্বাধীনতা সংগ্ৰামবোৰত কিমান যে আফ্ৰিকানৰ মৃত্যু হৈছে তাৰ সীমা-সংখ্যা নাই। ১৯০০ চনত বেলজিয়াম কঙ্গোৰ লোকসংখ্যা আছিল দুই কোটি; ১৯৬০ চনত এই লোকসংখ্যা বাঢ়ক ছাৰি ৬০ বছৰত ৭৫ লাখ কমি জনসংখ্যা হলগৈ ১ কোটি ২৫ লাখ। এই লোকসংখ্যাৰ হ্ৰাস হোৱাৰ কাৰণ কি? ১৯০৬ চনত দক্ষিণ পশ্চিম আফ্ৰিকাত আৰু টাঙ্গানিকাত জাৰ্ম্মানসকলে যথাক্ৰমে ৮০ হেজাৰ আৰু ১ লাখ ২৫ হেজাৰ আফ্ৰিকানক হত্যা কৰিছিল। সৌ সিদিনা ১৯৪৭ চনত মাদাগাস্কাৰ দ্বীপত বিদ্ৰোহৰ ফলত ফৰাচী সকলৰ হাতত ৪০ হেজাৰ মালাগাসি নিহত হয়। ১৯৫২ চনৰ পৰা কেনিয়াৰ মাউ মাউ বিদ্ৰোহত ১১ হেজাৰ আফ্ৰিকান নিহত হৈছে। পৰ্ত্তুগীজ আফ্ৰিকাতো স্বাধীনতা সংগ্ৰামীৰ

হত্যাকাণ্ডৰ সংখ্যা লাখৰ সীমা ছেৰাই গৈছে। বৰ্ত্তমান এঙ্গোলা আৰু মোজাম্বিকৰ স্বাধীনতা আন্দোলন দমনৰ বাবে বৰ্বৰ হত্যাকাণ্ড চলিব লাগিছে। এঙ্গোলাৰ বাইক্স ডি কামানজে নামৰ ঠাইত শ্বেতাঙ্গসকলৰ অন্যায় ব্যৱহাৰৰ প্ৰতিবাদত অনুষ্ঠিত শান্তিপূৰ্ণ সমদলৰ ওপৰত সৈন্যবাহিনীৰ গুলিচালনাৰ ফলত আঠহেজাৰ নিৰপৰাধী মানুহৰ মৃত্যু হয়। নিৰস্ত্ৰ জনতাৰ ওপৰত এৰোপ্লেনৰ পৰা বোমাবৰ্ষণ কৰা হৈছে। 'নাটো'ৰ সাহার্য্যপুষ্ট লাখ লাখ পৰ্ত্তুগীজ সৈন্য ঔপনিবেশসমূহ ভৰি পৰিছেহি। কিন্তু এঙ্গোলান সকলে স্বাধীনতা সংগ্ৰাম চলাই নিবৰ বাবে দৃঢ়প্ৰতিজ্ঞ। সেইহে ১৯৬০ চনৰ জুনৰ ৩০ তাৰিখে লিওপোল্ডভিলত মিঃ হল্ডেন ৰবাৰ্টৰ নেতৃত্বত নিৰ্ব্বাসিত স্বাধীন এঙ্গোলান চৰকাৰ গঠন হৈছে।

স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীত আলজেৰীয়াবাসীৰ দৰে ত্যাগৰ সমতুল্য উদাহৰণ পৃথিবীৰ বুৰঞ্জীতেই বিৰল। ১৯৫৪ চনত আলজেৰীয় মুক্তি সংগ্ৰাম আৰম্ভ আৰু ১৯৬২ চনত স্বাধীনতা প্ৰাপ্তিলৈকে ফৰাচীবিলাকৰ হাতত সাত বছৰৰ ভিতৰত ছয়লাখ আলজেৰীয় মুক্তিযোদ্ধা নিহত হৈছে। তেলসমৃদ্ধ আৰু মদ ব্যৱসায়ত বিশ্বজুৰা খ্যাতি থকা এই দেশখন ফৰাচীসকলে কোনোমতে হেৰুৱাব খোজা নাছিল। সেইহে এই বিদ্ৰোহ দমনৰ বাবে ফ্ৰান্সে সৰ্ব্বশক্তি প্ৰয়োগ কৰিছিল। কিন্তু এই যুদ্ধৰ ফলত ফ্ৰান্সৰ ৰাজকোষ শূন্য হৈ গৈছিল। ১৯৫৪ চনত এই যুদ্ধ আৰম্ভৰ পৰা ১৯৫৮ চনৰ মে মাহত দ্যগলৰ অভ্যুত্থানলৈকে এই চাৰে তিনি বছৰত, আলজেৰীয় যুদ্ধ সংক্ৰান্ত কাৰণতে ছবাৰ ফৰাচী মন্ত্ৰীসভাৰ পতন হৈছিল। কিন্তু অৱশেষত তেওঁলোকে এই আন্দোলনৰ আগত বশ্যতা স্বীকাৰ কৰি ভাল লৰাৰ দৰে টালি-টোপোলা বান্ধি ঘৰলৈ ঘূৰি যাব লগা হয়।

## স্বাধীনতাৰ পৰবৰ্ত্তী অৱস্থাঃ—

যি গতিৰে আফ্ৰিকাৰ ৰাষ্ট্ৰসমূহে স্বাধীনতা অৰ্জ্জন কৰিছে তাৰ পৰা অনুমান হয় হয়তো আৰু কেইবছৰ মানৰ ভিতৰতে আফ্ৰিকাত ঔপনিবেশিকতাৰ শেষ চিহ্ন কনো লোপ পাব। কিন্তু; ইতিহাসৰ অনিবাৰ্য্য গতিৰ আগত বশ্যতা স্বীকাৰ কৰি ঔপনিবেশিক শক্তিসমূহে অনিচ্ছাসত্ত্বেও ঔপনিবেশসমূহ এৰি দিবলৈ বাধ্য হৈছে যদিও, এই মহাদেশৰ ওপৰৰ পৰা সাম্ৰাজ্যবাদী শাসনৰ কুদৃষ্টি সম্পূৰ্ণ আতৰ হৈছেনে? সাম্ৰাজ্যবাদৰ স্বভাৱৰ পৰিবৰ্ত্তন নহয়, পৰিবৰ্ত্তন হয় মাত্ৰ কৌশলৰ। গাৰ জোৰেৰে শাসন কৰাৰ পন্থা এৰি আফ্ৰিকাৰ দৰিদ্ৰতাৰ সুযোগ লৈ এই শক্তিসমূহে এতিয়া অৰ্থনৈতিক শোষণৰ পথ বাছি লৈছে। ইয়াকে কোৱা হয় 'New-colonialism' বা 'নতুন সাম্ৰাজ্যবাদ'। ঔপনিবেশিক শাসনত ঐতিহাসিক 'divide and rule' নীতি অতীতৰ পৰা তেওঁলোকৰ প্ৰধান সম্পদ। আজিও আফ্ৰিকাৰ জাতিসমূহৰ উপদলীয় পাৰ্থক্যসমূহ আবিস্কাৰ কৰি এটা উপজাতিক আন এটাৰ বিৰুদ্ধে উচটাই দি আফ্ৰিকাৰ ৰাষ্ট্ৰসমূহৰ স্বাধীনতা বিলম্বিত বা সংহতি নাশ কৰিবৰ

বাবে এই নীতি প্ৰয়োগ কৰা হৈছে। অধুনাতম উদাহৰণ বৰ্ত্তমান সমাধান হোৱা কঙ্গো সমস্যা।

ৰাষ্ট্ৰসংঘত আজি 'আফ্ৰো-এচিয়া' ৰাষ্ট্ৰ-গোষ্ঠীৰ সদস্যৰ সংখ্যা মুঠ সদস্য সংখ্যাৰ আধাতকৈও বেছি হৈছেগৈ। গতিকে আন্তৰ্জাতিক ৰাজনীতিত তেওঁলোকে কি ভূমিকা গ্ৰহণ কৰে প্ৰণিধানযোগ্য। সেইহে তেওঁলোকক নিজ নিজ শিবিৰলৈ আনিবৰ বাবে পূব আৰু পাশ্চমৰ মাজত অৰিয়া-অৰি লাগিছে। ঔপনিবেশিক শাসনৰ পৰা কবলমুক্ত হৈ এতিয়া আফ্ৰিকাৰ ৰাষ্ট্ৰসমূহে অৰ্থনৈতিক স্বাধীনতাৰ বাবে উমৈহতীয়া লক্ষ্যৰ বাটত আগবাঢ়িছে। গতিকে অৰ্থনৈতিক পুনৰ গঠনৰ বাবে আগবঢ়োৱা স্বত্বাধীন নোহোৱা গি কোনো শক্তি শিবিৰৰ পৰাই গ্ৰহণ কৰিবলৈ সাজু থাকিব লাগিব। তাকে কৰিবলৈ হলে তেওঁলোকে অনুকৰণ কৰিব লাগিব এক বলিষ্ঠ বৈদেশিক নীতি। স্বাধীনোত্তৰ কালত আফ্ৰিকান ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক বুজাপৰা আৰু একতাৰ বৰ জৰুৰী প্ৰয়োজন হৈ পৰিছে। ১৯৫৮ চনত আক্ৰাত বহা স্বাধীন আফ্ৰিকান ৰাষ্ট্ৰ-সমূহৰ প্ৰথম সন্মিলনত ভাষণ দিওঁতে ঘানাৰ প্ৰেছিডেণ্ট এনক্ৰুমাই আফ্ৰিকাৰ এই সংহতিৰ ওপৰত বিশেষ জোৰ দিছিল। তেওঁ সেই সন্মিলনত এক কথাত কৈছিল যে, আফ্ৰিকাৰ অৱশিষ্ট পৰাধীন দেশসমূহৰ স্বাধীনতাৰ বাবে ইতিহাসৰ বিবৰ্ত্তনৰ বাবে অপেক্ষা কৰিবলৈ তেওঁলোক অপাৰগ। ইতিহাসক এক বৈপ্লবিক আঘাট দি আফ্ৰিকাৰ ৰাষ্ট্ৰ-সমূহৰ সমূহীয়া সামৰিক শক্তিৰে ঔপনিবেশিক শক্তিসমূহক এশিকনি দি পৰাধীন দেশবোৰে স্বাধীনতা পুনৰুদ্ধাৰ কৰাৰ তেওঁ পোষকতা কৰে। প্ৰেছিডেণ্ট এনক্ৰুমাৰ সেই কথাৰেই প্ৰতিধ্বনি উঠিছে এই বছৰৰ মে মাহত আদ্দিচ আবাবাত বহা আফ্ৰিকান ৰাষ্ট্ৰসমূহৰ শীৰ্ষ সন্মিলনত। আফ্ৰিকাৰ ঔপনিবেশসমূহৰ আৰু আন আন প্ৰশ্ন সংক্ৰান্তত পশ্চিমীয়া শক্তিবিলাকৰ কাৰ্য্য-কলাপত আফ্ৰিকাবাসী যে বিতুষ্ট আৰু ক্ৰোধান্বিত এই কথা এজন আফ্ৰিকানৰ মুখৰ পৰাই শুনক। তেওঁ হ'ল ৰাষ্ট্ৰসংঘৰ নাই-জেৰিয়াৰ প্ৰতিনিধি আলহাজি মোহাম্মদ গিনেৰুমা। "The future relationship between Africa and the west largely depend on the measure of their sincerity in this erucial matter. Unfortunately the voting record of the west in the United Nations on the colonial question has been less than encouraging Take for example, the voting on the memorable declaration of granting of independence to colonial countries and peoples. The declaration asks for no more than the recognition of the right of every people to self-determination and self-government, and yet the leaders of the west did not find if possible to vote for it." কিন্তু হাজাৰ বাধা বিখিনি স্বত্বেও আফ্ৰিকা আত্ম-নিয়ন্ত্ৰণৰ পথত আগুৱাই যাবলৈ সমৰ্থ হবই। মুক্ত পৃথিৱীৰ সকলো মুক্ত মনৰ মানুহেই সেই দিনলৈকে অপেক্ষা কৰি আছে।

* এই প্ৰবন্ধ যুগুত কৰোতে তথ্যপাতিৰ বাবে 'কেৰিয়াচ্ এণ্ড কৰ্চ' বঙালী মাহেকীয়া আলোচনী, 'আন্তৰ্জাতিক' আৰু বাতৰি কাকতৰ সহায় লোৱা হৈছে।

শ্ৰীনিকেন গোহাঁই (শ্ৰমন)
দ্বিতীয় বাৰ্ষিক কলা ( টি, ডি, চি )

# বিশ্বকৱি ৰবীন্দ্ৰনাথৰ সাহিত্যত বৌদ্ধ সংস্কৃতিৰ প্ৰভাৱ

ভাৰতীয় সংস্কৃতি আৰু সাধনাৰ প্ৰতি স্তৰতেই গভীৰ পৰ্য্যবেক্ষন কৰিলে বিশ্বকৱি ৰবীন্দ্ৰনাথে। সুদূৰ পৌৰাণিক যুগৰ পৰা আৰম্ভ কৰি বৌদ্ধ যুগ আৰু মধ্যযুগৰ মৰমীয়াল সাধকসকলৰ যুগৰ পৰা আধুনিক ভাৰতৰ বিশেষ চিন্তাধাৰা পৰ্য্যন্ত তেওঁৰ মানস প্ৰতিফলিত। বুদ্ধ আৰু বৌদ্ধ সংস্কৃতিৰ দ্বাৰা কৱিৰ চিত্ত যি দৰে আলোড়িত হৈছিল সি বৰ্ণনাতীত।

কৱি হিচাবে ৰবীন্দ্ৰনাথ অখণ্ড জীৱনৰ পূজাৰী—জীৱনৰ সৰ্ব্বাঙ্গীন উদ্বোধনৰ পক্ষপাতী। তেওঁ ভাৰতবৰ্ষৰ ইতিহাসত বৌদ্ধ সংস্কৃতিৰ মাজত সন্ধান পাইছিল জীৱনৰ এই পূৰ্ণতম অভিব্যক্তি। বৌদ্ধ সংস্কৃতিৰ বিচিত্ৰ বিকাশৰ বৰ্ণনাত তেওঁৰ কণ্ঠত ধ্বনিত হৈছিল—

"দুঃসাধ্য কীৰ্ত্তিতে কৰ্ম্মে চিত্ৰপটে, মন্দিৰে,
মুৰ্ত্তিতে,
আত্মদান সাধন স্ফুৰ্ত্তিতে.
উচ্ছ্বসিত উদাৰ উক্তিতে
স্বাৰ্থঘন দীনতাৰ বন্ধন মুক্তিতে।"

জীৱনৰ প্ৰত্যেক ক্ষেত্ৰত যি সমুজ্জ্বল হৈ উঠিছিল, ৰবীন্দ্ৰনাথে তাক গভীৰ অনুৰাগেৰে স্মৰণ কৰিছে। বুদ্ধ আৰু বৌদ্ধ সংস্কৃতি সম্বন্ধে ৰবীন্দ্ৰনাথৰ যি গভীৰ আৰু ব্যাপক বিশ্লেষণ, ভাৰতীয় সাহিত্যত তাৰ তুলনা নাই। আমাৰ জাতীয় জীৱনত বুদ্ধ আৰু বৌদ্ধ সংস্কৃতিক প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত তেওঁৰ প্ৰভাৱ অপৰিসীম।

ব্ৰাহ্মণ্য যুগত উৎকট বুদ্ধবিদ্বেষ, শঙ্কৰাচাৰ্য্য, কুমাৰিলভট্টৰ আবিৰ্ভাৱ আৰু মুছলমানৰ আক্ৰমণ প্ৰভৃতিত বৌদ্ধ-ধৰ্ম্মই কম বিৰোধীতাৰ সন্মুখীন হোৱা নাছিল। সেই কাৰণে আমাৰ সাহিত্যত তাৰ প্ৰতিফলন হোৱা দেখা যায়। আনকি মধ্য যুগত "বিনয়ী" বৈষ্ণৱসকলৰ মাজতো বৌদ্ধ বিদ্বেষে কেনে ৰূপ ধাৰণ কৰিছিল, "চৈতন্য-ভাগৱতত" তাৰ উল্লেখ আছে—

তবে নিত্যানন্দ গৈলা বৌদ্ধের ভবন।
দেখিলেন প্ৰভু বসি আছে বৌদ্ধ গণ॥
জিজ্ঞাসেন প্ৰভুকেহ উত্তৰ না কৰে।
ক্ৰুদ্ধ হই প্ৰভু লাথি মাৰিলেন শিৰে॥
( চৈতন্য ভাগৱত আদি খণ্ড )

নিত্যানন্দ প্ৰভু আৰু তাৰ শিষ্যসকলৰ দ্বাৰা বৌদ্ধসকল লাথি খাই ঠিক বিতাৰিত হৈছিল নে নাই ই সন্দেহৰ বিষয়। সেই হেতুকে বৌদ্ধ ধৰ্ম্মৰ প্ৰতি তেওঁলোকৰ কেনে মনোভাৱ আছিল ইয়াৰ দ্বাৰাই জানিব

পাৰি। বৌদ্ধ-ধৰ্ম্মৰ প্ৰতি এই অসহিষ্ণু মনোভাৱ কেৱল মাত্ৰ বৈষ্ণৱসকলৰ মাজতেই আছিল এনে নহয়; সমগ্ৰ ব্ৰাহ্মণ সমাজতো আছিল। ইয়াৰ প্ৰধান কাৰণ হৈছে—— বৌদ্ধ-ধৰ্ম্মই তেওঁলোকৰ কায়কৃত স্বাৰ্থবাদৰ মূলত কুঠাৰাঘাট কৰা ব্ৰাত্য ৰবীন্দ্ৰনাথে কোনো সাম্প্ৰদায়িক ধৰ্ম্ম গণ্ডীৰ মাজত আৱদ্ধ নাছিল। সেই কাৰণে তেওঁ বৌদ্ধ-ধৰ্ম্মক সংস্কাৰমূলক দৃষ্টিৰে চাব পাৰিছিল। বৌদ্ধ ধৰ্ম্মৰ মহান জীৱনাদৰ্শৰ প্ৰতি ৰবীন্দ্ৰনাথৰ যি গভীৰ অনুৰাগ, তাৰ প্ৰমাণ তেওঁৰ কাব্য, গান, নাটক, প্ৰবন্ধ আৰু ৰচনাত নানা ভাৱে ব্যক্ত হৈছিল। টম্‌সনৰ কথাত কবলৈ গলে— "He ( Rabindra Nath ) is almost more Buddhist than he is in sympathy with many form of Hinduism that are most popular in his native Bengal." এই কথা অত্যুক্তি নহয়।

বৌদ্ধ সংস্কৃতিৰ প্ৰতি আকৰ্ষণৰ পৰিচয় ৰবীন্দ্ৰনাথৰ সাহিত্যৰ বাহিৰে নানা কাৰ্য্য-কলাপৰ মাজতো নিহিত আছে। তেওঁ বৌদ্ধ-শাস্ত্ৰ আলোচনাত প্ৰয়োজনীয়তা উপলব্ধি কৰি সাৰ্থক ৰূপায়ণত ব্ৰতী হৈছিল আৰু বৌদ্ধ-ধৰ্ম্মৰ সম্বন্ধে উচ্চতৰ শিক্ষাৰ বাবে তেওঁ নিজেই অধ্যাপক নিতাই বিনোদ গোস্বামীক সিংহললৈ পঠিয়াইছিল। তাৰ দ্বাৰা বিশ্ব-ভাৰতীত ৰবীন্দ্ৰনাথে বৌদ্ধশাস্ত্ৰ চৰ্চ্চাৰ যি কেন্দ্ৰ গঢ়ি তুলিছিল আজিও আমাৰ দেশত বৌদ্ধ সংস্কৃতি আলোচনাৰ অন্যতম প্ৰধান কেন্দ্ৰ হৈ আছে। এতিয়াও সেই বিশ্ব-ভাৰতীত সিংহল, শ্যাম, বৰ্ম্মা, জাপান, চীন প্ৰভৃতি দেশৰ বৌদ্ধ শিক্ষাৰ্থীসকলৰ প্ৰচুৰ সমাগম হোৱা দেখা যায়।

হিংসাত উন্মত্ত পৃথিবীৰ বুকুত মহাপ্ৰাণ বুদ্ধদেৱৰ পূৰ্ণ আবিৰ্ভাৱৰ বাবে কৰিৰ ব্যাকুল আহ্বান কিমান মৰ্ম্মস্পৰ্শী! বুদ্ধৰ প্ৰেম আৰু ধৰ্ম্মৰ বাণীক পুনৰ প্ৰৱৰ্ত্তিত কৰাৰ প্ৰতি কৰিৰ কি গভীৰ অনুৰাগ, কি বিৰাট আকূতি!

"চিত্ত হেথা মৃতপ্ৰায়, অমিতাভ, তুমি অমিতায়ু,
আয়ু করো দান
তোমার বোধন মন্ত্রে হেথাকার তন্দ্রালস বায়ু
হোক প্রাণবান।
খুলে যাক রুদ্ধদ্বার, চৌদিকে ঘোষুক শঙ্খধ্বনি
ভারত-অঙ্গনতলে আজি তব নব আগমনি,
অমেয় প্রেমের বার্ত্তা শত কণ্ঠে উঠক নিঃস্বনি—
এনে দিক অজেয় আহ্বান।"
( পরিশেষ—বুদ্ধদেবের প্রতি )

১৮৫৮ শকত ( ১৯৩৬ চন ) ৪ জেঠৰ দিনা কলিকতা মহাবোধি চোচাইটিত বুদ্ধ জয়ন্তী উৎসৱত সভাপতিৰ ভাষণত তেওঁ প্ৰথমেই আৰম্ভ কৰিছিল— "আমি যাকে অন্তরের মধ্যে সর্ব্বশ্রেষ্ঠ মানব বলে উপলব্ধি করি আজ এই বৈশাখী পূর্ণিমায় তার জন্মোৎসবে আমার প্রণাম নিবেদন করতে এসেছি। এ কোনো বিশেষ অনুষ্ঠানের উপকরণগত অলঙ্কার নয়, একান্তে নিভৃতে যা তাঁকে বারবার সমর্থন করেছি, সেই অর্ঘ্যই আজ এখানে উৎসর্গ করি।" তাৰ বাহিৰে বুদ্ধৰ স্মৃতি বিজড়িত বুদ্ধগয়া' সাৰনাথ, লুম্বিনী প্ৰভৃতি স্থানৰ প্ৰতিও ৰবীন্দ্ৰনাথে শ্ৰদ্ধা পোষণ কৰিছে। "আমি একজন বুদ্ধের

ভক্ত। বুদ্ধের অস্তিত্বের বিষয়ে আমার কোনো সন্দেহ নাই। কিন্তু আমি যখন সেই তীর্থে নাই, সেখানে বুদ্ধের দণ্ড রক্ষিত আছে, তখন আমি বুদ্ধকে কতখানি প্রাপ্ত হই।" (সমালোচনা ১৮৮৮)

চীন, জাপান, শ্যাম, বৰ্ম্মা আৰু জাভা দ্বীপত ভাৰতীয় সংস্কৃতির মূৰ্ত্ত বিগ্ৰহ বুদ্ধৰ প্ৰতি তেওঁৰ যি শ্ৰদ্ধাঞ্জলী, সি অক্ষয় হৈ আছে তেওঁৰ লেখনীৰ মাজত। যবদ্বীপত বোৰোবুদুৰ বৌদ্ধ মন্দিৰ দৰ্শন উপলক্ষত কবিৰ কণ্ঠত ধ্বনিত হৈছিল—

"সর্ববগ্রাসী ক্ষুধানল উঠেছে জাগিয়া,
তাই আসিয়াছে দিন,
পীড়িত মানুষ মুক্তিহীন
আবার তাহারে,
আসিতে হবে যে তীর্থদ্বারে
শুনিবারে
পাষাণের মৌনতটে যে বাণী রয়েছে চিরস্থির
কোলাহল ভেদ করি শত শতাব্দীর
আকাশে উঠেছে অবিরাম
অমেয় প্রেমের মন্ত্র "বুদ্ধের শরণ লইলাম।"
(বোরোবুদুর, ২৩ চেপ্তেম্বর ১৯২৭)

শ্যাম দেশলৈ গৈ বৌদ্ধ সংস্কৃতিৰ জীৱন্ত ৰূপ দেখি অন্যৰ মাজত যি ভাৰতবৰ্ষৰ সভ্যতাৰ প্ৰভাৱ দেখিবলৈ পাইছে, তাত কবি ভাৰতবৰ্ষৰ মহিমাৰ ব্যাপকতৰ ক্ষেত্ৰ-হিচাবে উপলব্ধি কৰিছিল। সেইবাবে তেওঁ কৈছিল— "......... ভাৰতবর্ষের সত্যের ঐশ্বর্য্যকে জানতে হলে সমুদ্র পারে ভারত-বর্ষের সুদূর দানের ক্ষেত্রে যেতে হয়। আজ ভারতবর্ষের ভিতরে বসে ধূলি কলুষিত হাওয়ার ভিতর দিয়ে ভারতবর্ষের নিত্যকালের রূপ দেখতে পাব ভারতবর্ষের বাইরে থেকে!" (কালান্তর বৃহত্তর ভারত)

বৌদ্ধ ধৰ্ম্মৰ অহিংসা, কৰুণা আৰু ত্যাগৰ বাণীত ৰবীন্দ্ৰনাথৰ সাহিত্য মুখৰিত হৈছিল। দূৰ-সুদূৰ আৰু আগত-অনাগত সকলোৰে বাবে বুদ্ধৰ অমিয়া প্ৰেমৰ বাণী ধ্বনিত হৈছিল--"সবেব সত্তা ভৱন্তু সুখীতত্তা"। (সকলো প্ৰাণীয়েই সুখী হওঁক) এই কল্যাণ বাণী কিমান ব্যাপক, এই প্ৰেম কিমান গভীৰ।

"মাতা যথা নিয়ং পুত্তং
আয়ুসা একপুত্তমনুৰক্খে
এৱম্পি সৰ্ববভূতেসু
মানসং ভাৱয়ে অপৰিমানং॥"

"মাকে যিদৰে একমাত্ৰ পুত্ৰক নিজৰ প্ৰাণ দিয়ো ৰক্ষা কৰে, ঠিক তেনেকৈ সকলো প্ৰাণীৰ প্ৰতি অপৰিমেয় দয়াভাৱ পোষণ কৰিবা।" ৰবীন্দ্ৰনাথৰ সাহিত্যতো এই অহিংসা আৰু কৰুণাৰ বাণী দেখা যায়। এই হিংসাত উন্মত্ত পৃথিবীৰ বুকুত মহা-কাৰুণিক ভগবান বুদ্ধৰ পূৰ্ণ আৱিৰ্ভাৱৰ কাৰণে কবিৰ ব্যাকুল প্ৰাৰ্থনা দেখা যায়। আনকি পশুহত্যা পৰ্য্যন্ত ৰবীন্দ্ৰনাথক কত পীড়িত কৰিছে "ৰাজৰ্ষি" আৰু "বিসৰ্জ্জন"ত তাৰ পৰিচয় পোৱা যায়। আজি শান্তি-নিকেতনৰ দৰে আশ্ৰমত প্ৰাণী হত্যা নিষিদ্ধ।

ৰবীন্দ্ৰনাথৰ "কথা" কাব্যগ্ৰন্থৰ ঐতি-হাসিক চিত্ৰবোৰ ত্যাগৰেই চিত্ৰ। ইয়াৰ অন্তৰ্গত শ্ৰেষ্ঠ ভিক্ষা, মস্তক বিক্ৰয়, নগৰ লক্ষী, মূল্যপ্ৰাপ্তি, পূজাৰিণী প্ৰভৃতি কবিতাত

বুদ্ধদেৱৰ দ্বাৰা অনুপ্ৰাণিত যি ত্যাগৰ মহিমা বৰ্ণনা কৰা হৈছে, পৃথিবীৰ ইতিহাসত ইয়াৰ দৃষ্টান্ত বিৰল। শ্ৰীঅজিত কুমাৰ চক্ৰবৰ্ত্তীৰ 'ৰবীন্দ্ৰনাথ'' গ্ৰন্থত কৈছে — ''ত্যাগের আবেগে নারী আপনার লজ্জা ভুলিয়া একমাত্র পরিধেয় বসন প্রভু বুদ্ধের নামে উৎসর্গ করি দিয়াছে, আপনার ভোগের উৎকৃষ্ট অংশ হইতে কিছু দেওয়াকে ত্যাগ মনে করে নাই, যে ত্যাগ নৃপতিকে ভিক্ষারীর বেশ পরিধান করাইয়া দীনতম সন্নাসী সাজাইয়াছে, পূজারিণী রাজদণ্ডের ভয়কে তুচ্ছ করিয়া পূজার জন্য প্রাণ বিসর্জন করিয়াছে ... ... ... ... সেইসকল ত্যাগের কাহিনীই ভারতবর্ষের প্রাচীন ইতিহাসের ভিতর হইতে রবীন্দ্রনাথ জগাইয়া তুলিলেন''। তাৰ বাহিৰেও বৌদ্ধ কাহিনীৰ প্ৰতি তেওঁৰ মন স্বাভাৱিক আৰু অসাধাৰণ ভাৱ প্ৰৱনতাত তেওঁ নিজেই স্পষ্টকৈ কৈছিল—''অনেক ঘটনা আছে যা জানার অপেক্ষা করে, সেই জানাটা আকস্মিক। একসময়ে আমি যখন বৌদ্ধ কাহিনী এবং ঐতিহাসিক কাহিনীগুলি জানলুম তখন তারা স্পষ্ট ছবি গ্রহণ করে আমার মধ্যে সৃষ্টির প্রেরণা নিয়ে এসেছিল। ............ কিন্তু এই কথা ও কাহিনীর রূপ ও রস একমাত্র রবীন্দ্রনাথের মনে আনন্দের আন্দোলন তুলেছিল, ইতিহাস তার কারণ নয়। রবীন্দ্রনাথের অন্তরাত্মাই তার কারণ। ........সন্নাসী উপগুপ্ত বৌদ্ধ ইতিহাসের সমস্ত আয়োজনের মধ্যে একমাত্র রবীন্দ্রনাথের কাছে এ কী মহিমায়, এ কী করুণায়, প্রকাশ পেয়েছিল''। ( সাহিত্যের স্বরূপ সাহিত্যে ঐতিহাসিকতা )।

বৌদ্ধ-ধৰ্ম্মৰ ত্যাগৰ মাজেদিয়েই প্ৰতিষ্ঠা হৈছিল বিশ্বমৈত্ৰী। নিদৰ্শন হিচাবে দেখা যায়, অশোক ৰজাৰ পুত্ৰ মহেন্দ্ৰ আৰু কন্যা সংঘমিত্ৰাই ৰাজ্যসুখ ত্যাগ কৰি সন্নাসী বেশেৰে সিংহলক কৰিলে দীক্ষা আৰু দুৰ্গম পৰ্ব্বত পাহাৰ অতিক্ৰম কৰি বঙ্গদেশৰ পৰা দীপঙ্কৰে তিব্বতত ত্যাগ মৈত্ৰীৰ আলোকবৰ্ত্তি জ্বলাইছিল। ৰবীন্দ্ৰনাথে বিশ্বমানৱৰ কল্যাণ বাৰ্ত্তা বহন কৰি বহুবাৰ পৃথিবীৰ চৌদিশে ভ্ৰমণ কৰিছিল। তেওঁৰ জীৱন সাধনাৰ মূল লক্ষ্যও আছিল বিশ্বমৈত্ৰী জীৱনব্ৰতৰ মূল বস্তু। এই ভাৱসাযুজ্যও বুদ্ধৰ প্ৰতি ৰবীন্দ্ৰনাথৰ শ্ৰদ্ধা আৰু অনুৰাগৰ অন্যতম প্ৰধান হেতু।

ৰবীন্দ্ৰনাথ আজীৱন সংহতি শক্তিৰ উপাসক। তেওঁ ভাৰতবৰ্ষৰ সংহতি শক্তিৰ সৰ্ব্বোত্তম বিকাশ দেখিবলৈ পাইছিল বৌদ্ধ-সংঘৰ কাৰ্য্য কলাপত। এই বৌদ্ধসংঘ শক্তিৰ বিজয় অভিযানৰ তুলনা পৃথিবীৰ কোনো ইতিহাসত নাই। এই ধৰ্ম্ম বিজয় অভিযানত কোনো যুদ্ধ বা হত্যাকাণ্ড হোৱা নাছিল। আনকি সেই তথাকথিত ধৰ্ম্মযুদ্ধত অমানুষিক নিৰ্ম্মমতাও নাছিল। তাৰ বাহিৰেও ৰবীন্দ্ৰনাথে বিশেষ ভাবে জানিছিল যে বৌদ্ধ-ধৰ্ম্ম কেৱলমাত্ৰ পাৰমাৰ্থিক ভাৱবিলাসৰ বিষয় নহয়। এই ধৰ্ম্ম দুৰ্ব্বলৰ নহয়, বীৰ্য্যৰ ওপৰতেই প্ৰতিস্থিত। তেওঁ কৈছিল— "ভারতবর্ষে বৌদ্ধ-ধর্ম্মের অভ্যুদয় কালে এবং

তৎপরবর্ত্তী যুগে সেই বৌদ্ধ সভ্যতার প্রভাবে এদেশে শিল্প, বিজ্ঞান, বাণিজ্য এবং সাম্রাজ্য শক্তির যেমন বিস্তার হইয়াছিল, এমন আর কোন কালে হয় নাই"। ( পথের সঞ্চয় যাত্রার পূর্বপত্র )। এই হেতুকে এই মহাশক্তি পৰম উৎস ভগবান বুদ্ধৰ প্ৰতি ৰবীন্দ্ৰনাথৰ আন্তৰিক শ্ৰদ্ধা থাকিব ই খুব স্বাভাবিক।

জাতিভেদ আৰু অস্পৃশ্যতাৰ অভিশাপৰ পৰা বৌদ্ধ-ধৰ্ম্মই মানুহৰ মুক্তি ঘোষণা কৰিছিল। বুদ্ধই কৈছিল,—

"ন জটাহি, ন গোত্তেহি. ন জচ্চা হোতি ব্ৰাহ্মণো, যম্‌হি সচ্চঞ্চ ধৰ্ম্মোচ সো স্থচী সো ব্ৰাহ্মণো"। অৰ্থাৎ জটা, গোত্ৰ বা জন্মৰ দ্বাৰা কোনো ব্ৰাহ্মণ হব নোৱাৰে, যাৰ গাত সত্য আৰু ধৰ্ম্মই বিদ্যমান তেওঁয়েই পবিত্ৰ, তেওঁয়েই শ্ৰেষ্ঠ. আৰু তেওঁয়েই ব্ৰাহ্মণ। (ধৰ্ম্মপদ—১৩৯৩)। গতিকে মানুহৰ শ্ৰেষ্ঠত্ব জন্মগত নহয়, কৰ্ম্মৰ দ্বাৰাহে। কিন্তু মানুহৰ মাজত এই ভেদাভেদবোৰ দেখি ৰবীন্দ্ৰনাথে বাৰম্বাৰ প্ৰতিবাদ কৰি কৈছিল —"এই যে দূরত্বের ভেদ এরা নিজেদের চারিদিকে মজবুত করে গেঁথে রেখেছে এতে করে সকল মানুষের সঙ্গে সত্য যোগে মনুষ্যত্বের যে প্রসার হয় তা এদের মধ্যে বাধাগ্রস্থ হয়েছে। ধৰ্ম্মগত ভেদবুদ্ধি সত্যের অসীম স্বরূপ থেকে এদের বিচ্ছিন্ন করে রেখেছে। এইজন্যেই মানুষের সঙ্গে ব্যবহারে নিত্যসত্যর চেয়ে বাহ্যবিধান, কৃত্রিম প্রথা, এদের মধ্যে এত প্রবল হয়ে উঠেছে"। ( কালান্তর-সমস্যা )। এই যে সঙ্কীৰ্ণ ভেদৰ প্ৰাচীৰ অৱস্থাত যি ধৰ্ম্মই মনুষ্যত্বৰ পূৰ্ণমৰ্য্যদা দিছে, তাক ৰবীন্দ্ৰনাথে আন্তৰিক শ্ৰদ্ধা জনাইছে নানা ৰচনাৰ মাজেদি।

মালিনী, নটীৰ পূজা আৰু চণ্ডালিকা নাটকত ৰবীন্দ্ৰনাথে বৌদ্ধ-ধৰ্ম্মৰ কালজয়ী মহিমা ঘোষণা কৰিছে। এই তিনিখন নাটকতেই ৰবীন্দ্ৰনাথৰ বৌদ্ধ সংস্কৃতিৰ প্ৰতি সুগভীৰ অনুৰাগ প্ৰকাশ পাইছে। "মালিনী" নাটকৰ আখ্যানটি বৌদ্ধ-ধৰ্ম্মৰ বিশ্বজনীনতাৰ উজ্জ্বল চিত্ৰ। এই নাটকত শেষ পৰ্য্যন্ত মালিনীৰ চৰিত্ৰৰ মাজেদিয়েই বৌদ্ধ-ধৰ্ম্মৰ ক্ষমা আদৰ্শই জয় লাভ কৰিছে। "চণ্ডালিকা"ত ৰবীন্দ্ৰনাথৰ বিদ্ৰোহী সত্বাই যেন জাগি উঠিছে—, তাৰ বাবে তেওঁ মুক্ত কণ্ঠে কৈছিল— "ব্রাহ্মণের ঘরে কত চণ্ডাল দেশে দেশে, আমি নাই চণ্ডাল।" বুদ্ধ শিষ্য আনন্দ আবিৰ্ভাৱত প্ৰকৃতিৰ বুকু ভৰি উঠিল পুলক আৰু বিস্ময়েৰে। "তিান আচমকা এসে আমাকে জানিয়ে দিয়ে গেলেন, আমার সেবাও চলবে বিধাতার সংসারে, এত বড় আশ্চর্য্য কথা।" এইখিনিতেই তেওঁ নিজকেই বিচাৰি পালে, উপলব্ধি কৰিলে মানৱাত্মাৰ মৰ্যাদা। "নটীৰ পূজা"ত ৰত্নাৱলী ৰসিকতাৰ উত্তৰত ৰাজমহিষী লোকেশ্বৰীয়ে বিদ্ৰুপ কৰি কোৱা শুনা যায়,—"এই নটীর শিষ্যা! শেষকালে তাই ঘটাবে, এই ধৰ্ম্মই এসেছে। পতিতা আসবে পরিত্রানের উপদেশ নিয়ে।" নিশ্চয় এইটো ঘটিছিল। সেই পতিত পাৱন বুদ্ধৰ কল্যাণ স্পৰ্শত কত

মুক্তি নোপোৱা পতিতাই মুক্তিৰ আলোক দান পাইছে। মানৱীয় অধিকাৰৰ পৰা উপেক্ষিত মানুহক বৌদ্ধ-ধৰ্ম্মই যথোচিত মৰ্য্যদা দি আহিছে। এই মানৱতাৰ পূজাৰি ৰবীন্দ্ৰ-নাথকো কম প্ৰভান্বিত কৰা নাই।

আঢ়ৈ হেজাৰ বছৰৰ আগেয়ে যিজনা মহাপুৰুষৰ কল্যাণময় অমৃত বাণী এতিয়াও প্ৰচাৰিত হৈ আছে; আজি ক্লান্ত আৰু সঙ্কটময় পৃথিবীৰ বুকুত থিয় হৈ কৱি গুৰুৰ লগত সুৰ মিলাই প্ৰাৰ্থনা জনাওঁ—

নূতন তব জন্ম লাগি কাতর যত প্ৰাণী,
করত্ৰান মহাপ্ৰাণ, আন অমৃত বাণী,
বিকশিত কর প্ৰেম পদ্ম চিরমধুনিষ্যন্দ!
শান্ত হে মুক্ত হে, হে অনন্ত পূণ্য
করুণা-ঘন ধরণীতল কর কলঙ্ক শূন্য।"

—সব্বে সত্তা সুখীতা হোন্তু—

---

প্ৰবন্ধটি সহায় লৈ লিখা

—লিখক

---

নেতা সাজিব নোৱাৰি। নেতা জন্মে। নেতৃত্ব কৰা টান কাম— দাসস্য দাস ঃ—দাসৰো দাস হোৱা আৰু শ শ মানুহৰ মন যোগোৱা। ঈৰ্ষা আৰু স্বাৰ্থপৰতা সমূলি থাকিব নেলাগিব, তথাপি নেতা প্ৰথমে জন্মৰ পৰা, দ্বিতীয়তে নিঃস্বাৰ্থ হোৱা, তেহে নেতা হবৰ যোগ্য হবা।"

যি আনক স্বাধীনতা দিব নোখোজে, সি নিজে স্বাধীনতা পাবৰ কেনেকৈ যোগ্য হয়।

---স্বামী বিবেকানন্দ।

# ড্ৰঃ অম্বিকাশৰ পথত:
# চুটি গল্প

শ্ৰীবীৰেন চুতীয়া
দ্বিতীয় বাৰ্ষিক কলা ( টি-ডি-চি )

চুটি গল্পৰ জন্মৰ আগতে মানুহৰ মাজত প্ৰচলিত আছিল উপকথা, আখ্যান, ৰূপকথা বা সাধুকথা আৰু কিংবদন্তীৰ। মধ্যযুগত জন্ম হয় ৰোমাঞ্চৰ। এইদৰে বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত এই ৰূপকথাবিলাকেই ৰূপ সলাই চুটি গল্পলৈ ৰূপান্তৰিত হৈছে। কিন্তু মানুহৰ বাস্তৱ জীৱনটোৰ প্ৰতি এইবিলাক আছিল সম্পূৰ্ণ মুক্ত। এনে গল্পত সাধাৰণতে অলৌকিকতাৰ প্ৰভাৱেই বেচি পৰিমাণে পোৱা যায়।

দক্ষিণ আমেৰিকা, দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াত বৰ্ত্তমান প্ৰচলিত কিছুমান গল্পৰ পৰা বুজিব পাৰি যে সেইবিলাক অতি প্ৰাচীন। নৃবিজ্ঞানবিদ সকলৰ মতে এইবিলাক গল্প প্ৰস্ত্ৰ-তত্ত্বৰ যুগৰ পৰাই মানুহৰ মাজত প্ৰচলিত হৈ আহিছে। প্ৰাচীন কালত সাধাৰণতে এই গল্পবিলাক গাৱঁৰ মুখীয়াল সকলেই কব পাৰিছিল। প্ৰকৃতি নাইবা বনৰীয়া জন্তু আদিৰ পৰা হাত সাৰিবৰ কাৰণেই এই গল্প বিলাকৰ অৱতাৰণা কৰিছিল।

সভ্যতাৰ আদি স্তৰত মানুহ আছিল প্ৰকৃতিৰ ওচৰত অসহায়, জ্ঞানৰ পৰিধি আছিল নিচেই ঠেক। সেতিয়া কোনো বনৰীয়া জন্তু নাইবা ব্ৰজপাত, বিদ্যুত প্ৰভৃতিয়ে মানুহক আক্ৰমণ কৰিছিল, আদি ভৌতিক, ক্ষমতাসম্পন্ন গাৱঁৰ মুখীয়ালসকলে ভয়াতুৰ মানুহক তাৰ পৰামৰ্শ দিছিল কেনেকৈ ইয়াৰ পৰা হাত সাৰিব পাৰি। ইয়াতে জন্ম হৈছিল উপকথা বা Fable ৰ। এই উপকথাবিলাকত জন্তুৰ প্ৰধান্যই বেচি। উপকথাবিলাকত মানুহ আৰু জন্তুৰ ভিতৰত অভিন্ন সম্পৰ্ক দেখা যায়। উপকথাবিলাকৰ ভিতৰত পঞ্চতন্ত্ৰ হিতোপদেশ কথা, সৰিৎ-সাগৰ, বৌদ্ধজাতকৰ গল্প, ঈশ্বৰণ্বৰ সাধু আদি গল্পৰ পুথিবিলাক ধৰিব পাৰি।

উপকথাৰ লগতে জন্ম হয় ৰূপকথাৰ। এই ৰূপকথাবিলাক কোনে কেতিয়া ৰচনা কৰিছিল তাক নিৰ্ণয় কৰা কঠিন। এই ৰূপকথাবিলাকত কল্পনা বিন্যাস ঘটনা বা চৰিত্ৰৰ ৰূপ দেখা পোৱা নেযায়। ইয়াত সাধাৰণতে সোণ আৰু ৰূপ কাঠিৰ মহত্ব দেখুৱা হয়। কোনো এজন ৰজাৰ ৰাণী, ৰাজ-কুমাৰ, ৰাজ-কন্যা এজন দুখীয়ালোক আৰু তাত পোৱা হয় এজন দৈত্য। এই

দৈত্যই কাহিনীৰ মূল চৰিত্ৰ। নানা সংঘাতৰ পিচত ৰাজ-কুমাৰে দৈত্যক বধ কৰি ৰাজ-কন্যাক বিয়া কৰাব লাগে। ঘটনাৰ পৰিণতি সদায় মিলনান্তক। এই ৰূপকথা-বিলাক বিভিন্ন সময়ত বিভিন্ন লোকে সংগ্ৰহ কৰি আহিছে। ডেনমাৰ্কত এণ্ডাৰচন, ইটালিত বেচিল, জাৰ্ম্মেনিত গ্ৰিন্স ভাতৃদ্বয়, ফ্ৰান্সত পেৰুল, ক্ৰোকাৰ আদিয়ে এই ৰূপকথাবিলাক সংকলন কৰে। চুটি গল্পৰ জন্মৰ ইতিহাসত এই ৰূপকথাবিলাকৰো অৱদান আছে।

পাচ হেজাৰ বছৰৰ আগতে মিছৰতেই লিখিত গল্পৰ জন্ম হয়। মুখ্যত এই গল্পবিলাক নীতিমূলক আছিল। সেই যুগত নাৰীতকৈ পুৰুষৰ স্থান আগশাৰীত আছিল। সামাজিক আৰু পাৰিবাৰিক জীৱন যাত্ৰাৰ মানদণ্ড ৰক্ষাৰ কাৰণে পুৰুষ প্ৰধান সমাজৰ শাসন প্ৰয়াস এই গল্পবিলাকত ধৰা পৰে। বিশ্বাস-ঘাতিনী নাৰীৰ শাস্তি দান আৰু নাৰী চৰিত্ৰৰ স্বৰূপ উদঘাটন আদি প্ৰাচীন কালৰ গল্পবিলাকৰ প্ৰধান উদ্দেশ্য আছিল। ইয়াৰ ফলতেই আমি সামাজিক জীৱনৰ বহু বিচিত্ৰ ৰূপ, নাৰী ছলনাৰ বিবৰণ, ৰোমান্স, ধৰ্ম্ম-শিক্ষা আৰু নীতি-শিক্ষাৰ আভাস পাওঁ। পঞ্চতন্ত্ৰ কথা, চৰিতসাগৰ, আৰব্য উপন্যাস, চচাৰ "কাণ্টাৰবেৰি টেলচ্" আদি সকলোতে এই সমাজ শাসনৰ উদাহৰণ আছে।

প্ৰথমে গল্পই কোন দেশত জন্ম লাভ কৰে এই বিষয়ে সঠিককৈ কোৱা টান। ভাৰত-বৰ্ষই গল্পৰ আদি জন্মভূমি বুলি অনুমান কৰিব পাৰি। সংস্কৃত সাহিত্যৰ হিতোপদেশ খৃঃ পূঃ ২০০, ঈশপৰ সাধু ৪০০ খৃঃ পূঃ, বৌদ্ধজাতক খৃঃ পূঃ ৫০০ৰ পৰা ৩৫০ৰ ভিতৰত ৰচিত। পঞ্চতন্ত্ৰ কথা, চৰিতসাগৰ আদি প্ৰায় বিলাক গল্পই ভাৰতবৰ্ষত ৰচিত হৈছিল। বিষ্ণু শৰ্ম্মাৰ পঞ্চতন্ত্ৰ গোটেই বিশ্বব্যাপী প্ৰসাৰিত হৈছিল। পণ্ডিত সকলে কয়,—আৰবৰ আৰব্য উপন্যাসৰ ৰচক বিদ্যাপতি ব্ৰাহ্মণ আচলতে বিষ্ণু শৰ্ম্মাই আছিল। পহ্লভী ভাষাত সৰ্ব্বপ্ৰথম পঞ্চ-তন্ত্ৰৰ গল্পসমূহ পাৰস্যত অনুদিত হয়। ইয়াৰ পৰাই গ্ৰীচ্ দেশলৈ প্ৰসাৰিত হয়। খৃষ্টীয় সপ্তম শতিকাত চীন দেশত পঞ্চতন্ত্ৰৰ গল্পই ভুমুকি মাৰে। মধ্যযুগত এনেদৰেই ভাৰতৰ গল্পই আৰবৰ পৰা গ্ৰীচ্ দেশ পৰ্য্যন্ত পাইছিলগৈ। সেই কালৰ পৰা আলোচনা কৰিবলৈ গলে গল্পৰ জন্ম স্থান ভাৰতবৰ্ষই।

গল্পত ধৰ্ম্মৰ প্ৰভাৱ পৰে বাইবেল, ওল্ড টেষ্টামেণ্ট, নিউ টেষ্টামেণ্ট, জোশ আৰু ৰোথৰ গল্পবিলাকত। ভাৰতৰ পুৰাণ, উপনিষদ আদিত ইয়াৰ প্ৰভাৱ দেখা যায়।

ক্ৰমবৰ্দ্ধমান যুগৰ লগত মানুহৰ ভাৱ-ধাৰাও বেলেগ হৈ আহিছে। উপকথা বা ৰূপকথাৰ পৰা মানুহ ৰোমান্সলৈ আহিল। মধ্যযুগত ইউৰোপত এই ৰোমান্সৰ জন্ম হয়। এই ৰোমান্সবিলাক ৰচনা কৰা হৈছিল দ্বাদশ শতিকাৰ পৰা পঞ্চদশ শতিকাৰ ভিতৰত। গ্ৰীচ্, ফ্ৰান্স আৰু বৃটেইনৰ ৰাজ-পৰিয়ালৰ প্ৰণয় কাহিনীয়েই ৰোমান্সৰ উপজীব্য। ৰাজ-পৰিবেশৰ প্ৰণয় লীলা, ৰাজ-শক্তিৰ

শৌৰ্য্য-বীৰ্য্যৰ পৰিচয় আদিয়ে ইয়াৰ প্ৰধান সমল।

ইয়াৰ পাচত সূচনা হল ৰেনেচাঁচ যুগৰ। মানুহ কল্পনাৰ ৰাজ্যৰ পৰা বাস্তৱ পৃথিৱীলৈ নামি আহিল। বিজ্ঞানৰ নতুন আবিষ্কাৰে, সমাজৰ নতুন চিন্তাধাৰাই মানুহক উৰ্দ্ধমুখী কৰি তুলিলে। বিজ্ঞানৰ আবিষ্কাৰে বহিঃ প্ৰকৃতিক জয় কৰাত, বুদ্ধিৰ চৰ্চ্চাত আৰু ব্যক্তিৰ বিকাশ সাধনত সহায় কৰিলে। অন্তঃসাৰশূন্য ৰোমান্সৰ মূল্য বোধত মানুহে গুৰুত্ব নিদিয়া হল আৰু ইয়াক আঘাট হানিবৰ কাৰণেই ৰচনা হল ব্যঙ্গ ৰচনাৰ। চেৰভান্তেচৰ "ডনকিকচট" ইয়াৰ সুন্দৰ প্ৰমাণ্য উদাহৰণ। চচাৰ আৰু বোক্কাচিয়ৰ ৰচনাত বাস্তৱ পৃথিৱীখন ডাঙি ধৰিবৰ কাৰণে যত্ন কৰিলে। "কান্টৰ বেৰিটেলচ" আৰু "ডেকামেৰণ" গ্ৰন্থ দুখনত মানুহৰ কথাই প্ৰকাশ পাইছে। ফ্লোৰেন্সৰ গ্ৰন্থতো তাৰেই আভাস পোৱা যায়।

মানুহৰ চিন্তা-চৰ্চ্চাৰ পৰিধি বহল হলেও, ৰূপকথাই ক্ৰমোন্নতি লাভ কৰিলেও চুটি গল্পৰ জন্ম তেতিয়াও হোৱা নাই। কথা-সাহিত্য অৰ্থাৎ উপন্যাস আৰু চুটি গল্পই পূৰ্ণতা লাভ কৰে আধুনিক যুগতহে। ইউৰোপৰ শিল্প-বিপ্লৱৰ পিচত কথা-সাহিতই, এটা নতুন ৰূপ লয়। উপন্যাস জন্ম হয় অষ্টাদশ শতিকাত। জোচেফ এডিচন (খৃঃ ১৬৭২-১৭২৯), ৰিচাৰ্ড ষ্টিল (১৬৭২-১৭২৯) আৰু জন বানিয়ান (খৃঃ ১৬২৮-১৬৮৮) আদিৰ ৰচনাৱলীত উপন্যাসৰ সমল পোৱা যায়। উপন্যাসৰ জন্ম এইখিনি সময়তে হলেও চুটি গল্পৰ জন্ম তাৰো পিচত। উনবিংশ শতিকাৰ শেষ ভাগত চুটি গল্পই এটি নতুন ৰূপলৈ সাহিত্যত ভুমুকি মাৰে। যোৱা শতাব্দীৰ ক্ৰমবৰ্দ্ধমান জীৱন ধাৰাত চুটি গল্পই বিশেষ উন্নতি লাভ কৰে। উত্তৰ আমেৰিকাৰ আৰভিঙৰ "Rip-Vanwincle" আৰু নেটান হথনৰ ৰচনাই চুটি গল্পৰ জন্মৰ ডায়েৰি মেলে। কিন্তু চুটি গল্পক পূৰ্ণাঙ্গৰূপে ৰূপ দিয়ে আমেৰিকাৰ এলান পো, ফ্ৰান্সৰ মোপাচা আৰু ৰাছিয়াৰ "নিকোলাই গগলে।" Edger Allen Doc এ চুটি গল্পৰ ৰচনা কৌশল বৈজ্ঞানিক প্ৰণালীৰে আলোচনা কৰি দেখুৱালে। মানৱ চৰিত্ৰক সুস্পষ্টকৈ ফুটাই তুলিবৰ কাৰণে যত্ন কৰিলে "তুৰ্গেনিভ আইভানে।" মানুহৰ মনস্তাত্বিক বিশ্লেষণ কৰি দেখুৱালে চেখভৰ গল্পত। কম শব্দৰ আলমলৈ পৰিবেশ আৰু পৰিস্থিতিৰ ওপৰত গল্প ৰচনা কৰিবলৈ ললে "মোপাচাই।"

বাস্তৱিকতে চুটি গল্প আধুনিক সাহিত্যৰ এটি নতুন ৰূপ। পূৰ্ব্বৰ উপখ্যান, ৰূপকথা (Narrative parebble, fable Episode, Tale Anceedole) আদি আধুনিক চুটি গল্প নাইবা উপন্যাসৰ পৰা সম্পূৰ্ণ পৃথক। তেনে আখ্যান বা উপকথাৰ লগত আজিৰ চুটি গল্পৰ কোনো সাদৃশ্য নাই। সাদৃশ্য এই খিনিতেই, সভ্যতাৰ আদি যুগৰ পৰাই মানুহে গল্প শুনিছে আৰু আজি ক্ৰমবৰ্দ্ধমান আধুনিক যুগতো গল্পৰ সমাদৰ মানুহৰ মাজত একেদৰেই আছে। প্ৰাৰ্থক্য এই খিনিতেই পৌৰাণিক গল্পত আছিল লৌকিক কল্পনা প্ৰসুত এখন জগতৰ কথা আৰু আজিৰ গল্পত

আছে বাস্তৱ পৃথিৱীৰ মানুহৰ কথা। আজিৰ মানৱে গল্পত কেৱল ৰস আস্বাদনেই নিবিচাৰে, তাত বিচাৰে সংঘাটময় জীৱনৰ প্ৰতিচ্ছবি আৰু বিচাৰে জীৱনৰ জটিল প্ৰশ্নৰ সমাধান। চুটি গল্পত বিচৰা হয় জীৱনৰ কোনো এক মুহূৰ্ত্তৰ ৰূপায়ণ আৰু তীক্ষ্ণ জীৱন জিজ্ঞাসা। মুঠতে মানৱ জীৱনৰ ব্যাখ্যা আৰু সমালোচনাই আজি চুটি গল্পৰ উপজীব্য বুলি কব পাৰি। সেই কাৰণেই আজিৰ চুটি গল্প কোনো ঘটনাৰ বিৱৰণ নাইবা বৃতান্ত নহয়, নীতি শিক্ষাও নহয়, ৰূপক ৰচনাও নহয়, চুটি গল্প এক স্বতন্ত্ৰ সাহিত্য সৃষ্টি। ইয়াত থাকিব চৰিত্ৰ, মানসিক ঐক্য, সুসংবদ্ধ ঘটনাৰ পৰিণতি আৰু এটি সুতীক্ষ্ণ জীৱন জিজ্ঞাসা।

ভাৰতীয় চুটি গল্প পশ্চিমৰে দান। উনবিংশ আগভাগত চুটি গল্পই ভাৰতত ভুমুকি মাৰে। বঙালী সাহিত্যত ৰবীন্দ্ৰনাথে চুটি গল্পক এটি নতুন গঢ়ত সজাই তুলে। ১৮৯২ খৃষ্টাব্দত ৰবীন্দ্ৰনাথৰ 'সহানুভূতি' আৰু 'বেদনা' প্ৰকাশ পায়। চুটি গল্পৰ বঙালী সাহিত্যত এয়ে উদ্বোধনী। অসমীয়া সাহিসাহিত্যত, ৰসৰাজ বেজবৰুৱাই পোনপ্ৰথমে চুটি গল্পৰ জন্ম দিয়ে। বেজবৰুৱাই অসমীয়া সমাজত পূৰ্ব্ব প্ৰচলিত সাধুকথা, উপাখ্যান আদিৰ এটি নতুন ৰূপ দি পাশ্চাত্য প্ৰভাৱেৰে চুটি গল্পৰ জন্ম দিয়ে। বেজবৰুৱাৰ প্ৰথম গল্প সংগ্ৰহ "সুৰভি" ১৯০৯ চনত প্ৰকাশিত হয়। ইয়াৰ পাচত শৰৎ চন্দ্ৰ গোস্বামী, নকুল ভূঞা, লক্ষীধৰ ভূঞা, হলিৰাম ডেকা, মহি বৰা, ৰমা দাস আদি এচাম লিখকে বাঁহী, "জোনাকী" "উষা," "চেতনা" আদি আলোচনী কাকতত গল্প লিখিবলৈ লয়। বৰ্ত্তমান আন এচাম সুস্থ সবল গল্প লেখকে হাতত কলম লোৱা দেখা গৈছে। গল্প সাহিত্যত অসমীয়া সাহিত্যৰ এটি উজ্জ্বল ভৱিষ্যত আশা কৰিব পাৰি। আঢ়ৈ কুৰি বছৰীয়া অসমীয়া গল্পৰ চমু ইতিহাসত অসমীয়া চুটি গল্পই এখন বিশিষ্ট আসন অধিকাৰ কৰিছে। অসমীয়া চুটি গল্পৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে সমালোচকসকলে অসমীয়া গল্প সাহিত্যক তিনটা যুগত ভাগ কৰিছে। প্ৰথম যুগ, বেজবৰুৱাৰ দিনৰ পৰা আৱাহনৰ অৰ্থাৎ ১৯২৯ চনলৈ, দ্বিতীয় যুগ,—আৱাহনৰ দিনৰ পৰা দ্বিতীয় মহাসমৰলৈ আৰু তৃতীয় যুগ দ্বিতীয় মহাসমৰৰ পৰা বৰ্ত্তমানলৈকে।

চুটি গল্পৰ ৰচনা কৌশল কেনে হব লাগে তাক একেষাৰতে সম্যক ভাৱে কব পৰা সূত্ৰ আবিষ্কাৰ হোৱা নাই। এই বিষয়ত বিভিন্ন লোকৰ বিভিন্ন মত। মুঠ কথাত কবলৈ গলে চুটি গল্প যিমান ইঙ্গিত পূৰ্ণ আৰু যিমান ব্যঞ্জনধৰ্ম্মী হব পাৰে সিমানে উচ্চস্তৰৰ চুটি গল্পত পৰিণত হয়। চলমান জীৱনৰ যি কোনো এটি মুহূৰ্ত্তক লৈয়ে চুটি গল্প ৰচিত হব পাৰে। বিশাল পটভূমি, ব্যাপ্ত জীৱন চেতনাৰ উপস্থিতি অনাৱশ্যক, সুসংবদ্ধ ঘটনা ক্ৰমৰ পৰিণতি প্ৰয়োজন নাই। আকস্মিকতা চুটি গল্পৰ প্ৰাণ,—"A short story is, or should be, a simple thing, it is aims at producing one single vivid effect : it has to seize the

attention at the outset, and never relaxing, gather it togather more and more until the climax it reached. The limits of human capacity to attend closely therefore set a limit to it; it must explode and finish before interruption on ours or fatigue sets in."

---

দেশবাসীৰ হৃদয়ত স্বদেশ-প্ৰেম জগাব নোৱাৰিলে দেশে একতাৰ মোল নুবুজে। যেই কোনো দেশৰে একতা নাথাকিলে সেই দেশৰ মানুহে কোনো প্ৰকাৰে কোনো দিন উন্নতি সাধিব নোৱাৰে, ই বেদ-বাক্য। আত্ম-সন্মানৰ মূল্য নুবুজা জাতিক আন আন উন্নত জাতিয়ে কুকুৰৰ তুল্য জ্ঞান কৰে। এনে জাতি পৃথিবীৰপৰা একেবাৰে অন্তৰ্দ্ধান হোৱাও ভাল। লাজ-অপমান জ্ঞান যি জাতিৰ নাই, সেই জাতি মনুষ্য জাতিৰ ভিতৰত গণ্য নহয়। এইবিলাক কথা ভাবি আমি যেয়ে যিমান পাৰোঁ স্বাৰ্থ ত্যাগ কৰি স্বদেশৰ কল্যাণ সাধন কৰিবলৈ চেষ্টা কৰোঁ, আহঁা।

—৺কমলাকান্ত ভট্টাচাৰ্য্য

# ঃ নাট্য শাস্ত্ৰৰ বিধি প্ৰকৰণ ঃ

শ্ৰীলম্বেশ্বৰ বৰুৱা
চতুৰ্থ বাৰ্ষিক কলা (নৈশ শাখা)

ৰামায়ণৰ যুগৰ নাট্যাচাৰ্য্য ভৰত মুনিয়ে নায়ক-নায়িকাৰ জাতিভেদ, বিষয়বস্তু আৰু অঙ্কভেদে বিশেষকৈ ৰসভেদে— নাটক, প্ৰকৰণ, ভান, বিথী, ব্যায়োগ, সমবকাৰ, ডিম, অঙ্ক, ঈহামৃগ আৰু প্ৰহসন আদি নাটকৰ দহৰূপকৰ দহোটি ভাগ কৰি থৈ গৈছে। ইয়াৰ বাহিৰেও অগ্নিপুৰাণৰ অনুসাৰে সাহিত্য দৰ্পণে নাট্য-শাস্ত্ৰৰ দহৰূপকৰ ভিতৰত নপৰা উপৰূপকৰ বিষয়, ৰস, পাত্ৰ আৰু অঙ্কাদি ভেদে ভগাই পেলোৱা ওঠৰটি ভাগ আছেই। চিন্তা আৰু বিধি-বিধানৰ কালৰ পৰা এইবোৰৰ ঐক্য দেখা পোৱা যায়। নাট্যকাৰসকলে আগম ভাৱৰ মিলৰ পক্ষত এইবোৰ বিষয়ৰ তালিকা কৰিছে ক্ৰমে,— নাটিকা, ত্ৰোটক, গোষ্ঠী, সট্টক, নাট্যৰাসক, প্ৰস্থান, উল্লাস, কাব্য, প্ৰেঙ্ক্ষণ, ৰাসক, সংলাপক, শ্ৰীগদিত, শিল্পক, বিলাসিকা দুৰ্ম্মল্লিকা, প্ৰকৰণী, হল্লীস আৰু ভাণিকা। অধিকাংশ নাটকেই দেৱতা, অসুৰ আদিৰ প্ৰসিদ্ধ বৃত্তান্ত—শৃঙ্গাৰ, বীৰ আৰু কৰুণ ৰস প্ৰধান। পৌৰাণিক আৰু কল্পিত বিষয়েও এই নাটকসমূহত স্থান পাইছে। দেৱাসুৰ সংগ্ৰাম বিষয়ক কোনোবিলাক বেদৰ উষ্ণিক আৰু গায়ত্ৰী ছন্দত ৰচনা কৰা, কোনোবিলাক সংস্কৃতত। সৰহভাগেই এক অঙ্কীয়া কিন্তু বস্তু বিস্তাৰৰ প্ৰয়োজন ভেদে দুই, তিনি বা চাৰি অঙ্ক আৰু নাটক প্ৰকৰণাদিত পাচৰ পৰা দহ অঙ্কলৈকে থকা দেখা যায়। ভাণ আৰু বিথীত এজন অভিনেতাৰে বাকীবিলাকত একাধিক অভিনেতাৰে অভিনয় কৰাৰ কথা উল্লেখ আছে। অধিকাংশ নাটকতেই প্ৰয়োজনানুসাৰে নাট্য-শাস্ত্ৰ নিৰ্দ্দিষ্ট আৰম্ভ, প্ৰযত্ন, প্ৰাপ্তি, সম্ভৱ, ফলপ্ৰাপ্তি আৰু ফল যোগ ঘটাৰ লক্ষণ দেখা যায়। পিচলৈ, অভিনয় ক্ষেত্ৰত ঘটা দুৰ্ঘটনা আৰু উপস্থিত খণ্ড যুদ্ধৰ পৰিহাৰ কৰিবৰ উদ্দেশ্যেই অভিনয়ত লোমহৰ্ষক ঘটনা, চুম্বন আৰু অশ্লীল অভিনয় আদি বাৰণ কৰা হৈছে। আহাৰ, নিদ্ৰা, পাশৱিক চেষ্টা আৰু জাতীয় অগৌৰৱজনক কোনো কথাকে ভাষাৰে বা অভিনয়ৰে ৰঙ্গমঞ্চত প্ৰকাশ কৰা বা দেখুওৱা নাট্য-শাস্ত্ৰৰ বিধান মতে নিষেধ। কিন্তু বৌদ্ধযুগৰ সংস্কৃত নাটকসমূহত শ্ৰোতা আৰু দৰ্শকৰ ঔৎসুক্য উৎপাদনৰ নিমিত্তে ঠাই বিশেষে চলিত ঘটনাৰ মাজত আকস্মিক ঘটনা সৃষ্টিৰ প্ৰমাণ পোৱা যায়। বৌদ্ধযুগৰ সংস্কৃত নাটকসমূহত স্থলভেদে প্ৰাকৃতিকৰ লগে লগে অনৈসৰ্গিক ঘটনাৰ সমাবেশ ঘটাৰো বিৰল নহয়। এই যুগত অৱশ্যে

নাট্য-শাস্ত্ৰই ৰাবণ কৰা অত্যাধিক আবেগৰ সম্ভাৱনা ঘটা তেনে লোমহর্ষক কাণ্ডৰ অৱতাৰণা কৰিবলৈ ৰঙ্গমঞ্চৰ বাহিৰতকৈ নেপথ্যৰ সহায় লোৱাৰ প্ৰমাণহে পোৱা যায়। তথাপিও "নাগানন্দ" আৰু "বেণী-সংহাৰ" নাটকত ইয়াৰ ব্যভিচাৰ দেখা যায়। নাট্য-শাস্ত্ৰৰ বিধান,—নান্দী আৰু সূত্ৰধাৰ আদিৰে আৰম্ভণ আৰু প্ৰশস্তি শ্লোকেৰে শেষ। এই বৌদ্ধযুগতো তাৰ ব্যতিক্ৰম ঘটাৰ লক্ষণ দেখা পোৱা নেযায়।

নাট্য ৰচনাৰ আগতে নাট্য বিধানৰ কোনো কালেই সৃষ্টি হোৱা নাই। নাট্য-অভিনয়ত ঘটা বিঘিনি আৰু নাটকৰ দোষ গুণ দূৰ কৰিবলৈকে পিচলৈ নাট্য বিধানৰ ব্যৱস্থা কৰা হৈছে। নাট্য-শাস্ত্ৰত কোৱা হৈছে,—ভৰত মুনিয়ে সৃষ্টি কৰ্ত্তা স্বয়ং ব্ৰহ্মাৰ আহ্বান জানি শাণ্ডিল্য প্ৰমুখ্যে শত পুত্ৰক নাট্যবেদৰ প্ৰয়োগ শিকাই বুজাই যথাযথ প্ৰচাৰ কৰিবৰ অৰ্থে সিবিলাকক ঠায়ে ঠায়ে পাতি থলে নি। নীলকণ্ঠৰ নৃত্যৰ পৰা কৈশিকী বৃত্তি আদি আনি নাট্যৰ ৰূপ চৰালে যদিও, তিযোতাৰ শৃঙ্গাৰাদি ৰসৰ অভিনয়ত ভাৱ ফুটাব নোৱাৰি সৃষ্টিকৰ্ত্তাই মঞ্জুকেশী আদি অপ্সৰা সৃজন কৰি নাৰদ প্ৰভৃতি গন্ধৰ্ব্বক নাট্য-লীলাত নিয়োগ কৰিলে। এই দৰে সকলো আয়োজন হৈ উঠাত মহেন্দ্ৰ প্ৰমুখ্যে দেৱতাসকলে অভিনয় পাতিব খোজাত সৃষ্টিকৰ্ত্তাই নিজে আশীৰ্ব্বচন এটিৰে নন্দী ৰচনা কৰি মহেন্দ্ৰৰ "ধ্বজমহ" উৎসৱত আৰম্ভ কৰিবলৈ উপদেশ দিলে। অভিনয় হল—দেৱতাই অসুৰক হৰুওৱাৰ অনুকৃতি। এনেয়ে পৰাজয়ত ভগ্নহৃদয় তাতে তাৰ অনুকৃতি। স্বভাৱতে অসুৰবিলাকৰ সহ্য নহল। বিঘিনি উপজাবলৈ দেখাদেখিকৈ অভিনয়ত লাগি গ'ল। অসুৰে সূত্ৰধৰক ছেগ বুজি ৰঙ্গমঞ্চত কুক্ৰিয়াৰে কৰামি অজ্ঞান কৰি পেলালে। ইফালে ইন্দ্ৰই তাকে দেখি লাহেকৈ ধ্বজ তুলি অসুৰবিলাকৰ দেহ জৰ্জ্জৰিত কৰিলে। পিচলৈ অভিনয় হলেই সেই ধ্বজ পুতিবলৈ ললে আৰু তেতিয়াৰ পৰাই সেই ধ্বজৰ নাম হল জৰ্জ্জৰ। অভিনয়ত জৰ্জ্জৰ পোতাৰ বিধি সেই যুগতেই সম্পূৰ্ণৰূপে পৰিহাৰ কৰা হৈছে। ভৰতৰ নাট্য-শাস্ত্ৰত নাট্যবেদৰ প্ৰচলন আৰু অভিনয় শিক্ষাৰ সুবিস্তৃত বিবৰণ দিয়া হৈছে। অভিনয়ত ঘটা এনে বিঘিনি আতৰ কৰিবলৈকে পিচলৈ "ৰঙ্গ-পূজা"ৰ ব্যৱস্থা কৰাৰো ইঙ্গিত পোৱা হৈছে। "ৰঙ্গ-পূজা"ৰ আন এটি নাম পূৰ্ব্বৰঙ্গ। পূৰ্ব্বৰঙ্গক সমৰ্থন জনাই আলঙ্কাৰিক কবিৰাজে—"নাটকৰ বিষয়বস্তু আৰম্ভ হোৱাৰ আগতে ৰঙ্গৰ বিঘ্ন দূৰ কাৰবলৈ কুশীলৱে যি অনুষ্ঠান কৰে, সেয়ে পূৰ্ব্বৰঙ্গ" বুলি মত পোষণ কৰিছে।

পূৰ্ব্বৰঙ্গৰ অঙ্গ উনৈশটা। ইয়াৰে প্ৰত্যাহাৰৰ পৰা আসাৰিতলৈকে এই নটা যৱনিকাৰ অন্তৰালত আৰু গীতৰ পৰা প্ৰৰোচনালৈকে এই দহোটা অঙ্গ যৱনিকাৰ বাহিৰত কৰা হয়। এই দহোটা অঙ্গৰ ভিতৰত নান্দীয়েই প্ৰধান আৰু সেইদৰে সংস্কৃত নাটকসমূহত নান্দী শ্লোকেই প্ৰধান হৈ ৰৈছে। সংস্কৃত নাটকত নান্দীৰ পিচতে নাটকৰ বিষয়বস্তু, কবি পৰিচয় আদি বিষয়ে

সূত্ৰধাৰে বা স্থাপকে ভাৰতী বৃত্তিৰে আবৃত্তি কৰাৰ বিধান আছে। সূত্ৰধাৰ সংস্কৃত নাটকৰ মূল চৰিত্ৰ। নাট্যবেদ স্বৰূপ ভৰত মুনিয়েই নাট্য-শাস্ত্ৰত সূত্ৰধাৰৰ সূচনা কৰিছে। নাট্য-শাস্ত্ৰৰ বিধান মতে—সূত্ৰধাৰে পোনতে আহি অভিনয়ৰ সূচনা কৰিয়েই প্ৰস্থান কৰিব লাগে। ভৰত বাক্যত যৱনিকাৰ অন্তৰালৰ পৰা গোৱাবহে নিৰ্দ্দেশ আছে। সংস্কৃত নাটকৰ সামৰণিত বিশ্বজনৰ মঙ্গল কামনা কৰা যিফাকি কথা আছে—তাকেই ভৰত বাক্য বোলা হৈছে। নাট্য-শাস্ত্ৰৰ মতে নাটকত সংস্কৃত আৰু প্ৰাকৃত দুয়োটা ভাষাৰে চলন্তি থাকিব লাগে। অভিনয় কালত পুৰুষে সংস্কৃতত আৰু স্ত্ৰীসকলে প্ৰাকৃতত কথা কোৱাৰ নিয়ম। সংস্কৃত অথবা তেনে কোনো প্ৰাচীন নাটকসমূহত এনে নিয়মৰ ব্যতিক্ৰম ঘটা শুনা নেযায়। নাট্য-শাস্ত্ৰৰ বিধান মতে নাট্য-লীলাত লগুৱাই ৰজাক, সখীয়েকে সখীয়েকক, স্ত্ৰীয়ে স্বামীক সম্বোধন কৰাৰ কিছুমান নিৰ্দ্দিষ্ট শব্দ ব্যৱহাৰ কৰাৰ নিৰ্দ্দেশ আছে। সেইদৰে স্বৰ্গতোক্তি, আন উক্তি বা বচন শ্ৰৱণৰ কৌশলো নাট্য-শাস্ত্ৰৰ বিধিত নোপোৱা নহয়। ভাষা প্ৰয়োগো আদি নাটকৰ প্ৰধান লক্ষণ।

গীত, বাদ্য আৰু নৃত্য নাটকৰ অপৰিহাৰ্য্য অঙ্গ। কিন্তু নাট্য-লীলাত তেনে গীত, বাদ্য আৰু নৃত্যৰ সমাবেশ ঘটিছিল নে নাই তাৰ কোনো স্পষ্ট ইঙ্গিত নাই। গতিকে প্ৰাচীন নাট্যসমূহত এইবোৰৰ প্ৰচলন আছিল নে নাই নে ইয়াৰ অবিহনেও নাট্য-লীলাৰ সমাপ্তি ঘটিছিল জনা নেযায়। কিন্তু নাট্য-শাস্ত্ৰত নাট্য-লীলাৰ ইতিহাসত পোৱা যায়—ব্ৰহ্মাৰ নিৰ্দ্দেশ মতে দেৱাদিদেৱ মহাদেৱৰ প্ৰীতিৰ অৰ্থে হিমালয় ৰম্য প্ৰদেশত "ত্ৰিপুৰাদাহ" নামৰ নাটক এখনিৰ অভিনয় হয়। এই অভিনয়তে ভূতপতি মহাদেৱ প্ৰসন্ন হৈ নানা "কৰণ" আৰু "অঙ্গহাৰেৰে" সন্ধ্যা কালত যি নৃত্য কৰে সেই নৃত্য "পূৰ্ব্বৰঙ্গ" বিধিত প্ৰযোজনা কৰিবলৈ অনুমতি প্ৰদান কৰে। নীলকণ্ঠৰ নৃত্যৰ পৰা কৈশিকী বৃত্তি আদি আনি নাটকৰ ৰূপ চৰোৱাৰ কথাও দুই এঠাইত পোৱা যায়। "নাৰদ সংহিতাত" কৈছে—"সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই মহাদেৱৰ ওচৰত প্ৰথমে নিজে সঙ্গীত শিক্ষা কৰি তাৰ পিচত ভৰত, নাৰদ, ৰম্ভা, হুহু, আৰু তুম্বুৰু প্ৰভৃতি পাচ গৰাকী শিষ্যক শিকায়। ভৰত মুনিয়ে পৃথিৱীত নাট্য-লীলাৰ জৰিয়ত সঙ্গীত প্ৰচাৰ কৰে।

ঋগ্বেদ্ বিশ্ব সাহিত্য তথা দৃশ্য কাব্যৰ আদি মূল। এই ঋগ্বেদৰ যুগতো ক্ষেত্ৰ বুজি অভিনয়, আবৃত্তি আদি কৰাৰ প্ৰমাণ পোৱা যায়। ঋগ্বেদৰ প্ৰথম মণ্ডলৰ ১৫৬ সূক্তত আকাশ বিচৰণ কৰি ফুৰোতে মৰুদগণ আৰু ইন্দ্ৰ দেৱতাই মহাত্মাৰ কাহিনী শুনি অগস্ত্য মুনিয়ে ইন্দ্ৰ দেৱতালৈ বুলি নিৰূপণ কৰা হবি মৰুদগণক দান কৰিবলৈ লোৱাত যি কথোপকথন চলিছিল, সেই কথোপকথনেৰে যজ্ঞৰ পাতনিত দেৱতাসকলক মান ধৰোতে ঋষিসকলে আবৃত্তি আদিও কৰিছিল বুলি শুনা যায়। সঙ্গীতৰ সুৰত তাল-মান ৰাখি যদি আবৃত্তি কৰা হয় তেন্তে কব পৰা যায় আদি নাটৰ সৃষ্টিৰ পাতনিতে সঙ্গীতৰ প্ৰকাশ

পাইছে। নানান ভাব-ভঙ্গীমাৰে অভিনয় কৰাৰ নীতি আদিৰে পৰা একাদিক্ৰমে চলি আহিছে। প্ৰয়োজন ভেদে নাট্য-লীলাত নৃত্যৰ কিছু ৰূপ দিয়া হৈছে। অৱশ্যে আদি নাট্যসমূহ গীত অথবা নৃত্যপ্ৰধান হয়নে নহয় কব পৰা নেযায়। আঙ্গিক অভিনয় নাট্য-লীলাৰ প্ৰধান ক্ৰিয়া। আঙ্গিক অভিনয়ে নৃত্য আৰু শৰীৰৰ অঙ্গ সঞ্চালনক বুজায়। গতিকে নাট্য-শাস্ত্ৰত "আঙ্গিকো ৰাচিক-শ্চৈৱ হ্যাহৰ্য্যঃ সাত্বিকস্তথা" বুলি উল্লেখ কৰা এই চাৰি প্ৰকাৰ ক্ৰিয়াৰ যোগত অভিনয় সম্পন্ন হোৱালৈ চাই আদি নাট্য-লীলাত অঙ্গ সঞ্চালন প্ৰভৃতিৰ জৰিয়তে নৃত্যৰ কাম সমাধা কৰা যেন অনুমান হয়। নাট্য-লীলাত আঙ্গিক অভিনয় অৰ্থাৎ নৃত্য আৰু মুদ্ৰাৰ প্ৰাধান্য নেথাকিলেও নাট্য-শাস্ত্ৰত আঙ্গিক, ৰাচিক, আহাৰ্য্য আৰু সাত্বিক এই চাৰিবিধ ক্ৰিয়াৰ সমন্বয়েই অভিনয় বুলি কোৱা হৈছে। ইয়াৰ এটিৰ অবিহনে অভিনয় সম্পূৰ্ণ হব নোৱাৰে।

অভিনয় প্ৰসঙ্গত নৃত্যৰ স্থান আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্বন্ধে তেনে কোনো স্পষ্ট সমিধান পোৱা নগলেও নাট্য-শাস্ত্ৰত ২৪ টা অসংযুত হস্ত মুদ্ৰাৰ উল্লেখ আছে। পতকা, ত্ৰিপতকা, কৰ্ত্তাৰিমুখ, অৰ্দ্ধচন্দ্ৰ, অৰাল শুকতুণ্ড, মুষ্টি, শিখৰ, কপিত্থ, খটকামুখ, সূচীমুখ, পদ্মকোষ, সৰ্পশিৰা, মৃগশীৰ্ষ, কাঙ্গুল, অলপল্লৱ, চতুৰ, ভ্ৰমৰ, হংসাস্য, হংসপক্ষ, সন্দংশ, মুকুল, উৰ্ণনাভ আৰু তাম্ৰচুড় মুদ্ৰা আদি নৃত্য শাস্ত্ৰসন্মত ঘাই অলঙ্কাৰ। ইয়াৰ বাহিৰেও অভিনয় দৰ্পণত,— অৰ্দ্ধ পতকা ময়ূৰ, শিখৰ, চন্দ্ৰকলা, সিংহমুখ, অলপদ্মকা ত্ৰিশূলা আৰু ব্যাঘ্ৰ প্ৰভৃতি নাট্য-শাস্ত্ৰত নথকা হস্ত মুদ্ৰাৰ সংযোজন কৰা হৈছে। হস্ত লক্ষণ দিপীকাত ২৪টা আৰু শ্ৰীহস্ত মুক্তাৱলীত ৩০টা বিবিধ হস্ত মুদ্ৰাৰ কথাও উল্লেখ আছে। ইয়াৰে আকৌ ব্যৱহাৰ অনুযায়ী অৰ্থ বিশেষে বিভক্ত কৰা হৈছে। শ্ৰীহস্ত মুদ্ৰাৱলীৰ মনে পতকা— ১১২ টি মুদ্ৰাৰ প্ৰত্যেকেই বিভিন্ন লক্ষণ আৰু অৰ্থ প্ৰকাশ কৰিছে। ইয়াৰ মতে সংযুত হস্ত হৈছে ১৭ টি, নৃত্য হস্ত ২৭ টি। এনে মুদ্ৰাৰ আলম লৈয়ে পৰৱৰ্ত্তী নৃত্য শাস্ত্ৰকাৰসকলে সেইদৰে নিজৰ ৰুচি আৰু কল্পনাৰ সংযোগ ঘটাই নিজ নিজ ঠাইৰ কাৰণে না না নৃত্য-শাস্ত্ৰ ৰচনা কৰিছিল। নৃত্য-শাস্ত্ৰৰ লগত নাট্য-শাস্ত্ৰৰ অভিন্ন সম্পৰ্ক হলেও বিধি-বিধান আৰু অভিনয় ক্ষেত্ৰত ইয়াৰ তাৰতম্য যথেষ্ট। বিধান মতে— বীৰ, করুণ, অদ্ভুত, শান্ত, বিভৎস, আদি শৃঙ্গাৰ, (বিপ্ৰলম্ব আৰু সম্ভোগ,) ৰৌদ্ৰ, হাস্য, ভয়ানক প্ৰভৃতি ৰস নাটকত গদ্যৰে অৰ্থাৎ ভাষাৰে অথবা বিবিধ অঙ্গী-ভঙ্গীৰে আৰু নৃত্যত গদ্য বা বচনৰ পৰিবৰ্ত্তে কেৱল মুদ্ৰা আৰু অভিব্যক্তিৰ সহায়ত দেখুওৱাৰ নিয়ম। গতিকে একে অৰ্থত সমানে দুয়োৰে প্ৰয়োগ ঘটিছিল নে নাই জনা নেযায়। নাট অভিনয়ত নৃত্যৰ প্ৰয়োজন হলেও নাট্য, নৃত্য প্ৰচলনৰ অৰ্থে ব্যৱহাৰ হোৱা যেন নেলাগে। নৃত্য, নাটকৰ অপৰিহাৰ্য্য অঙ্গ কিন্তু প্ৰধান বিষয়বস্তু নহয় অন্ততঃ সেই ভাৱেই নাট্যকাৰসকলে নাট ৰচনাত আত্ম-নিয়োগ কৰি আহিছে।

বাদ্য যন্ত্ৰ ব্যৱহাৰ সম্বন্ধে নাট্য-শাস্ত্ৰ মৌন। নাট্য-লীলাত বাদ্য যন্ত্ৰৰ প্ৰয়োগ আৰু কৌশল—নাট্য-শাস্ত্ৰৰ বিধিসমূহত তেনেদৰে উল্লেখ নাই। কিন্তু বাদ্য যন্ত্ৰৰ ব্যৱহাৰ তন্ত্ৰৰ যুগৰ পৰাহে চলি আহিছে। তন্ত্ৰত কোৱা হৈছে—ৰজাসকলে শক্তি বৃদ্ধিৰ বাবে দিব্য অলঙ্কাৰেৰে ভূষিতা নাৰীসকলৰ হতুৱাই নিজৰ সৈন্যবলৰ নীৰাজন কৰাব আৰু নৃত্য-গীত, ক্ৰীড়া-কৌতুক, মঙ্গল (গীত) আদিৰ ব্যৱস্থা কৰিব। নাট্য-শাস্ত্ৰৰ অনুশাসন মতে যুদ্ধ-বিগ্ৰহ, বধ, বিবাহ আদিৰ অভিনয় নিষিদ্ধ। গতিকে নাট্য-লীলাসমূহত এনে গীত-বাদ্যৰ প্ৰয়োজন হৈছিল নে নাই কব পৰা নেযায়। গীত-বাদ্য আৰু নৃত্যসমূহৰ প্ৰচলন কৰা আদি নাটকৰ মুখ্য নহয়^সংঘাত অথবা দ্বন্দ্ব প্ৰধান হলেও ৰস সৃষ্টি বা আন কথাত কাব্যানুভূতি উদ্ৰেক কৰাহে প্ৰাচীন নাটকসমূহৰ উদ্দেশ্য। সমাজৰ নৈতিক আদৰ্শ আৰু নিষ্ঠাই আৰু সত্য ঘটনাত নিহিত থকা স্বদেশপ্ৰীতি আৰু বীৰত্বই প্ৰাচীন নাট্যকাৰসকলক এহাতে যেনেকৈ অপ্ৰীতিকৰ, অস্বস্তিকাৰক পৰিবেশ এৰাই গৌৰৱজ্জ্বল পটভূমি বিচৰণ কৰিবলৈ সুবিধা দিছিল, আনফালে আকৌ সেই অতীতৰ মহিমামণ্ডিত কাহিনীৰ দ্বাৰাই জাতীয় চেত-নাবোধ জাগ্ৰত কৰাৰ স্বপ্নও দেখুওৱা হৈছিল। এনে কৰিবলৈ যাওঁতে নাট্যকাৰসকলৰ নাট্য-বেদসমূহত যে অতৰ্কিতে বহু ব্যভিচাৰ সোমাই পৰা নাছিল এনে নহয়। আদি নাট্য বেদ প্ৰনেতা স্বয়ং ব্ৰহ্মাৰ ক্ষেত্ৰতো এনে অঘটন নঘটাকৈ থকা নাছিল। বেদৰ সৰল সাহিত্য কালৰ লগে লগে জটিল হৈ পৰাৰো ইঙ্গিত পোৱা যায়। সমাজ ব্যৱস্থা আৰু শাসনৰ নিমিত্তে অদূৰ ভৱিষ্যতে স্বায়ম্ভুৱ, স্বাৰোচিষ, উত্তম, তামস, ৰৈবত, চাক্ষুষ, বৈৱস্বত সাবৰ্ণি, দক্ষসাবৰ্ণি, ব্ৰহ্ম-সাবৰ্ণি, ৰুদ্ৰসাবৰ্ণি, ধৰ্ম্মসাবৰ্ণি, দেৱসাবৰ্ণি, ইন্দ্ৰসাবৰ্ণি, প্ৰভৃতি মনুৰ প্ৰয়োজন হোৱাদি এই উদ্দাম উন্মুক্ত নাট্য-লীলাসমূহতো শাসনৰ প্ৰয়োজন হ'ল। দেৱতা আৰু অসুৰৰ দ্বন্দ সমাজৰ অবিদিত নহয়। দেৱ-তাই অসুৰক পৰাজয় কৰাৰ অনুকৃতি মঞ্চত দেখুৱাবলৈ যাওঁতে যি বিঘিনি ঘটিছিল তাৰ উপশম ঘটাবলৈকে পিচলৈ ব্ৰহ্মাই অসুৰক সান্ত্বনা দিয়াৰ চলেৰে নাট্য-লীলাৰ প্ৰৱৰ্ত্তন কৰাৰ ইঙ্গিত পোৱা গৈছে। নাট্য-লীলাৰ ইতিহাসত কোৱা হৈছে, "তোমালোক আৰু দেৱতাৰ শুভাশুভ বিকল্পক নাট্যবেদ মইয়ে ৰচনা কৰিলো। ই অকল তোমালোকৰে অনুকৃতি নহয়, ত্ৰিভুবনৰ অনুকৃতি— নানা ভাৱৰ নানা অৱস্থাৰ লোকচৰিত্ৰৰ অনুকৰণ। ই সমানে দুঃখাৰ্ত্ত, সমানেই শ্ৰমাৰ্ত্ত, শোকাৰ্ত্ত আৰু তপস্বীৰ শান্তিময় বিশ্ৰামৰ কাৰণ হওক, শ্ৰুতি স্মৃতি সদাচাৰ বিধিৰে কল্পিত হৈ দিনে দিনে নৰলোকৰ বিনোদ উৎপাদন কৰক আৰু সকলো শাস্ত্ৰৰ তত্ত্বেৰে, সকলো শিল্পৰ বিবিধ বেশেৰে বিভূষিত হৈ এই মনোৰম নাট্য-লীলা সপ্তদীপৰ অনুকৰণ হওক।"

ব্ৰহ্মাই মহেন্দ্ৰ প্ৰমুখ্যে দেৱতাসকলক ধেমালি এটি দিয়াৰ চলেৰে চাৰি বেদৰ পৰা পাঠ্যাদি আনি নাট্যবেদ ৰচনা কৰিলেও ব্ৰহ্মাই যে প্ৰথম নাটসূত্ৰকাৰ এই কথা বহুতে

মানি লব নোখোজে। বৈদিক যুগৰ শতপথ ব্ৰাহ্মণ গ্ৰন্থত শিলালি নামৰ নটসূত্ৰকাৰ এজনৰ নাম পোৱা যায়। ভৰত মুনি ৰামায়ণৰ যুগৰ। আদি কৱি বাল্মিকীয়ে ভৰত মুনিৰ ওচৰত নাট্যৰ বিষয়ে উপদেশ লোৱাৰ কথা নাট্য-শাস্ত্ৰৰ "বেনাৰসী সংস্কৰণ"ৰ শেষ অধ্যায়ৰ তৃতীয় শ্লোকত আছে। ভাৰতৰ প্ৰথম নাট্য-শাস্ত্ৰ "ষট সহস্ৰী," ভৰত মুনিৰ ৰচনা। "ষট সহস্ৰী" দেৱলোকৰ আদি কবি এজনে ঋগ্বেদৰ পৰা পাঠ্য, সামবেদৰ পৰা গীত যজুৰ্ব্বেদৰ পৰা অভিনয়, অথৰ্ব্বৰ পৰা ৰস্ব চুহি ছয়ত্ৰিশ হাজাৰ শ্লোকেৰে ৰচনা কৰা নাট্য-বেদৰ সংস্কৰণ। "ষট সহস্ৰী"ত সৰ্ব্বমুঠ ছহেজাৰ শ্লোক আছে। ইয়াৰ পিচত ব্ৰহ্মাৰ নিৰ্দ্দেশ মতে মহাদেৱৰ প্ৰীতিৰ অৰ্থে হিমালয়ৰ পাদদেশত অভিনয় কৰা "ত্ৰিপুৰাদাহ" নামৰ এখনি নাটকৰ নাম পোৱা যায়। এইখন কেতিয়াৰ ৰচনা জনা নেযায়। পৌৰাণিক যুগৰ 'মাৰ্কেণ্ডেয়' আৰু "অগ্নি পুৰাণ"ত বহু নাটকৰ উল্লেখ আছে। সৌমিল্ল, ধাবক, শৰ্ম্মিষ্ঠা আদি কেইজনমান প্ৰসিদ্ধ নাট্যকাৰৰ নাম শুনা যায়। বহুতৰ মতে এওঁলোক পূৰ্ব্ববৰ্ত্তী নাট্যকাৰ। "শ্ৰীহৰ্ষৰ" নামৰ নাটকখন ধাবকৰ ৰচনা হয় নে নহয় চিন্তাৰ বিষয়। "প্ৰতিজ্ঞা যৌগন্ধৰায়ণ" নামৰ নাটকখনিৰ ৰচনা বহুতৰ মতে কৱি ভাস। ভাসৰ সৃষ্টি —"স্বপ্ন-বাসবদত্তা" আৰু "অবিমাৰক" নাটক দুখনি ভাৰতৰ সংস্কৃত সাহিত্যৰ অমূল্য সম্পদ। শূদ্ৰক ভাসৰ সমসাময়িক কৱি। "মৃচ্ছকটিকা" কৱি শুদ্ৰকৰ অপূৰ্ব্ব সৃষ্টি। সৌন্দৰ্য্যৰ তুলনাত সবাতকৈও সুন্দৰ নাটক "অভিজ্ঞান্ শকুন্তলম্।" অভিজ্ঞান্ শকুন্তলম্" নাটক তথা কালিদাসৰ কীৰ্ত্তিধ্বজা হৈ ৰ'ল। শ্ৰীহৰ্ষৰ "নাগানন্দ," "ৰত্নাৱলী" আৰু "প্ৰিয়দৰ্শিকা" নাটকবো সৌন্দৰ্য্য নোহোৱা নহয়। "মুদ্ৰাৰাক্ষস" নাটকে বিশাখদত্তৰ নাম অক্ষুণ্ণ ৰাখিছে।

ভৱভূতি কালিদাসৰ পিচৰ কৱি। কালিদাসৰ পিচত জগতৰ জয়মাল্যৰ উপযোগী এই কৱি ভৱভূতি। কোনো কোনো সমালোচকে ভৱভূতিৰ "উত্তৰ-ৰামচৰিত"ক "অভিজ্ঞান শকুন্তলম"তকৈও উচ্চ স্থান দিব খোজে। "মালতী মাধৱ" আৰু "মহাবীৰ চৰিত" এই কবিৰ ক্ৰমে দ্বিতীয় আৰু তৃতীয় ৰচনা। ভৱভূতিৰ পিচত অষ্টম শতিকাৰ নাট্যকাৰ ভট্টনাৰায়ণৰ নাটক "বেণীসংহাৰ" কৱি ৰাজশেখৰৰ "বিদ্ধশাল ভঞ্জিকা" "কৰ্পূৰমঞ্জৰী", "বাল ৰামায়ণ" আৰু "প্ৰচণ্ডপাণ্ডৱ", দশম শতিকাৰ নাট্যকাৰ ক্ষেমীশ্বৰৰ "চণ্ডকৌশিক" একাদশ শতিকাৰ মধুসূদন মিশ্ৰৰ "মহানাটক", চতুৰ্দ্দশ শতিকাৰ নাট্যকাৰ মুৰাৰী মিশ্ৰৰ "অনৰ্ঘাৰাঘৱ" ষোড়শ শতিকাৰ নাট্যকাৰ সুন্দৰ মিশ্ৰৰ "অভিৰাম মণি" আৰু অষ্টাদশ শতিকাৰ কৱি কৃষ্ণৰ "কংসবধ" নাটকসমূহ ভাৰতৰ নাট্য সাহিত্যলৈ অপূৰ্ব্ব দান। এওঁলোকে ভিন ভিন নাটক ৰচনা কৰি ভাৰতীয় নাট্য সাহিত্যত যি গছি বন্তি জ্বলাই জগত পোহৰাই গ'ল, আজি বিংশ শতাব্দীত দেখা গ'ল তাৰেই মাথোন ৰেঙণি।

---

বিঃ দ্ৰঃ—প্ৰবন্ধটি যুগুত কৰোতে বিভিন্ন প্ৰবন্ধপাতিৰ সহায় লোৱা হৈছে।

—লিখক।

# মিৰি লোকগীত ঃ
# "ঐ নিতম্"ৰ তাৎপৰ্য্য

শ্ৰীধনেশ চন্দ্ৰ দলে
দ্বিতীয় বাৰ্ষিক কলা

সঙ্গীত প্ৰধান দেশ, অসমৰ সঙ্গীত আজিও বিৰাজমান। কলা, কৃষ্টি ধৰ্ম্ম, ভাষা আৰু নৈতিক জীৱনাদৰ্শৰ গইনা লৈ আদিৰে পৰা অসমত বিভিন্ন জাতি জনজাতিসমূহে বসবাস কৰি আহিছে। অসমৰ সঙ্গীত বিভিন্ন জাতি জনজাতিৰ বিশিষ্ট উপাদান আৰু অন্ততঃ সেই ভাৱেই যুগ যুগ ধৰি প্ৰচাৰ কৰি আহিছে। ইয়াৰ অৰ্থ, ধৰ্ম্ম আৰু উদ্দেশ্য সময় সাপেক্ষে প্ৰকাশ কৰা হৈছে। অসমত এনেদৰে প্ৰচাৰ কৰা গীত-পদসমূহৰ শ্ৰেণী বিভাগ কৰি ইয়াৰ গুণাগুণো বৰ্ণোৱা হৈছে। অলিখিত অৰ্থাৎ মুখে মুখে প্ৰচাৰ কৰা গীত-পদসমূহক সঙ্গীতানুৰাগীসকলে লৌকিক আখ্যা দিছে। লোক, লৌকিক শব্দৰ অপভ্ৰংশ। সেইবাবেই বুৰঞ্জীয়ে ঢুকি পোৱা বহু কাল আগৰ পৰাই প্ৰচলিত হৈ মুখে মুখে চলি অহা গীত-পদবোৰক লোক-গীত আখ্যা দিয়া হৈছে। লোক-গীতক, প্ৰাচীন গ্ৰাম্য-গীত অথবা জন-জাতীয় গীত বুলি বহুতেই পৰিচয় দিব খোজে। কোনো কোনোৱে লোক-গীতক চহা গীত বুলিও কৈছে। অসম জাতি জনজাতিৰ দেশ। অসমৰ চাৰিও দিশে সুবৃস্তিত হৈ আছে—মিৰি, মিছিমি, আবৰ, খামতি, অকা, ডফলা, গাৰো, লুচাই, মিকিৰ, চিংফৌ, নগা, খাচীয়া, বৰো, বৰাহি, মেচ, ৰাভা, গালং, জাৰুৱা, আৰু টিপৰা প্ৰভৃতি জনজাতিসকল। সৃষ্টিৰ মহিমা বুজাবলৈ চেষ্টা কৰা এই জনজাতি-সকলে সংসাৰৰ দুখ আবৰ্জ্জনা পৰিহাৰ কৰিবলৈকে আদৰি লৈছে প্ৰকৃতিক। প্ৰকৃতিৰ সৌন্দৰ্য্য কলা প্ৰীতি সাপেক্ষ। প্ৰকৃতিৰ অৱদান মৈ-বিল, জান-জুৰি, পৰ্ব্বত-পাহাৰ, গছ-গছনি, চৰাই-চিৰকতি এই সকলোবোৰেই লোক-গীতৰ শ্ৰেষ্ঠ উপাদান। গুণ আৰু ইয়াৰ বৈশিষ্ট অনুযায়ী কালক্ৰমত অসমীয়া জন সাহিত্যৰ ঘাই সম্পদ হৈ পৰিছে। অসমীয়া সাহিত্য সৃষ্টিত জন সাহিত্যৰ অৱদান স্বীকাৰ নকৰি নোৱাৰি। সাহিত্য কাৰো ব্যক্তিগত সম্পত্তি নহয়, ভাষাই কেৱল সাহিত্য হব নোৱাৰে। সাহিত্য,—ভাষাৰে প্ৰকাশিত মানৱ জীৱনৰ প্ৰতিবিম্বহে —"It (literature) is fundamentally an expression of life through the medium of language." সেইবাবেই এক কথাত কবলৈ হলে—জাতীয় সাহিত্য কোনো এটা জাতিৰ এখনি চমৎকাৰ ছবি।

অসমীয়া সাহিত্য সৃষ্টিত জনজাতিৰ অৱদান আছে। জনজাতিৰ প্ৰায়বোৰেই অলিখিত তথা অপৰিমাৰ্জ্জিত সাহিত্য সৃষ্টিত মৌখিক সাহিত্যৰ সহায় লোৱাৰ দৰে মিৰি জনজাতিয়েও এই মৌখিক সাহিত্যৰ সহায় লৈছে। মৌখিক সাহিত্যই জনজাতিৰ বাই সাহিত্য আৰু মৌখিক সাহিত্যত সহায় কৰিছে লোক-গীতসমূহে। লোক-গীত জন-জাতিৰ মুক্ত পৰিস্ফুৰণ, আদিম আৰু মৌলিক ভাৱাৱেগৰ (element of passion) অকৃত্ৰিম প্ৰকাশ। মিৰি সমাজত চিৰ প্ৰচলিত "ঐ-নিতম্"তো সেই একে ভাৱৰেই সমাবেশ ঘটিছে। "ঐ" সোণ বা সোণটি, "নিতম" গীত,—সোণটি অথবা মৰমীৰ গীত-মাতেই "ঐ-নিতম্" অসমীয়া অন্যান্য গীত-মাতৰ দৰেই প্ৰাচীন, যুগে যুগে মুখ বাগৰি চলি অহা লোক-গীত. মিৰি জাতীয় জীৱনৰ প্ৰেম আৰু অনুভূতিৰ ব্যঞ্জনা প্ৰকাশ। গীতবোৰ অসমীয়া প্ৰেমমূলক লোক-গীত,—বিহুগীত আৰু বনগীতৰ দৰে সমানেই চহকী আৰু তাৎপৰ্য্যপূৰ্ণ। "ঐ-নিতম্" অনুভূতি আৰু বৰ্ণনা সৌষ্ঠৱেৰে প্ৰাণৱন্ত, বিবিধ ৰং ৰহস্য আদিৰে ৰঞ্জিত। গীতবোৰ এক বিশেষ শ্ৰেণীৰ লোকৰ ৰচনা নহয়,—ই সৰ্ব্ব-সাধাৰণৰ দ্বাৰা ৰচিত, প্ৰেম আৰু অনুভূতিৰ ওপৰিও সোৱণশিৰীয়া গঞা (মিৰি) জীৱন-সমূহৰ সৰ্ব্বাঙ্গীন আৰু নিবিড় উপলব্ধিৰ বিমূৰ্ত্ত কৰাৰ প্ৰয়াস। সকলোৱে কব, সোৱণশিৰী তীৰৰ এক প্ৰৱাহমান জীৱনৰ ছন্দ—যি ছন্দ বিশ্ব মানৱৰ প্ৰাণস্পন্দনৰ প্ৰতিধ্বনি— তাৰ ভঙা-গঢ়া. জীৱন-মৃত্যু, বিৰহ-মিলন. তাৰ যৌৱনৰ আৱেশ আৰু বাধাকৰ জড়তা—গীতসমূহৰ বাকভঙ্গীৰ মূল প্ৰেৰণা। গীতৰ উপজীৱ্যও ৰচকৰ এক বিশেষ সমাজচেতনা—গভীৰ আৰু অন্তৰ্ভেদী অৱলোকনৰ নিৰ্যাস স্বৰূপ। আনন্দ আৰু বেদনাৰ ছন্দ যেন তাত জাগতিক কাৰ্য্য-কৰণৰ ফলাফল।

সময়ৰ হাত বুলনিত অসমীয়া বিভিন্ন লোক-গীতসমূহৰ আমূল পৰিবৰ্ত্তন ঘটাৰ দৰে "ঐ-নিতম্"বো বহু পৰিবৰ্ত্তন ঘটিছে। সেইকাৰণেই "ঐ-নিতম্"ৰ প্ৰকৃত ৰূপ আৰু জন্ম সম্বন্ধে কোৱা টান অৱশ্যে সৃষ্টিৰ কালৰ পৰাই ই জাতিৰ বিভিন্ন ৰুচি অনুযায়ী মুখে মুখেই প্ৰকাশ পাই আহিছে। গীতবোৰ স্বৰূপতে বৰ্ণনা প্ৰধান, বসন্তৰ শুভাগমনত নানা সাজেৰে সজ্জিত হৈ পৰা মনোমুগ্ধকৰ বহিৰ্জগতখন ইয়াৰ পটভূমি। মুঠ কথা উতলা ফাগুনৰ উন্মাদ পৰশত মনত থোকি-বাথৌ লগা ডেকা-জীয়ৰীৰ প্ৰাণত নৱ উদ্দী-পনাৰ ভাৱৰ দ্বাৰা পৰিপুষ্ট হোৱা প্ৰেমৰ আমেজ সনা দোৱানেৰে ৰচিত প্ৰেমৰ গীত-মাতেই মিৰিৰ এই "ঐ-নিতম্"। স্বাভাৱি-কতে "ঐ-নিতম্"ৰ ৰচনাত একোটি গভীৰ আন্তৰিকতা আছে।—

"পাগুন এচাৰ পা-লানা নেই নেঙান ঙানচা দুং
ঐ-নক্ গুন পা-লানা ঙক্কে দেয়ে ঙানচা দুং।"

(অৰ্থাৎ,—ফাগুনৰ বতাহৰ গোন্ধ পাই গছ-গছনিবোৰে পোখা মেলি ঠন ধৰি উঠাৰ দৰে তোমাৰ গোন্ধ পাই সোণ; মোৰ অন্তৰতো আনন্দই ঠন ধৰি উঠিছে।)

আকৌ ঃ—

''পাগুন এচাৰে য়ু-তেং কায়ে পে
ঐ-ঙক্ আচ্চিন চে মেতেং কামাবং।''

( অৰ্থাৎ,—ফাগুনৰ পচোৱাৰ সোঁত বৈ শেষ হলেও তোমাক ভালপোৱা ভাৱৰ সোঁত কোনো কাহানিও শেষ নহব। )

'ঐ-নিতম্' লোক-গীতত কেৱল প্ৰকৃতিৰ মধুৰ সংস্পৰ্শত গঢ়ি উঠা জীৱনৰ আনন্দ উচ্ছ্বাসেই নহয়, প্ৰেমৰ মধুৰ সন্দেহ, গভীৰ ব্যথা, করুণ নিৰাশা প্ৰভৃতিৰো আবেগময় প্ৰকাশ আছে। এই প্ৰকাশত, প্ৰায় ক্ষেত্ৰতে হতাশাজনিত ভাৱ আৰু বেদনাৰ সুৰ সুস্পষ্ট।—

"অৰনৰি আৰুং দে আপিন য়ো-পে মেমেঙাই,
আজিলক্কে পীৰিতি মিতপাম্ য়ো-পে মেমেঙাই।
—ঐ ইয়া।''

[ অৰ্থাৎ,— সোৱণশিৰী নৈৰ্খন এনেদৰে শুকাব বুলি ভৱা নাছিলো, লৰালিৰ পীৰিতিও এনেদৰে পাহৰিব বুলি ভৱা নাছিলো। ]

আকৌ ঃ—

''চকা এমনা মেপেচিন্ আগদেমই কাৰেকমাং,
তৰজুং এমনা মেপেচিন কালিদেৰেম কাৰেকমাং।''

[অৰ্থাৎ,— মৰিলা বুলি ভাৱিবলৈকো মৰিশালি-খন দেখা নেপাওঁ, জীয়াই আছা বুলি ভাবি-বলৈকো তোমাক দেখা নেপাওঁ। ]

''কুৰুৱাঙ কাৰছুবং ইটোলাঙই ইবকলা,
ঙকেক আচিন অবজুং ৰং কিলা ৰয়িলা।
ঐ ইয়া।''

[ অৰ্থাৎ,—গছৰ ডালত পৰি ইফালে সিফালে চাই কুকুৰাই যেনেকৈ আকুল হৈ মাতে, সেইদৰে মোৰ এই এখানি প্ৰাণেও কান্দি উঠে এটি অজান ভাৱত। ]

জীৱনৰ নৈতিক সঙ্কট আৰু আৰ্থিক পীড়নৰ দ্বাৰা অবিকৃত সহজ-সৰল জীৱনৰ পক্ষ-পুটত লালিত মিৰি ডেকা-গাভৰুৰ ৰোমান্টিক বেদনা, দেহ আৰু মনৰ সৌন্দৰ্য্যৰ মাধুৰী আৰু শুচি-স্নিগ্ধ প্ৰবল আকাঙ্ক্ষাৰ বৰ্ণনাই জনসাধাৰণৰ কল্পনাক বৰ্ণাঢ্য ভাৱ বিলাসেৰে ৰঞ্জিত কৰি তুলিছে বাৰে বাৰে। ঘাইকৈ মনুষ্য আত্মাৰ অবিনশ্বৰতা সম্বন্ধে মিৰি প্ৰেমিক-প্ৰেমিকাৰ মনৰ দৃঢ়তা এই ঐ-নিতম্' গীতৰ জৰিয়তে প্ৰকাশ পাইছে।—

''চাপাৰি ঐ চাপৰি চপান দোলো ৰমদকপম্,
অই ঙক্ৰিক মিক্ৰাকদে ম্ৰি-পু-ম চুয়েপে।''
ঐ ইয়া।''

[ অৰ্থাৎ,—ইটো চাপৰিত এজন আৰু সিটো চাপৰিত এজনক পুৰিলেও জুইৰ ধোঁৱাই দুয়োকে একে কৰিব। ]

সেইদৰে,—

"ই পুৰিত পা-ত-মাং।স-পুৰিত পাক্কুংপে
যমওকে নগৰৰ গিবিক্ অৰিক্ চুক্কুপে।''

[ অৰ্থাৎ, এই জন্মত তোমাক স্বামী বৰণ কৰিম বুলিও কৰিব নোৱাৰিলো কিন্তু সি-জন্মত তোমাক স্বামী বৰণ কৰিম। ]

গীতৰ কোনো কোনো অংশত অনন্ত সুদূৰৰ প্ৰতি এটি অদম্য আকাঙ্ক্ষাও প্ৰকাশ পাইছে, কিন্তু এই আকাঙ্ক্ষা কৰ্ম্ম-জীৱনৰ আকাঙ্ক্ষা। কৰ্ম্ম-জীৱনৰ লগতে কৰ্ম্ম-প্ৰেৰণাৰো ইঙ্গিত পোৱা যায় 'ঐ-নিতম্' গীতৰ মধুৰ ৰচনাৱলীত।—

"ভেলে দক্ৰি চা-লেন ঢুং আৰিগ আগেৰ মেপা-ঢুং
বেলে দাঁঞে অৰা-ঢুং ঐ-নক দয়িং মেপা-ঢুং।"

[অর্থাৎ,—সূর্য্য উদয় হোৱাৰ লগে লগে খেতি-পথাৰলৈ মনত পৰে, সেইদৰে সোণ, সূর্য্য অস্ত যোৱাৰ লগে লগে তোমালৈ মনত পৰে।]

সেইদৰে :—

"গৰু আল লাগি মাং মেন ক্ষেকু আল লাগিমাং
ঐ নম পামিল কুৱাব তাকলা দায়ে।"

[অর্থাৎ,—খেতি-বাতি কৰিবলৈ গৰু হাল বা মহ হালৰ প্ৰয়োজন নাই, সোণ, তোমাক পালে মই কোৰেৰেই খেতি কৰি খুৱাম। ]

মিৰি লোক-গীত 'ঐ-নিতম্'ৰ পটভূমিত সমাজবোধতকৈ মানৱীয় জীৱনবোধে বহু ঠাই অধিকাৰ কৰিছে। এই মানৱীয় জীৱন-বোধৰ খণ্ড চিত্ৰসমূহ তুঁহ জুইৰ দৰে ধীৰ গতিত প্ৰকাশ পাইছে। —

"অকুম অম্পতি ঙক্কে বিৰ-ৰম মেলিক য়ে
ঙক্কে আচিন চেম ঐ-নক ক-ল মেলিক য়ে।"

[অর্থাৎ,—ঘৰৰ পিতৃ-মাতৃৰ সম্পত্তিখিনি মোৰ ভাই-ককাইক এৰি দিম, আৰু মোৰ এই অন্তৰখনি তোমাক এৰি দিম। ]

সেইদৰে :—

"য়-উ-ৰে বাবুগ লুবিপে আৰিগ ইনাম ডুগও দেমু
ঐ নম ঐয়া লুবিপে আচিন-বক ডুগও দেম।"

[অর্থাৎ,—খেতি-বাতি আৰু কাম-বন কৰি দুখ পোৱাখিনি পিতৃ-মাতৃক কম আৰু মোৰ অন্তৰৰ বেদনাখিনি সোণ, তোমাক কম। ]

"ঐ নিতম্" মানৱীয় জীৱনবোধৰ ৰূপকেই নহয় অথবা কোনো এখন দেশৰ বিশেষ সমাজৰ কথা কই নহয়, ই সমগ্ৰ মানৱীয় চিন্তাধাৰাৰ জীৱন প্ৰসূতিবো ৰূপক. সুখ-দুখ, হৰ্ষ-বিষাদ, আচাৰ-ব্যৱহাৰ মানৱ চিন্তা সংস্কৃতিৰ উপৰিও উপকৰণ বুদ্ধি-বাদ আৰু সভ্যতাৰ বাহন সমাজনীতিৰ প্ৰভাবো প্ৰাচীন কালৰে পৰা যুগ বাগৰি চলি অহা এই ৰসাল 'ঐ-নিতম্' গীতৰ গাঠনিত পোৱা যায়। সোৱণশিৰী তীৰৰ মিৰি জনজাতিসকলৰ দৈনন্দিন জীৱনৰ প্ৰধান সমস্যাবোৰৰ মাজত পোত খাই থকা দুখ বেদনাক বিচাৰি চোৱাৰ চেষ্টাও এই 'ঐ-নিতম্' গীতৰ মধুৰ ৰচনাৱলীত নোপোৱা নহয়। খুব সহজ কথাৰে কব লাগিলে গাৱলীয়া সমাজৰ ব্যক্তি আৰু পৰিবেশৰ পাৰস্পাৰিক সংঘাতৰ ছবি ফুটি উঠা সাৰ্থক গীত এই 'ঐ-নিতম্'। অসমীয়া অন্যান্য প্ৰাচীন গীত মাতৰ দৰে মিৰিৰ এই 'ঐ-নিতম্'ৰো অৰ্থ আছে।

# ঃ এই উপকূলৰ ৰং ঃ

শ্ৰীনাহেন্দ্ৰ পাতুন
দ্বিতীয় বাৰ্ষিক কলা।

এয়েতো আকাশৰ ৰং নীলিম সলিল ৰাশি
জাক জাক মেঘালীৰ উপবাসী মন আৰু হৃদয়ৰ
দুৰন্ত বাসনাৰ খেলিমেলি স্বপ্ন বন্দৰৰ উপকূলত
শেষ হৈ যায় বহু ৰং ব্যাপ্তি অন্য এক হৃদয়ত।

এয়েতো সাগৰৰ ৰং নীলিম সলিল ৰাশি
থাক থাক উৰ্মিৰ দুৰন্ত বাসনা যত শেষ হৈ যায়
আফ্ৰিকাৰ এন্ধাৰ অৰণ্যৰ কোনো উলঙ্গ নাৰীৰ
স্ফীতোদৰা বক্ষৰ আসঙ্গ উৰ্বৰ কামনাৰ দৰে।

ইয়াতে শেষ হৈ যায় আকাশ আৰু সাগৰৰ ৰং।

এবুকু বুকুৰ মৰমেৰে সিক্ত ৰূপোৱালী জোনাক
আৰু খেলিমেলি চিক্‌মিক্ তৰালিৰ কণ কণ হাঁহিৰ
আশ্ৰয় লৈ টুকুৰা টুকুৰ কথাৰ ফুচ্‌ফাচ্ আলাপনাৰ
দৰে গম্ গম্ অস্পষ্ট উৰ্মিৰ অশান্ত ধ্বনি
যেন কোনো যুগল প্ৰেয়সীৰ দীৰ্ঘদিন ব্যাপ্তি
নীৰৱ মুহূৰ্ত্তৰ পিচত তৃপ্ত হয় মন আকাঙ্ক্ষিত চুমাত।

উপচি অনেক প্ৰীতি চুমাচুমি হয় দুই ৰং দুপাৰে আকুল।

অজানিতে পলকতে কিবা এক আবেগত দুই ৰং
দুই নীল এক হৈ যাব খোজে উন্মাদ তৰংগৰ তালে তালে
সোণালী স্বপ্নৰ ভীৰত মন হৈ যায় নীলাভ গভীৰ
জোনাকীৰ কণ কণ পোহৰেৰে দীপ্ত মন যেন

কৰবাত কিবা এটা ভুল হৈ যায় এই বন্দৰত
সূৰ্য্য নাই এই অৰণ্যত। আছে কাজিৰঙা ডবকাৰ
সূৰ্য্যহীন ঘন ঘন অৰণ্যৰ আৰণ্যক ৰক্তস্নাতা জোকৰ
অতৃপ্ত জীৱনৰ পিপাসা। উজ্জ্বল মুহূৰ্ত্তৰ আশ্বাসতে
উত্তাল তৰংগৰ তালে তালে ৰাশি ৰাশি নক্ষত্ৰৰ
বিপুল নিশ্বাস শেষ হৈ যায় জংগম জিজ্ঞাসাত।
অন্য এক আনমনা স্বপ্নাতুৰা বিহগীৰ যুগ যুগ তপস্যাত
বন্দী হৈ গ'ল উপকূলত অকণি আশ্ৰয় বিচাৰি অহা
এটি বিহগ অজলা, আত্মা হৈ যায় মুক্ত একক।

উপচি অনেক প্ৰীতি চুমাচুমি হয় দুই ৰং দুপাৰে আকুল।

এই বন্দৰৰ আবেলিত কোনো সূৰ্য্য অহা নাই
গাখীৰ-বগা কাপোৰৰ পালতৰা নাও লৈ
কোনো ৰং হোৱা নাই খেলিমেলি কিবাকিবি
জোনাকীৰ পোহৰত হোৱা নাই ভুল নীল নীল আকাশৰ
ৰাশি ৰাশি তৰালিৰ জাক জাক চিনাকী পোহৰ।

সাক্ষী আছে বন্দৰৰ নৱজাত এই নীল উপকূল
মুক্ত একক আত্মাৰ অনন্ত আসঙ্গ উৰ্ব্বৰ কামনাৰ।

# ॥ স্মৃতিঃ চন্দ্ৰালৈ ॥

শ্ৰীভূপেন্দ্ৰ পেগু
২য় বাৰ্ষিক কলা।

আজি এই জীৱনৰ অলীক লগা বন্ধ্যা সন্ধিয়াত
তুমি চন্দ্ৰাঃ যৌৱন-পূৰ্ণিমাৰে দেখা দিলা
স্পন্দন উঠিল মোৰ ধমনিত
শ্ৰান্ত বক্ষৰ প্ৰাচিৰ ভাঙি।
নিভাৰসা হৃদিৰ নিৰাশাৰ পৰ্দা আঁতৰি
হাজাৰ কল্পনাৰ মৃগ-তৃষ্ণা দেখিলো
প্ৰেম, ধন, কাম, আৰু সুখ
আৰু কৰিলে উদ্‌ভ্ৰান্ত পৰশে তোমাৰ।
জীৱন কাজিৰঙাত নিয়তিৰ কুৰুলিয়ে সমাধিৰ
আজান দিয়া এই সন্ধিয়াত পুনু
শত শত লক্ষ্য মেঘাছন্ন মন নীলিমাত।
মনত পৰিল চন্দ্ৰাঃ অযুত ভাষাৰে
যৌৱনৰ প্ৰেম হিল্লোলত
আবেগ আৰু উৎকণ্ঠাৰে কোৱা
এয়া পৃথিৱীত
প্ৰেম আৰু সুখ··· ··· কিন্তু জীৱন আমাৰ আশ্বাসত
এয়া যামিনীত।
যৌৱন চাঞ্চল্য কৰা বৰফ বগা জোনালী ৰাতিত
দুৰ্ব্বাৰ বাসনাৰে গুলপীয়া ওঁঠ দুটি কঁপি কঁপি
তোমাৰ ভাষাত গথা আশাৰ মণি মালা
ক্ষুব্বতাৰে———
সীমাহীন কামনাৰে এটোপা লোতক টুকা
আৰু হাজাৰ নিশাৰ উন্মাদনাৰে

আকাশ আকাশ লগা হাজাৰ চকুৰ পলক গনি
মৰম পৰাগৰ আবীৰ সনা
এইযে তোমাৰ
------ এইযে আমাৰ জীৱন—ভল্‌গা পাৰত বহি
শ'ত সহস্ৰ আশাৰে পঢ়া ওমৰৰ কবিতা আৰু
আৰবৰ স্বপ্ন উপন্যাস ।

* * *

চন্দ্ৰাঃ মন-গলা প্ৰাণে সময়ৰ নিচুকনি নাছিল বুজা
যেতিয়া জীৱন বন্ধ্যা কামনাত খন্তেকীয়া আভাসেৰে
তুমি আঁকি দিয়া চকা-মকা 'মনালিচা' ।
তাৰে ৰূপক লৈ মনদেউলত কল্পনাৰ পালেং সাজি
এচেৰেঙা মৰমেৰে
জীৱন ৰোমাঞ্চ কৰা
জগালাহি পুনু এই সন্ধিয়াত
আৰু বিস্মৃতি জীৱনৰ অক্ষয় কেঁচা ইতিহাস ।

# উক্তি

শ্রীগোপী তামুলী
২য় বার্ষিক কলা ( নৈশ বিভাগ )

যৌৱনৰ মাজ-মজিয়াত
নিষ্ঠুৰ মৰণে যদি, মোৰ
শান্তিৰ নীড় ৰচনা কৰি দিয়ে
নিগৰি পৰা নীৰে
তোমাক আমনি কৰিবনেকি উপা ?
মই যে নিৰুপায়,
সজাত আবদ্ধ আমি সকলোৱে
নিয়তিৰ একোটিহঁত সজাৰ মইনা।
জীৱন সপোন যেন হলেও
তাত জানো আছে কিবা স্বাদ ?
অৱসাদে আতৰাব নোপোৱাৰ অতৃপ্ত তিপিতি ?
মৰণৰ বিভীষিকা, অন্তৰৰ
এখানি মৰম, জীয়াই ৰাখিব তাক
স্মৃতিৰ সজীৱ কণিকাই
জীৱনৰ যৱনিকা অতি তুচ্ছ, অতি ক্ষুদ্ৰ
অতি সূক্ষ্ম অজেয় প্ৰাচীৰ।
যমুনাৰ বালি বলুকাত, জীৱনৰ মধুছন্দা
এটি সুৰ, এটি স্বৰ— বৈ যোৱা পানীৰ সোতত
সেই ছবি কৱিতাৰ কাৰ প্ৰতীক্ষাত ?
স্বপ্নছন্দ, নিদ্ৰাভংগ, এলাহি সপোন,
পাপৰি খহাৰ দৰে জীৱন পিচলে
পূৰ্ব্বৰাগ, প্ৰতিধ্বনি বুকুত সাৱটি
উপামণি।
গোৱা তুমি নিচুকনি গীত
দৰ্শনৰ যুক্তিৰে সৰকি, সন্ধ্যাৰাগ ঐক্যতানে
প্ৰতিধ্বনি তুলিবলৈ নেপথ্য সংগীত।

# মহাকবিৰ স্বপ্ন ও অলকানন্দাৰ

শ্ৰীভুবন চন্দ্ৰ বৰা
দ্বিতীয় বাৰ্ষিক কলা

কবিতাৰ ৰাজ্য ইমান চহকী হ'ল
সহজ প্ৰচেষ্টাৰ
সৰগীয় পৰশ পাই :
এটি পুৰাৰ উদাৰ লগ্নৰ দৰে
যেন সত্য যুগৰ এক সাধু
অসীম অপাৰ ;
অনন্ত মূল্যৰ দাম,
মহাকবিৰ স্বপ্নেৰে ভৰা
কবিতাৰ ৰাজ্যখন
ইমান জোনাক হ'ল
বিস্ময় বিমুগ্ধ মনেৰে
নিৰীক্ষণ কৰি ৰলো :
সপোন দেখাৰ মহাৰাতি।
অৰুণৰ উদয়ত হল যেন
পৃথিবীৰ এই মহান জাগৃতি।
অলকানন্দাৰ নিশ্বাসৰ সুৰভি,
পৃথিবীৰ অশান্ত আত্মাৰ হ'ল :
শান্তি বিশ্ৰামৰ মুহূৰ্ত্ত বিৰতি।

# —ঃ সপোন আঁতৰি গলে ঃ—

শ্ৰীঅনন্তকুমাৰ শইকীয়া
বি-এচ-চি পৰীক্ষাৰ্থী।

মৰমৰ দামবোৰে
জীৱনটোক একোবাৰ জুখি চালো,
অন্ধকাৰ মৌন পৃথিবীত।
এটি দুটি জোনাকীৰ
কণমান ক্ষীণ পোহৰত
একোকে মনিব নোৱাৰি।
অসীমত সসীম বিচাৰি গৈ
পালতৰা নাওবোৰে
দিক্‌বোৰ হেৰুৱাই,
        এটি দুটি মৃদু খুন্দা মাৰে
        সৰু বৰ হাজাৰ উৰ্মিত।
আৰু তাৰ নাবিকে ?
ভুল কৰে, অজানিতে
ঃ সেইবোৰ পাৰত খুন্দা
কোনোবা অনামী দ্বীপত ঃ।
হাতত এগছি বন্তি   মমৰ পোহৰে
দ্বীপান্তৰ পোহৰাব খুজি
আগবাঢ়ি যায়।
কিন্তু,
অশৰীৰিৰ অজান স্পৰ্শত
মমৰ নগণ্য পোহৰ জঁয় পৰি যায়।
নেদেখাক দেখাৰ সুযোগবোৰো
ইতিমধ্যে
কেনিবা হেৰায়।
নিৰাশাৰ আশাবোৰো মনতে লুকায়।

*        *        *        *

প্ৰপঞ্চ পৃথিবী এইয়া ;
ঢিমিক-ঢামাক জ্বলা
কণমান জোনাকাৰ
ক্ষীণ ক্ষীণ পোহৰ মাথোন।
সেইবোৰেই
পূৰ্ণ পূৰ্ণ লগা জীৱনৰ শূন্য সপোন।
হিয়াৰ অব্যক্ত ভাষা, বুজাবৰ ঠাই নাই ;
মনৰ নেদেখাখিনি নেদেখিবা কাহানিও।
তোমাৰ বহল বুকু
দেখাত কোমল,
নিমিলিত এজুৰি চকুত
আতুৰ চাৱনি কেৱল—।
আজি, মৰমৰ দামবোৰে
জীৱনক জুখি চালো
কাঁচিজোনৰ নিমজ পোহৰত
ঃ তোমাৰ বহল আৰু
দেখাত কোমল বক্ষ
মাথোন
এজুৰি ভাস্কৰ্য্য পাষাণ
কোনোবা যুগৰ ঃ।

# ॥ এখনি ছবি ঃ শাৰদীয় জোনালীৰ ॥

শ্ৰীবিজয় চেতিয়া পাত্তৰ
প্ৰক্-বিশ্ববিদ্যালয়, বিজ্ঞান।

এইয়া সুদূৰ দিগন্ত-মুখী ; জাক জাক বন-পখী
উৰি উৰি গুচি গ'ল, দূৰ দিগন্তলে'
এটি গাই বিদায়ৰ গান।
তিৰ্‌বিৰ্‌ তিৰ্‌ বিৰ্‌ কৰি ; জোনাকীৰ দলবোৰ
লাহে লাহে আহিল কাষলে'
সন্ধিয়াৰ আবেশ সানি
ধৰণীৰ বুকুত।
এইয়া আকাশ মুকলি হ'ল,
এতিয়া বৰষাৰো অন্ত হ'ল,
নাই আজি আকাশত ক'লা ক'লা ডাৱৰৰ দল।
শুকুলা মেঘবোৰ আজি মাথোঁ উৰি ফুৰে
নীল নীল আকাশত –
যেন কমোৱা তুলাৰ দৰে।
বহু-বৰণী ফুলবোৰ
সাৰ পালে এতিয়া
ফুলনি শুৱনি কৰি
নিজকে সজাই ল'লে ;
মসৃণ মলয় পাই
স্নিগ্ধ বিলাই দিলে—
এনি-তেনি
জোনালীৰ সোণালী আভাত।
অতদিন লুকাই থকা
ডাৱৰৰ চেপেনাত
বৰষা বতৰটোৰ গোমা গোমা দিনবোৰ
সেমেকা সেমেকা লগা আমাৰ মনবোৰ
এইয়া ঃ
এইয়া আজি ফৰকাল হ'ল ;
তেনেই উদঙীয়া হ'ল।
এটি দুটি আৰু এটি তৰা
——আকাশত স'উৰা
শেষত অলেখ হ'ল ;
গণিব নোৱৰা হ'ল ;
আৰু ঃ
আকাশৰ তৰা-ফুল লেখি লেখি
আমাৰ মনবোৰো হ'ল খেলি মেলি
সেয়েহে ঃ
নকওঁ নকওঁ বোলা কথাবোৰো আজি
কাৰোবাক দেখোন কৈ কৈ পেলাওঁ
——ক'ম বোলা কথাবোৰো পাহৰি যাওঁ
অনেক বিজুতি ঘটে
কোৱা-নোকোৱাৰ সতে।
বননিৰ মাজতো সেইয়া—
কোনে জানো সুৰ-সমলয় তোলে।
মধুৰ সঙ্গীতৰ তানে জগত সঙ্গীতময় কৰি

তোমাৰ প্ৰাণত হিল্লোল তোলে।
সেইয়া ঃ
জুৰিটিৰেই কল্ কল্ ধ্বনি
ধীৰ গতিত বৈ যোৱা সেউজীয়া বন ফালি
নীৰৱে,
অকলে।
জোনটিকো আজি চোৱা!
শৰতৰেই টুলুঙা নাৱত উঠি
শুভ্ৰ মেঘৰ ঢ'উত বঠা বাই বাই
দূৰে দূৰে আহি স'উ পদুলিৰ শেৱালি জোপাক
নেযাচি নেযাচি যাচি চেনেহৰ চুমা আঁকি দিয়েঃ
মন-মিঠা লাগি যোৱা
যেন মনোলোভা।
কোনোবা কৱিৰ এতিয়া
হয়তোবা কৱিতাৰ ছন্দ উন্মেষ হ'ল।
কোনোবা প্ৰেমিক-প্ৰেমিকাৰ হয়তোবা
এতিয়া প্ৰেমালাপবোৰ
প্ৰেম-মধুৰ হ'ল ঃ
মধুৰ মিলন এই স্বচ্ছল নিদৰ্শন
এইয়া সাক্ষী থাওক, সাক্ষা ৰওক এইয়া—
ঃ এইয়া এটি শাৰদীয়ৰ জোনালী নিশাত।



# ॥ সন্ধিয়াৰ ডায়েৰী ॥

শ্ৰীছত্ৰ ৰঞ্জন দুৱৰা,
স্নাতক মহলা, বিজ্ঞান শাখা।

এতিয়া সন্ধিয়া হল।
ভীৰ হ'ল জনতাৰ
দোকান পোহাৰ ॥
সদ্য পৰিচিত সেই একে গলিয়েদি
ওলাই গলো সন্ধিয়াৰ বজাৰৰ বাবে।
পোনাকণৰ চোলা নাই,
সোণপাহীৰ ঔষধ নাই,
দিনৰ দিনটো অফিচত ফাইল জুমি জুমি
মই জানো ক্লান্ত হোৱা নাই ?
চহৰৰ মাজৰ গলিত
পাগলীজনীয়ে চিঞৰিছে, বিকট চিঞৰ ;
আৰু নৰম ৰেথাৰে ভৰা
এইজাক বাংঢালী গাভৰু ছোৱালী
দোকানে পোহাৰে।
মই ক্লান্ত নহওঁ !
কাৰণ : মিছা আৰু সঁচা এই লাজুকী হাঁহিত
মই পাইছিলো এপিয়লা চাহৰ বেচ,
পাইছিলো আৰু এটি গোলাপী নিছা
এই যেন প্ৰেমত পৰিব।

# :: প্ৰশ্নঃ জীৱনৰ ::

শ্ৰীমাখনী নেওঁগ,
২য় বাৰ্ষিক 'কলা'

এতিয়া সময় হল—
সামৰি থোৱাৰ ; জীৱনৰ অনন্ত
পিপাসা।
এজাক তৰালিৰ সতে জোনটিয়ে
লুকা-ভাকু খেলি নিশান্তৰত
ভাগৰি পৰাৰ দৰে – তুমিও ভাগৰি পৰিছা!
হৃদয়ৰ ৰন্ধ্ৰে, ৰন্ধ্ৰে, বিষাক্ত বীজাণুৰ
ভয়ামগ্না ৰণ— মৃত্যু আৰু মৰমৰ আলিঙ্গন
ক্ষীণাঙ্গী তনুৰ অতৃপ্ত তৃষ্ণা ঃ
আৰু কিমান দূৰ দিগন্তৰ দিশলৈ
সীমা খেদি যাবা ?—কিমান দূৰ ??
ব্যৰ্থ চেষ্টা আৰু ভাৰাক্ৰান্ত মনলৈ,
অলেখ নগ্ন হাঁহিৰে
মুখৰিত কৰা সন্ধিয়াৰ কফিহাউচ,
আকুলি হৃদয়ে যোৱা স্নেহালু হৃদয় বিচাৰি।
কবিতাৰ মাপকাঠিৰে জুখি জীৱনৰ
দাম বঢ়াব খোজা অলীক কল্পনাবোৰ
মনৰ মাজতে সামৰি থোৱা ঃ
নহলে উৰাই দিয়া এচমকা পাতল ডাৱৰৰ দৰে
শূন্য আকাশত।
সৌৱা নতুন এথোপা ৰজনীগন্ধাই তোমাক
স্বাগতম্ জনাইছে পুৰণি পৃথিবীয়ে।

বক্ত কাঞ্চনৰ পাহি-সৰা বেদনা

আৰু ;—

শিল উটুৱা চকুলোৰে হলেও

পথান্তত তুমি

সুৰঁৰি চাবৰ সময় হল ঃ

কিমান পথ আৰু উপপথ পাৰহৈ আহিলা

—আৰু কিমান বাকী ?

তুমি দেখা সেই দিবা স্বপ্ন

স্বপ্ন হৈয়ে ৰ'ল।

বাস্তৱত ৰূপ তাৰ নাপাবা দেখি

সেই স্বপ্নই হল

তোমাৰ জীৱনৰ এক বিৰাট প্ৰশ্ন

নাপাবা সমিধান,-- একোকে নাপাবা—

নাপাবা প্ৰতিদান।

---

# অনন্ত ঘাট, অনন্ত ঘাটৈ

শ্ৰীক্ষীৰোদ বৰুৱা
২য় বাৰ্ষিক (কলা)

[ গল্প ]

"সিহি গাৱঁৰ ছোৱালী"—

কথাষাৰ সি মুখৰ ভিতৰতেই উচ্চাৰণ কৰিলে।

ছোৱালীজাকে ঘাটলৈ পানী নিবলৈ অহা বেহৰূপ চাই চাইয়েই সি নাওখনো চপাই আনিলে তাৰ ঘাটটোৰ কাষলৈ—লাহে লাহে, খুউব লাহে লাহে।

এইটো অনন্তৰ ঘাট। ৰাইজে তাৰ নামানুসৰিয়েই ঘাটটোৰ নাম থৈছে অনন্ত ঘাট আৰু তাৰ নাম অনন্ত ঘাটৈ। সি এই ঘাটটোৰ গৰাকী হোৱাৰ পূৰ্বেই, অৰ্থাৎ তাৰ বাপেক এই ঘাটৰ ঘাটৈ হৈ থকাৰ কালছোৱাত এই ঘাটটোৰ নাম কি আছিল, অথবা তাৰ বাপেকৰ নামেৰেই আছিল নে কি সি নেজানে, আৰু জানিবলৈকো চেষ্টা নকৰিলে। সি মাথোন ইয়াকেই জানে বৰ্ত্তমান এইটো তাৰ ঘাট, আৰু সি আজি এই ঘাটৰ ঘাটৈ। এই ঘাটেদিয়েই বহুতো ইপাৰ হ'ল, বহুতো সিপাৰ হ'ল, বহুতকেই সি ইপাৰ' সিপাৰ কৰি দিলে। ন-পুৰণি, চিনাকি-অচিনাকি বহুতৰেই লগত তাৰ সংমিশ্ৰন ঘটিল। কোনোৱে তাক আদৰতে এষাৰি মৰমৰ মাত মাতিলে. কোনোৱে তাক সহাৰি জনালে, কোনোৱে হয়তো তালৈ ভ্ৰূক্ষেপ নকৰি মাত্ৰ পইচা এটাহে দলি মাৰি দি থৈ গ'ল, কোনোৱে তাক মৰম কৰি এটা পইচা বেচিকৈয়ে দিলে. কোনোৱে হয়তো তাৰ প্ৰাপ্য ফেৰাও দিবলৈ টান পালে। কিন্তু অনন্ত ঘাটৈৰ অন্ত নোহোৱা কাম চলি থাকিল— ইপাৰ আৰু সিপাৰ। ইপাৰ সিপাৰ কৰি থকা কৰ্ত্তব্যত সি আনৰ পৰা কি পালে, কি নেপালে, এইবোৰ ভাবিবৰ তাৰ অৱসৰেই বা ক'ত? পোৱা-নোপোৱাৰ হিচাপ-নিকাচ মনৰ মাপ-কাঠিৰে জুখিবলৈ সি জীৱনত কাহানিও নিশিকিলে, —শিকিবলৈকো যত্ন নকৰিলে।

নাওৰ টিংটোত উঠি সি অলপ দূৰলৈ ডিঙি মেলি চালে, কোনোবা পাৰ হব লগা মানুহ আহিছেনেকি। "নাই কোনো অহা নাই"—কথাষাৰ সি মুখৰ ভিতৰতে গুণ-গুণালে। ছোৱালীজাকলৈ আকৌ এবাৰ সি ঘূৰি চালে। ইজনীয়ে সিজনীয়ে খেদা খেদি কৰি আনন্দত আত্মহাৰা হোৱা ছোৱালীজাকলৈ সি এইবাৰ চাইয়েই থাকিল —এক অবাক চাৱনিৰে। সিহঁতৰ আনন্দ-মুখৰ মিঠা মিঠা হাঁহিৰ খলকনিবোৰ বতাহত

তাৰ কানলৈ ভাহি আহিল। যৌৱন উপচা ডেকা-গাভৰুৰ সান্নিধ্যত, সিহঁতৰ মিঠা মিঠা অশ্লীল ইঙ্গিত-ভৰা হাঁহিত কত কিমান যে যৌৱন বাগৰা বিৰহী পুৰুষৰ অন্তৰত সোঁৱৰণী আহে। সোঁৱৰণীয়ে সেই পুৰুষৰ অন্তৰত এক নিৰ্ম্মল আঘাত দিয়ে, কিন্তু তাৰ প্ৰতিদান স্বৰূপে চকু-পানী টোকাৰ বাহিৰে আৰু একো নেথাকে। মিহি গাৱঁৰ ছোৱালী জাকলৈ চাই চাই আপোন পাহৰা অনন্ত ঘাটৈৰ দুচকুৰেদি দুটোপাল চকুলো অজানিতে বাগৰি আহিল। চকুপানীবোৰ সি হাত এখনৰে মচি দিলে। তপত চকুলো সি অনুভৱ কৰিলে। হঠাতে আজি তাক এই ছোৱালীজাকে বহুত কথাই সোঁৱৰাই দিলে বহুত—কথা। তাৰ কথা, তাৰ বুকুৰ মাণিক মিহি গাৱঁৰ পমিলিৰ কথা। দহ বছৰৰ পাহৰণিয়ে উটাই নিব খোজা তাৰ জীৱনৰ এক করুণ কাহিনী।

"মোক অলপ তোৰ নাওখনত উঠাবিনে অনন্ত কাই ?"

"ওঁ উঠামতো।"

"কেতিয়া ?"

"তই যেতিয়াই গা ধুবলৈ আহ তেতিয়াই।"

পমিলিৰ মৰম লগা মিঠা হাঁহিত ভোল গৈ সি তাৰ নাওখন চপাই দিছিল মিহি গাৱঁৰ ঘাটলৈ। তাৰ নাওত উঠি স্বৰ্গ সুখ অনুভৱ কৰা, মৰম লগা পমিলিজনীক সি লোভ লগাকৈ চাইছিল। হাঁহি হাঁহি কান্দিব পৰা পমিলিজনীক সি নাওত উঠাই লৈ ভটীয়নি সোঁতত নাও এৰি দিছিল বহুত দূৰলৈ দুই হাতেৰে পানীৰ লগত খেমালি কৰি অনৰ্গল কৈ যোৱা তাইৰ মিঠা মিঠা কথাবোৰ সি মাথো শুনি গৈছিল। তাইৰ সেই কথাবোৰৰ মাজত যৌৱন উতলা কৰা বহুতো ইঙ্গিত সি ধৰা পেলাইছিল। তাইৰ কথাবোৰ শুনি শুনি ভেবা লগা অনন্তই কেতিয়াবা নাও বাবলৈকো পাহৰি গৈছিল। ভটীয়নি সোঁতত নাও ভটিয়াই গৈছিল। সিহঁতৰ মাজত থকা প্ৰণয়ৰ নৌকাখনো ভটিয়াইছিল, খুউব সহজতেই—ভটীয়নি সোঁতত নাও ভটিয়াই যোৱাৰ দৰেই। নৈৰ চাক্‌নৈয়াই জাজিবোৰ সামৰি লোৱাৰ দৰেই মৰমৰ চাক্‌নৈয়াই সিহঁত দুটাকো সামৰি লৈছিল। ইটোৱে সিটোক ওচৰতে পাইয়ো বুকুৰ মাজত পাবলৈ বিচাৰিছিল। দিনবোৰ আগুৱাইছিল আৰু সিহঁতৰ হিয়া সাগৰৰ প্ৰণয়ৰ জোৱাৰ দিহিং নদীৰ পাৰ ভঙা প্ৰৱল সোঁতৰ দৰেই চঞ্চল গতিত অবিৰাম বাগৰিছিল।

আগৰ দৰে সেইদিনাও সি পমিলিক নাওত তুলি লৈ ভটীয়নি সোঁতত নাও এৰি দিছিল। নাওত উঠি পমিলিয়ে সেইদিনা একো কথাই পতা নাছিল, মাথোন তাই অনন্তলৈ চাইছিল, খুউব চাইছিল। বুকুৰ চিনাকি পমিলিজনীক অনন্তৰ সেইদিনা কিয় জানো অচিনাকি অচিনাকি লাগিছিল। কথা পতাৰ শক্তি তাৰো হেৰাই গৈছিল। কাহানিও এটা নোচোৱা চাৱনিৰে সিও পমিলিক চাইছিল। চাৱনিত কামনাৰ কামান ফুটিছিল, মুখেৰে ফুটাই কবলৈ লাজ লগা ভাষাবোৰ চকুৰ চাৱনিত বিৰিঙি উঠিছিল।

সেইদিনা তাৰ লাজ লগা মনটোৱেও পমিলিৰ দেহাটো সামৰি লোৱাৰ লোভকণ এৰি দিব নোৱাৰি সি পমিলিৰ নিচেই কাষলৈ চাপি গৈছিল, লগে লগে তাৰ দুগালত পমিলিৰ ওঠৰ তপত চুমাবোৰ সি অনুভৱ কৰিছিল। তাৰ হিয়া পমিলিৰ হিয়াৰ সতে একহৈ গৈছিল। পমিলিৰ বুকুৰ উঠা নমাবোৰ তাৰ বহল নোগাল বুকুখনৰ মাজত লীন হৈ যোৱা সি অনুভৱ কৰিছিল। নাওগৈ পাৰত লাগিছিল। পাৰত কেইজনীমান পানী নিবলৈ অহা ছোৱালীৰ খিলখিলনি হাঁহিত সিহঁত দুটাৰ জ্ঞান ফিৰি আহিছিল। তাৰ বুকুৰ মাজৰ পৰা ওলাই নৈ গৰাৰ আঁৰলৈ লৰি লৰি পলাই যোৱা পমিলিক অনন্তৰ ঘূৰি চোৱাৰ শক্তিও হেৰাই গৈছিল। লাজ আৰু ভয়ত তাৰ গোটেই শৰীৰতে এক কঁপনি উঠিছিল। তাৰ ফাললৈ চাই চাই কথা পাতি থকা ছোৱালী কেইজনীলৈ তাৰ ভয় লাগিছিল। মাঘ মাহৰ নৈ কাষৰীয়া পচোৱা জাকেও তাৰ ঘামি যোৱা দেহা জুৰ পেলাব পৰা নাছিল। তাৰ পাচত, সেই নিষ্ঠুৰ সন্ধিয়াটো আহিছিল যিটো সন্ধিয়াৰ কথা সি আজিও পাহৰি যাব পৰা নাই, হয়তো নোৱাৰিবও।

সেইদিনা সন্ধিয়া তাৰ দুৱাৰ মুখত হৰি হাতোলাক দেখি ভয় আৰু শঙ্কাত তাৰ সৰ্ব্বশৰীৰ কঁপি উঠিছিল। কোনো দিনে খঙ নুঠা হৰি হাতোলাৰ সেইদিনা ৰুদ্ৰমূৰ্ত্তি দেখি কঁপি কঁপি সি হতবাক হৈ গৈছিল। তাৰ পাচত হৰি হাতোলাৰ হাতৰ লাখুটিৰ সেই মাধ মাৰ কেইটা, সি আৰু জীৱনত পাহৰিব নোৱাৰা ধৰণে পৰিছিল। মৰিয়াই মৰিয়াই ভাগৰি পৰাৰ পিচত হৰি হাতোলাই তাক গালিও পাৰিছিল—খুউব পাৰিছিল। হৰি হাতোলাৰ সেই নিৰ্ম্মম গালিবোৰ তাৰ আজিও মনত আছে। উঃ! যি ধৰণৰ গালি মনত নো নাথাকিব কিয়। "নৰাধম জাত কৰবাৰ, তোক মোৰ ছোৱালী লাগে? বাউনা হৈ চন্দ্ৰলৈ হাত মেলিব খুজিছ? তই মোৰ ছোৱালীৰ ওপৰত চকু দিয়াৰ শক্তি পালি ক'ত?" আৰু যে কত অশ্লীল গালি যিবোৰ সি আজীৱন পাহৰিব নোৱাৰে। হৰি হাতোলাৰ লাখুটিৰ প্ৰহাৰত জ্বলা-কলা হোৱা তাৰ শৰীৰত যি এক নিৰ্ম্মম যাতনা উপলব্ধি কৰিছিল সেই যাতনাতেই কেঁকাই কেঁকাই গোটেই ৰাতি সি উজাগৰে কটাই দিছিল বিচনাতেই। নিজৰ ভাগ্যকেই সি ধিক্কাৰ দিছিল। সেইদিনা তাৰ এইটো মহা ভুল হৈছিল। হৰি হাতোলাৰ নিচিনা এজন প্ৰতাপী মানুহৰ ছোৱালী পমিলিক সি আপোন ভাৱে পাবলৈ বিচৰাটো সঁচাই তাৰ ভুল হৈছিল। এৰা সি ভুলেই কৰিছিল। পমিলিৰ লগত সি এনেদৰে হলি-গলি কৰিব নালাগিছিল। সেইদিনা তাৰ কি হৈছিল সি নিজেই বুজিব পৰা নাছিল। পমিলিয়েতো আগেও তাক বহুত সুবিধাই দিছিল, যিবোৰ সুবিধাক সি আওকান কৰি আহিছিল এনেবোৰ কাৰণতেই। কিন্তু সেইদিনা তাক কিহে পাইছিল। সি জানো এইটো ভুল কৰা নাছিল। এইয়া তাৰ ভুলৰ শুধৰণী। নিজকেই নিজে দোষাৰূপ কৰি সি শান্ত্বনা লভিছিল।

পমিলিৰ বিয়া। ঘটনাটো ঘটাৰ কেইদিনমানৰ পাচতেই সি পমিলিৰ বিয়াৰ খবৰটো শুনি তাৰ দুখ লাগি গৈছিল। বুকুৰ কোনোবা এটা চুকত সি অলপ বেদনাৰ বিষ অনুভৱ কৰিছিল। সি মাথোন ভগৱানক কাতৰ হৈ প্ৰাৰ্থনা কৰিছিল পমিলিৰ বিয়াখন যেন সোনকালেই হৈ যায়। পমিলিৰ বিয়াখন শেষ হৈ গৈছিল। সি নিজেই এইখন নাৱে-ৰেই দৰাক পাৰ কৰি দিছিল। এজন ধুনীয়া ডেকা, ঘৰ ডুগডুগাৰ কোনোবা এখন গাৱঁত। সিয়েই আকৌ দৰা-কন্যাক সিপাৰো কৰি দিছিল। কন্যাৰ বেশত সজ্জিতা পমিলিক দেখি তাৰ বুকুখন ভাগি গৈছিল, বেদনাত। জোৰেৰে বাগৰি অহা চকুপানীবোৰ সি ধৰি ৰাখিবলৈ যত্ন কৰিছিল। কঁপি উঠা হাতদুখনৰ মুঠিৰ পৰা বঠা পাট সৰি পৰাৰ ভয়ত মুঠি দুটা অলপ টানকৈ ধৰি লৈছিল।

এইবোৰ—এইবোৰ এইয়া দহবছৰৰ আগৰ কথা। বছৰে বাগৰ সলাইছিল, যৌৱন ভটিয়াই গৈছিল। অতীতবোৰ দিহিং নদীৰ পলশত পোত গৈছিল, লগে লগে অনন্ত ঘাটেৰ অন্ত নোহোৱা ইপাৰ-সিপাৰ কৰি থকা কামো চলি গৈছিল। বহুতকেই সি ইপাৰ-সিপাৰ কৰি দিছিল, বহুতকেই সি সিপাৰ-ইপাৰ কৰি দিছিল—বহুতকেই।

তাৰ নাওখনৰ নিচেই কাষতে এটা মাছে মূৰ ডাঙি তাৰ এই মধুৰ স্বপ্নবোৰ ভাঙি দিছিল। হঠাতেই চক্ খাই টোপনিৰ পৰা সাৰ পোৱাৰ দৰেই উঠি সি সিপাৰলৈ চাই পঠিয়াইছিল। পানী লৈ ঘূৰি যোৱা মিহি গাৱঁৰ ছোৱালীজাক নৈখনৰ কেকুৰিটোত নেদেখা হৈ গৈছিল। তেতিয়া অস্তগামী সূৰুযৰ ৰাঙলি আভাই নৈৰ পানীবোৰ ৰাঙলি কৰি তুলিছিল। পানীৰ ঢৌবোৰৰ লগত আকাশৰ একাদশী জোনৰ ছাঁটোৱে লুকা-ভাকু খেলিছিল। লাহে লাহে নামি অহা ক্ষীণ অন্ধকাৰবোৰ দিহিং নৈৰ বুকুত মিলি গৈছিল।

"মোক পাৰ কৰি দে অনন্ত কাই।" নিচেই কাষতে তিৰোতাৰ মাত শুনি সি ঘূৰি চাইছিল। মাতটো তাৰ বহুত দিনৰ চিনাকি, চিনাকি যেন লাগিছিল।

"এই সন্ধিয়া আপুনি ক'লৈ যাব ?"

"সিপাৰলৈ।"

"সিপাৰৰ কোন গাৱঁলৈ ?"

"মিহি গাৱঁলৈ, তই মোক চিনি পোৱা নাই নহয় অনন্ত কাই ? মই পমিলি"। কথাষাৰ একে উশাহতে শেষ কৰি তাই নৈৰ গৰাৰ পৰা কিছু নামি আহিছিল নাওত উঠিবলৈ।

"পমিলি।"

এটা অফুট চিঞৰৰ মাৰি অনন্ত চৰগ পৰা মানুহৰ দৰে অচল হৈ ৰৈ গৈছিল। যিজনী পমিলিৰ সান্নিধ্যত এদিন তাৰ যৌৱন ভৰা জীৱনৰ সকলো প্ৰেমাঙ্কুৰবোৰ উতলি উঠিছিল, যি পমিলিক সি এদিন আপোন কৰি পাবলৈ বিচৰাৰ ফলতেই হৰি হাতোলাৰ লাখুটিৰ প্ৰহাৰে তাৰ সকলো যৌৱনাঙ্কুৰ নিঃশেষ কৰি দিছিল, সেইজনী পমিলি আজি তাৰ সন্মুখতেই।

"সপোন দেখা নাইতো।"

এৰা, এইজনী পমিলিয়েই। তাৰ শৈশৱৰ পমিলি, তাৰ যৌৱনৰ পমিলি। দহ বছৰৰ পাহৰণিয়ে অচিন কৰি পেলাব পাৰিব জানো ?………

"এই অনন্ত কাই, পাৰ কৰি নিদিয় নেকি ? নাওখন চপাই দেনা উঠি লওঁ।"

"পমিলি, এই সন্ধিয়া তই অকলে।"

………আৰু সি কিবা এটা কব খুজিছিল, কিন্তু কব নোৱাৰি ৰৈ গৈছিল।

"অকলে নাহি কাৰ লগতনো আহিম। যাওঁতে লগত গলো বুলি, আহোতে অকলে আহিব নেপাই নেকি ?" নাওখনৰ টিংটো দুইখন হাতেৰে গাৰ কাষলৈ টানি তাই নাওখনত উঠি পৰিছিল। প্ৰমাদ গণা অনন্তই ক্ষীণাই যোৱা পমিলিৰ দেহা-টোলৈ এবাৰ ভালকৈ চকু ফুৰাইছিল। কণ্ঠ তাৰ ৰোধ হৈ গৈছিল। প্ৰকাশ কৰিব নোৱাৰা এক অব্যক্ত বেদনাত তাৰ অন্তৰখন দেই পুৰি গৈছিল।

"এই অনন্ত কাই, ৰৈ আছ কিয় ? নাওখন চলাই দে আকৌ।"

লাহে লাহে সি নাওখন চলাই দিছিল নৈৰ মাজলৈ—সিপাৰলৈ। আজি এই দহ বছৰৰ পিচত লগ পোৱা পমিলিজনীক সি বহুত কথাই কব খুজিছিল তাইৰ কথা, তাইৰ গিৰিয়েকৰ ঘৰখনৰ কথা। কিন্তু সি একোকে কব পৰা নাছিল। অলপ আগেয়ে সি যিজনী পমিলিৰ কথাকেই ভাবি চকুলো টুকিছিল, এতিয়া সেইজনী পমিলিয়েই তাৰ নাওত। কথা পতাৰ শক্তি নো বাৰু ক'ত থাকিব।

"এইয়া ইপাৰ হৈছো, সিপাৰ আৰু নহওঁ অনন্তকাই। জান অনন্তকাই, মই একেবাৰেই গুচি আহিলো।"………

"একেবাৰেই গুচি আহিলি ?"

"ওঁ, একেবাৰেই গুচি আহিলো—অনন্তকাই, মই একেবাৰেই গুচি আহিলো। তই নুবুজিবি, আজিৰ দৰে সেইদিনাও মই কান্দিছিলো, খুব কান্দিছিলো। চকুৰ পানীৰে মই বাট নেদেখা হৈছিলো, মই কান্দিছিলো। তথাপিও মোৰ বিয়া হৈছিল, আই-বোপাইয়ে তেওঁলোকৰ পছন্দ মতেই মোক ঘৰৰ পৰা উলিয়াই দিছিল, যোল্লটা বছৰে ডাঙৰ-দীঘল কৰি কন্দুৱাই কন্দুৱাই চিৰদিনৰ বাবেই বিদায় দিছিল, এজন অচিন মানুহৰ হাতত মোক গটাই দিছিল—পো হব, নাতি-নাতিনী হব, ধুনীয়া সংসাৰ হব, সুখেৰে দুবেলা-দুমুঠি খাব, আনন্দেৰে দিন কটাব এইবোৰেই হয়তো তেওঁলোকৰ আশা আছিল।" কিন্তু ……… শেষৰ কথাষাৰ কব নোৱাৰি তাই হুক্-হুককৈ কান্দি দিছিল। হঠাতে মুৰটো আঠু দুটাৰ ওপৰত থৈ পাৰে মানে খুন্দিয়াই-ছিল হয় মুৰটো একেবাৰেই শেষ হৈ যাওক নহয় সোঁ মাজে মাজে সমানে দুফাল হওক। অনন্তইয়ো ঠৰ লাগিছিল। এবাৰ, হঠাত চেতনা পোৱা মানুহৰ দৰে ঠিয় হৈ পমিলিৰ নিচেই ওচৰলৈ চাপি আহি চকুৰ পানী মচি দিবৰে মন কৰিছিল, কিন্তু সি নোৱা-ৰিলে। মাত্ৰ তাৰ মুখৰ পৰা আপোনা আপুনি ওলাই আহিল এষাৰ কথা—কি হ'ল পমিলি ? তোৰ কিবা হলনেকি ?"

"মোলৈ তোৰ মৰম এতিয়াও আছে

নেকি—অনন্তকাই ?''

"আছে, পমিলি। সঁচাকৈ আছে।'

"কিন্তু তেওঁৰ দেখোন মোলৈ মৰম অকণিও নাই--থকা হলে ..... ।" পমিলি হঠাৎ বৈ গ'ল। চলচলীয়া চকুজুৰিৰে অনন্তলৈ একে থিৰে চাই থাকিল।

"পমিলি, কি হ'ল তোৰ ? কৈ দেনা।"

"তেওঁ আৰু এজনী বিয়া কৰালে—অনন্তকাই। মই হেনো সেইজনীৰ তুলনাত একোৱেই নহয়। মোৰ হেনো মাতৃত্ব লাভ কৰিব পৰা তেনে কোনো ক্ষমতাই নাই। তইয়ে কচোন অনন্তকাই,—সেইটো জানো মোৰ দোষ। আজি পাঁচ বছৰে সন্তানহীনা হৈ থকাটো কেৱল জানো মোৰেই দোষ। পুৰুষবোৰ ইমান নিষ্ঠুৰ ইমান কঠোৰ ইমান দয়া-মমতাহীন কিয়—— হয় অনন্তকাই ?"

"তোক মাৰেও নেকি পমিলি ?"

"সেইবোৰ একোৰেই বাকী থোৱা নাই। বুজিছ অনন্তকাই কেইদিন কেইৰাতি যে অকলে বাহিৰত আছো—কিমান যে অনাহাৰে দিন কটালো সেইবোৰ দুখ কোনে বুজিব, কোনে পতিয়াব অনন্তকাই। তথাপিও জানো সেইজনৰ মনত শান্তি আছে। মোক এইবাৰ একেবাৰে বাজ কৰিহে বোধকৰো শান্তি পাইছে—তাকেই হয়তো ইমান দিনে কামনা কৰিছিল। এইবাৰ মই চিৰদিনলৈ এইপাৰ হৈছো -- সিপাৰ আৰু কোনো কাহানিও নহয়— অনন্তকাই কোনো কাহানিও নহয়। তেওঁ আৰু মোক কোনোদিনেই নিবিচাৰে।" তাই পুনৰ কান্দিছিল।

পমিলিৰ বেদনাৰে ভৰা কথাবোৰ শুনাৰ ধৈৰ্য্য অনন্তৰ শেষ হৈ গৈছিল। পমিলিৰ গিৰিয়েকলৈ তাৰ খুউব খঙ উঠিছিল। খঙ আৰু বেজাৰত অধৈৰ্য্য হৈ সি গাখোন পমিলি বুলি চিঞৰ দিছিল, ডাঙৰকৈ খুউব ডাঙৰকৈ। "অনন্তকাই, তোক মই পাহৰা নাই, আৰু হয়তো নেপাহৰিমও। পৃথিবীত একমাত্ৰ তই হে মোক চিনি পাৱ, তই হে মোক ভালকৈ জান। তোৰ বাহিৰে আৰু মোক কোনেও চিনি নেপালে, কোনেও মোক নেজানিলে। তই মোক ক্ষমা কৰিব পাৰিবি অনন্তকাই।"

লাহে লাহে চাপ অহা পমিলিজনীক তাৰ বহল বুকুখনৰ মাজলৈ চপাই আনিছিল। পমিলিক বুকুৰ মাজত লৈ তাইৰ খেলিমেলি মুৰৰ চুলিবোৰত হাত বোলাই অনন্তই ভাবিছিল।সি আজি হৰি হাতোলালৈ ভয় নকৰে কাৰণ তেওঁ মৰি আজি দেৱতা হৈ গৈছে আৰু তেওঁ আজি জীয়াই থকা হলেও সি হয়তো ভয় নকৰিলেহেতেন। নাওখন ভটিয়নী সোঁতত ভটিয়াই গৈছিল। আকাশৰ এচপৰা কলা ডাৱৰৰ মাজৰ পৰা জোনটো লাহে লাহে ওলাই আহি পৃথিবীখন অলপ পোহৰ কৰি তুলিছিল। পমিলিৰ চকুৰ পৰা ওলাই অহা চকুপানীবোৰ হাত এখনৰে মচি

অনন্তই তাইৰ মুখলৈ চাইছিল— খুউব বাগৰি অহা এবাৰ কথা কেওফালে প্ৰতিধ্বনিত হৈছিল—পমিলি তুমি ইমান ধুনীয়া।... চাইছিল আৰু লাহে লাহে অনন্তৰ মুখৰ পৰা

---

## ঃ দুটি অসম্ভৱ চুটি গল্প ঃ

### —প্ৰথম—

"Sail, gail, wail."

অৰ্থাৎ,— এখন নাওত এজাক মানুহে সমুদ্ৰ যাত্ৰা কৰিছিল। হঠাৎএজাক ধুমুহা আহিল। অলপ পিচত নাওৰ যাত্ৰীবোৰৰ কান্দোনৰ ধ্বনি পাৰৰ মানুহে শুনিবলৈ পালে।

### —দ্বিতীয়—

চলন্ত ৰেল এখনৰ কোঠা এটাত এজন যাত্ৰীয়ে তলমুৰকৈ বাতৰি কাকত এখন পঢ়ি আছিল। পঢ়ি থকা যাত্ৰীজনে কোঠাত থকা দ্বিতীয়জন যাত্ৰীক উদ্দেশ্য কৰি সুধিলে— "আপুনি ভূত বিশ্বাস কৰেনে?" মুখেৰে অস্ফুট শব্দ কৰি দ্বিতীয়জন যাত্ৰী বহি থকা ঠাইতে অদৃশ্য হৈ গ'ল।

[ সংগ্ৰহ ]

---

# ঃ দুটা উল্কা ঃ

[ গল্প ]

শ্ৰীজীৱন ৰাজখোৱা
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী (কলা)

অকণমানি জপনাখন খুলি পলাসে পদূলি মুখৰ তাল গছ-জোপালৈ চাই তাৰ সৰু ঘৰখনৰ পৰা ওলাল। কিন্‌কিনীয়া ৰৰষুণ আৰু হিমচেচা বতাহজাকে তাক শীতলাই তুলিলে। ফাগুনৰ ফেৰ্‌ফেৰীয়া বতাহজাকে তাক জাৰ লগাই দিলে। হিম-শীতল বতাহজাক তাৰ ভাল নালাগিল। সি ৰোমান্তিক যুগৰ কবি হোৱা হলে এই বতৰটো তাৰ খুব ভাল লাগিলহেঁতেন কিজানি। কিন্তু আজিৰ এই কৰ্ম্মব্যস্ততাৰ যুগটোৱে তাক কল্পনাৰ ডেউকাত উঠিবলৈ আজৰি নিদিয়ে বুলি সি জানে। দুবেলাৰ বাবে হাহাকাৰ কৰা মানুহ কল্পনা বিলাসী হব নোৱাৰে। পলাসে এবাৰ তাৰ পোছাকটোলৈ চালে। তাৰ বৰ ভাল নালাগিল। সভ্যতাৰ পৰা ওপজা লাজটো তাৰ মুখতো কিছু বিৰিঙিল। কেইবা দিনৰে পৰা ৰ'দ দিয়া নাই। গাড়ী-মটৰ গৈ চৰকাৰী বাট-পথবোৰো তেনেই বোকাময় কৰি থৈছে। তেতিয়া প্ৰায় দহটা বাজি গ'ল। পলাসে বিজুহঁতৰ ঘৰৰ পৰা ইস্ত্ৰিটো আনি কাপোৰ দুটা ইস্ত্ৰি কৰি লওঁতেই কলেজলৈ ওলোৱাত তাৰ কিছু পলম হল। তাৰ চাইকেলখনো টায়াৰ আৰু টিউব একেবাৰে বেয়া হৈ থকাত উপেন কাইৰ চাইকেল দোকানত পেলাই থৈছে পইছাৰ অভাৱত। আলিটোৱেদি কাম-হাটৰ মানুহবোৰ বেগা-বেগিকৈ পাৰ হৈ যায় পলাসৰ আগেদি। ডাৱৰ কিছুমানে তেতিয়া আকাশৰ বুকুত অবাধ গতিৰে পূবা-পশ্চিমা কৰি আছিল। তাৰ মনটো আকৌ বৰ বেয়া লাগিল। মেট্ৰিক পাছ কৰি কাম বিচাৰি হায়ৰাণ হোৱাৰ পাচত কলেজ পঢ়াৰ ইচ্ছা তাৰ নাছিল। কিন্তু তথাকথিত বিশ্ববিদ্যালয়ৰ ডিগ্ৰীটোৰ মোহে তাকো এদিন টানি নিলে। ধাৰ-ঋণ কৰি পলাসে কলেজত নামটো লগাই পেলালে আজি প্ৰায় তিনি বছৰৰ আগতে। মটক গাৱঁৰ দোকানৰ সম্মুখত এৰিয়া কাপোৰ জোপ মাৰি দুটামান লৰাই মাৰ্ব্বল খেলি থকা সি দেখিলে। পলাসৰ গাত গৰম কাপোৰৰ গ-টোও নাছিল। এটা মামুলি পৰিস্কাৰ পোছাক পিন্ধি সি কলেজলৈ অহা-যোৱা কৰে। অৰ্থ নৈতিক সংঘাটে বেতাক যে জুৰুলা কৰিছে তাক দেখিলেই বহুতৰ ধাৰণা হয়। আধুনিক যুগৰ পৰিস্থিতিয়ে তাৰ নিচিনা সাধাৰণ মানুহ বোৰক বিপ্লৱী কৰি তোলা খুব স্বাভাৱিক। ডেকা পলাসৰ ভাল ফুটবল খেলে বুলি এটা

ভাল খ্যাতি আছে। চেক্রেটেৰিৰ লগত ভাল খাতিৰ-বাত্তিৰ নথকা বাবেই সি যোৱাবাৰ 'ডিচ্‌ট্ৰিকত'ৰ ফালে খেলিবলৈ সুবিধা নাপালে। সি কাকো "তেল" দিব নোৱাৰে। কিবাবোৰ ভাবি সি গৈ থাকে বাটটোৱেদি। তাৰ কেতিয়াবা নিজক্কে বাজে লৰা যেন লাগে। ছোৱালী চোৰা ডেকা লৰাক যদি বেয়া লৰা আখ্যা দিব পাৰি তেনে সিও বেয়া লৰা। পলাসে তাৰ ছকুটীয়া দেহটোৰে হলং হলং কৈ গৈ থাকিল। তাৰ চৌকাষৰ পৰিৱেশটো সি বৰ বেছিকৈ মন নকৰিলে। বেলি চাইকেল এখন চলাই যোৱা বীৰেণক দেখি পলাসে চিঞৰি মাতিলে—।

"ঐ বীৰেণ কমসে কম মোকোতো লৈ যা ভাই।"

"না, না দুচ, ডাবল কেৰি কৰা মোৰ অভ্যাস নাই, আৰু ডবল উঠানয়া। এনে অনৈতিকতাৰ কাম মই কৰিব নোৱাৰো।" বীৰেণ গুচি গল। শেষ কথাষাৰ শুনি পলাসৰ হাঁহি দিবৰ মন গৈছিল।

'যা যা ভাই তইঁতৰনো কোন দিনা অভ্যাস হব। বিপদত এজন ব্যক্তিক সহায় কৰিব পৰাটোহে নৈতিকতা বীৰেণ।" বিপদত এজন ব্যক্তিক সহায় কৰিব নোৱাৰিলে সমাজপাতি থকাৰ কি ফৈদা আছে বুলি পলাসে ভাবিলে। একো নাই, ঠিক আছে বুলি পলাসে পুনৰ খোজ কাঢ়ি গ'ল। আলিৰ দাঁতিত এখন ধুনীয়া 'এম্বেচাদৰে' পলাসক কিছু বোকা-পানী চতিয়াই থৈ গ'ল। তাৰ মনে মনে খঙো উঠিল—কিন্তু সি নিৰুপায়। সি হাতৰ আঙুলি এটাৰে টুক টুক কৈ টুকুৰিয়াই বোকাবোৰ গুচাই পেলালে। সদায় চাইকেলত যোৱা পলাস খোজ কাঢ়ি গৈ ভাল নালাগিল। তাৰ ঘৰৰ পৰা কলেজখনো বহুত দূৰত হল।

পলাস বিশ্ববিদ্যালয়ৰ কীৰ্ত্তিত্ব অৰ্জ্জা লৰা নহয়। কেৱল কিতাপ পঢ়ি থাকিবৰ ভাৰহেনো আজৰি নাই। পঢ়ি পঢ়ি থকা হলে সিও কিজানি বহুত নাম কৰি আই. এ, পাছ কৰি দিব পাৰিলেহেঁতেন। পৰীক্ষাৰ শেষ দিনালৈকে সি তাৰ ক্লাচৰ পাঠ্য-পুথিবোৰ যোগাৰ কৰি লব পৰা নাছিল। পৃথিবীৰ সকলো কথা বাদ দি কেৱল পঢ়ি পঢ়ি সসন্মানে "চাৰ্টিফিকেট" পোৱা পৰীক্ষাত পাছ কৰি যোৱাতো পলাসে বিশেষ গৌৰৱৰ কথা নহয় বুলি ভাবে। পলাসে নিজকে আনতকৈ "গাধা লৰা" বুলি কেতিয়াও নাভাবে। বহুতো শিক্ষকে ছাত্ৰক "বেয়া লৰা" বুলি কৈ কৈ ভাল লৰা হবলৈ অকণো উৎসাহ নিদিয়াটো সি ভাল নাপায়। ঘৰুৱা পৰিস্থিতিয়ে পলাসৰ জীৱনটোলৈ বহুতো বেমেজালি আনি দিছে। ঘৰৰ তেলনিমখৰ আৰু অলেখ বাৰেকুৰি আৰ্থিক চিন্তা লৈ 'পাছ' কৰি যাব পৰাটো পলাসে ডাঙৰ কথা বুলি ভাবে। 'ছাত্ৰানাম্ অধ্যয়নং তপঃ" কৰিলে তাৰ নিচিনা লৰাবোৰে আৰ্থিক দুৰাৱস্থাত পৰি অলপো পঢ়িব নোৱাৰিব। স্কুল কলেজৰ 'ফ্ৰিছিপ' আৰু 'ইছকলাৰছিপ"-বোৰ হল কেৱল তেলিৰ মুৰত তেল দিয়া জাতৰ। "পঢ়াই পঢ়ে কৰে পান, এই তিনিয়ে নিচিন্তে আন"— এই নীতি

কথাবাৰো পলাসৰ নিচিনা লৰাবোৰৰ ক্ষেত্ৰত বাতিল হৈ গৈছে। পলাসে কেৱল পঢ়ি পঢ়ি থাকিব নোৱাৰে। সি জীয়াই থাকিবলৈ হলে বহুত কিবা কিবি কৰিব লাগিব। ধনীক দলৰ লগত পলাসকো জুটি দিলে তাৰ প্ৰতি কিছু অন্যায় কৰা হব। মুঠতে তাৰ জীৱনৰ পৰিবেশ আৰু পৰিস্থিতিয়ে তাক কিছু "ৰটানক" আৰু ধুৰন্ধৰ কৰি তুলিছে। সেই বাবেই সি তথাকথিত প্ৰগতিবাদী আৰু তথাকথিত স্পষ্টবাদী সকলৰ চকুত বেয়া লৰা হব পাৰে। কিন্তু এই তথাকথিতবোৰ বৰ বিপদজনক বস্তু বুলি পলাসে জানে। ধনাঢ্য পৰিয়ালৰ লোকসকলো হয়তো তাক বেয়া পাব পাৰে—তাৰ বাবে পলাসে "কেয়াৰ" নকৰে। সি সঁচা কথা কৈ মৃত্যু হোৱাতো মিছা কথা আৰু "তেল" দিয়া কথা কৈ জীয়াই থকাতকৈ শ্ৰেষ্ঠ বুলি ভাবে।

পলাস ডেকা লৰা। ফাগুনৰ বতাহ জাকে তাক কিছু উতন্মুৱা কৰি দিয়া অস্বাভাৱিক নহয়। সেই বাবে তাৰ ফাগুনীয়া মনটোৱে কোনোবা লাহি দেহৰ নিতম্বী গাভৰুৰ ৰূপ কল্পনা কৰাও স্বাভাৱিক। কল্পনাক যে একেবাৰে বাদ দিব নোৱাৰি বাস্তৱবাদীসকলেও এই কথা স্বীকাৰ কৰে। যৌৱনত কোনোবা "মাধুৰী"ৰ ৰূপ কল্পনা কৰাতো পৃথিবীৰ পুৰণা কথা। ডেকা লৰাই গাভৰু ছোৱালীৰ কথা নাভাবিলে কিজানি ভগৱানৰ সৃষ্টিয়ে অচল হৈ যাব। জীৱন যৌৱনক উপভোগ কৰাৰ কথা পলাসে ভাবে যদিও প্ৰত্যেক বিহুৱে উৎসৱে তাৰ জীৱনত আনন্দ নানি আনে বহুত বিষাদ বেদনা। অৰ্থনৈতিক বা সংঘাটে পলাসৰ দৰে বহুতৰে মুখৰ হাঁহি হৰি নিছে। কিয় নিছে—ইয়াৰ উত্তৰ পলাসে দিব পাৰে এক শ্ৰেণী মানুহৰ ওচৰত জগৰীয়াহৈ। এদিনা বন্ধু জয়ন্তে পলাসক "পিকনিকলৈ" লগ ধৰি সুধিছিল —।

"তই পিকনিকলৈ নাযাব পলাস? ওলাবি ভাই আমাৰ লগত কলেজৰ বহুত ছোৱালীও যাব—সোণালী যৌৱনক প্ৰকৃতিৰ নিৰ্জ্জন কোলাত উপভোগ কৰিবলৈ। ওলাবি ভাই।"

"বন্ধু জয়ন্ত তোৰ আগত কিছু কবিত্ব কৰিয়েই কব লাগিব বুজিছ।"

"কচোন।"

"বুজিছ, জীৱনৰ এই ভৰ দুপৰীয়া, জন কোলাহলৰ মাজৰ পৰা এদিন এধন্তেক আঁতৰি গৈ সবুজ প্ৰকৃতিৰ নিৰ্জ্জন কোলাত কোনোবা পাহাৰৰ দাঁতিত, কোনোবা জুৰিৰ পাৰৰ ৰেচম কোমল ঘাঁহনি এডৰাত বহি কোনোবা প্ৰথম চিনাকী লিচ-পিচিয়া ছোৱালীৰ লিহিবা-লিহিৰী বেণী এডাল চুই চুই কিছুমান অসংখ্য লাগ-বান্ধ নোহোৱা, সঁচা মিছা হাঁহি উঠা কথা পাতি যৌৱনক উপভোগ কৰিবলৈ কাৰ ইচ্ছা নাই বাৰু— ? কিন্তু পিকনিকৰ নামত দহ টকা দিব লাগিলে আমাৰ সৰু পৰিয়ালটোৰ পাঁচটি প্ৰাণী চাৰি দিন অনাহাৰে থাকিব লাগিব।"

"বেচ কৰিত্ব কৰিছতো— কিন্তু বৰ বেদনাময়।"

দুয়োটাই কিছু হাঁহিলে।

পলাসৰ কিছুমান কথা মনত পৰিল। কিবাবোৰ ভাবি খোজ কাঢ়ি কাঢ়ি সি গচকি অহা বাটটোলৈ এবাৰ ঘূৰি চালে। কামিজৰ "কলাৰটো" দাঙি সি বুতাম এটা মাৰি ললে। তাৰ গৰম "চুট" এজোৰ থকা হলে সিও বহুতো মানুহৰ দৰে "গেচত" থাকিব পাৰিলেহেঁতেন। জাৰ লাগিলেও পলাসে কলেজ ক্ষতি কৰিবলৈ টান পায়। নিতৌ কলেজৰ লাহিদৈহঁতক এবাৰ নেদেখিলে বহুতো লৰাৰ মনটো বৰ ভাল নলগাৰ দৰে তাৰো মনটো ভাল নেলাগে। কিছুমান লৰাৰ নিতৌ কলেজলৈ যোৱাতো এটা 'চখ্' হয়তো হব পাৰে। কলেজ স্কুল নহয়। চেকনীৰ ৰাজত্ব তাত নাই। নিতৌ নিৰ্ভয়ে গৈ ৰঙা নীলা শাৰীৰ কাষত বহি আৰাম আছে। কলেজত বহুতো লৰাৰ পঢ়াৰ খকটোতকৈ ছোৱালী চোৱাৰ খকটোহে বেচি। প্ৰশান্তৰ দৰে পলাসেও ভাবে— নিতৌ এজনী নতুন ছোৱালীৰ লগত চিনাকী হৈ কথা পাতিব পৰাটো সৌভাগ্যৰ হে কথা। বাটটোত পলাসৰ যথেষ্ট জাৰ লাগিল। জাৰ লাগিলেও সি নলগাৰ ভাও ধৰি থাকে। ঠাণ্ডাৰ দিনত কাৰোবাৰ জাৰ নালাগিলেও এটা গৰম 'চুট' পিন্ধি থকা ভাল, নহলে মানুহে বৰ গৰিব বুলি ভাবি লব। পলাসে নিজৰ দুৰ্ব্বলতাক সকলোৰে আগত প্ৰকাশ কৰিবলৈ টান পায়। তৃতীয় বাৰ্ষিকৰ ছাত্ৰ মাখন বৰুৱাই এটা দামী চুয়েটাৰ আৰু 'এচুট' দামী গৰম কাপোৰ পিন্ধিও যেতিয়া বৰ জাৰ বৰ জাৰ বুলি কৈ থাকে তেতিয়া পলাসে সস্তীয়া পাতল পোছাকটো পিন্ধি বহুত কথাই ভাবি পেলায়। কলেজীয়েট সকলৰ লগত নিজকে খাপ খোৱাই লব নোৱৰাৰ বাবে পলাসৰ কেতিয়াবা ভাবি বেয়া লাগে। ইয়াৰ বাবে সি তাৰ অৰ্থনৈতিক অৱস্থাটোকে দোষে। এজোৰ ভাল কাপোৰ লব নোৱাৰিলে আজি তথাকথিত ভদ্ৰ সমাজটোৱে পলাসৰ নিচিনা সাধাৰণ মানুহক একো মূল্য নিদিয়ে। সমাজত মানুহ বোলাই থাকিবলৈ হলে লাগে প্ৰচুৰ অৰ্থোপাৰ্জ্জন। গান্ধী, বিবেকা, বিনোৱাজী আদিৰ কথা বেলেগ। তেখেতসকলৰ পাচত অগাধ সম্পত্তি আছিল বাবেই সকলো ত্যাগ কৰি মানৱৰূপে চিনাকী দিবলৈ বিশেষ সুযোগ পাইছিল। পলাস সাধাৰণ মানুহ। জীয়াই থাকিবলৈ যিখিনি প্ৰয়োজন তাৰ পৰাও পলাসৰ দৰে সাধাৰণ মানুহবোৰ বঞ্চিত। গৌতম্, টলষ্টয়, গান্ধী, নেহেৰুকো পলাসে কেতিয়াবা বৰ মূল্য দিব নোখোজে। কিয়নো তেওঁলোকে অৰ্থনৈতিক আৰু ঘৰুৱা অশান্তিৰ পৰা সদায় আঁতৰত আছিল। নিজৰ পৰিয়ালক মহা সুখত থৈ তেওঁলোকে সমাজৰ কাম কৰিছিল। নেহৰুৱে সৰ্ব্বসাধাৰণৰ প্ৰাণৰ বেদনা কি তাক আৱিষ্কাৰ কৰিব পৰা নাই বুলি পলাসে ভাবে। আব্ৰাহাম্ লিঙ্কনৰ নিচিনা নেতাৰ প্ৰতি পলাসৰ অৱশ্যে গভীৰ শ্ৰদ্ধা আছে। পলাসৰ কিছুমান কথাত— বহুতো মানুহে হঃতো তাক ক্ষমা নকৰিব। কিন্তু অৰ্থনৈতিক সংঘাটে তাক কেনেকৈ জ্বলাই দিছে মানুহে

জানো নাই দেখা। পলাস সাধাৰণ মানুহ বাবেই সি সাধাৰণ কথাবোৰ ভাবে। কিছুমান কথা ভাবি তাৰ প্ৰচলিত সমাজনীতি ৰাজনীতিবোৰৰ ওপৰত থং উঠি যায়। তাৰ বাবে তাক বিপ্লৱ লাগে। বিপ্লৱৰ প্ৰয়োজন। পলাসৰ প্ৰাণৰ ভিতৰত কেতিয়াবা মন আৰু বিবেকৰ দ্বন্দ হয়। কোনটো ভাল কোনটো বেয়া সি থিতাতে থিৰাং কৰিব নোৱাৰে। কিছুমান সাধাৰণ কথা ভৱাৰ পাচত কিছুমান অসাধাৰণ কথা সি ভাবে। এইবোৰ তাৰ গতিশীল ভাবনা। ভাববোৰ গতিশীলেই। দৈনন্দিন জীৱনৰ অযুত ভাবনাই মনৰ পৰ্দ্দাত বহুতো ভাবনাৰ সমাবেশ ঘটায়। সেয়েহে মনৰ পৰ্দ্দাখন এক্কে ৰঙৰ নহয়। তাৰ ভাববোৰ কেতিয়াবা মাৰ্ক্সপন্থী হৈ যায়। সি কিন্তু কাকো অন্ধ ভাবে অনুসৰণ নকৰে।

"ড্ৰেচৰ বাহাৰ" নহলে বহুতো লৰাৰ কলেজ পঢ়াৰ অসাৰ্থক যেন লাগে। জ্ঞানৰ বাবে খুব কম লৰাইহে কলেজ পঢ়ে। কলেজত যৌৱনৰ কিছু উপভোগ কৰি ডিগ্ৰীধাৰী ভদ্ৰ হোৱাৰহে সৰহ ভাগৰে এটা ক্ষীণ প্ৰচেষ্টা মাথোন। জীৱনত এবাৰহে পোৱা যৌৱনক হেপাহ পলোৱাই উপভোগ কৰাৰ পথ আৰু পদ্ধতি নাজানি সোণালী যৌৱনক অসৎ ব্যৱহাৰ কৰা ইচ্ছা বহুতো লৰাৰ দৰে পলাসৰ অৱশ্যে নাই। এইবাৰ কথাকে এদিন তাৰ বন্ধু কিশোৰৰ আগত কোৱাত কিশোৰে কলে—

"তোৰ দৰে বহুতেই ভাবে পলাস—অথচ শেষত যৌৱনক নি বেশ্যাৰ ঘৰত গতাব লাগে কিয় ?"

"এইটো ঠিক প্ৰশ্ন কিশোৰ। অৰ্থ নৈতিক সংঘাটে যেতিয়া মানুহক নিৰ্দ্দিষ্ট সময়ত বিয়া কৰাৰ পথ মুকলি কৰি নিদিয়ে আৰু যেতিয়া সেই সময়তে যৌৱনৰ কামনা বাসনাইও মানুহক ভীষণ আমনি কৰে তেতিয়াই অকণমান যৌন সুখৰ বাবে সাধাৰণ মানুহে ধৰ্ম্ম আৰু নৈতিকতাৰ পাৰ ভাঙি বেশ্যাৰ ঘৰলৈ লৰ মাৰে, আন্ধাৰৰ আঁৰে আঁৰে যাতে সমাজত নিজৰ মান সন্মান হানি হৈ অপমানিত নহয়। এইয়া সাধাৰণ মানুহৰ কথাহে কৈছো। ধনীক দল ইয়াতকৈও জঘন্য।"

থাৰ্ড ইয়েৰৰ ছাত্ৰী বন্দনাৰ প্ৰেমত পৰিবলৈ পলাসৰ চিনাকী উৎপলে বহুত বাৰ চেষ্টা কৰি আহিছে। কলেজৰ ছোৱালীয়ে চকুৱে চকুৱে চাই প্ৰেমত নপৰে। এইটো ৰজা দুষ্মন্ত-শকুন্তলাৰ যুগ নহয় যে বিনা যুক্তিৰে কোনোবাই কাৰোবাৰ প্ৰেমত পৰি যাব। পলাসে এদিন উৎপলক কলে—

"মই জানো উৎপল, তোৰ তেজত অশেষ কামনা আছে। পৃথিবীত কোনো কালেই তেজৰ ৰহস্য শেষ নহয়। কিন্তু তেজেই সকলো নহয়। বন্দনাক পাবলৈ জানো তই সাধনা কৰিছ ?"

"মেজিষ্ট্ৰেটৰ জীয়েক বন্দনাক পাবলৈ কি মই সাধনা কৰিম! মোৰ টকা আছে, মটৰ আছে, ধুনীয়া ঘৰ আছে, এটা Star-like চেহেৰা আছে—প্ৰেমত পৰাৰ সকলো আহিলা-পাতি মোৰ আছে। মই জানো বন্দনাই কোনো থাবলৈ নোপোৱা মানুহৰ প্ৰেমত নপৰে। কাৰণ তাই বিচৰা বস্তুবোৰ

তেওঁলোকৰ লগত নাই। বন্দনাই জানে কেৱল প্ৰেমেৰে মানুহ জীয়াই নাথাকে— জীয়াই থাকিবলৈ লাগে প্ৰচুৰ ধন-দৌলত।

উৎপলৰ কথাত কিছু বুৰ্ব্বকামি ফুটি উঠা দেখি পলাসৰ হাঁহি দিবৰ মন গৈছিল।

"এৰা উৎপল— বন্দনাৰ ৰূপ আছে। বন্দনাৰ গাভৰু গালৰ প্ৰতিটো চুমাৰ দাম হয়তো হেজাৰ টকা হব পাৰে কিন্তু তাইৰ প্ৰাণত জ্যোতি নাই। বন্দনাৰ দৰে ধুনীয়া ছোৱালীবোৰে এজাক ডেকাক জাক্‌ফুৰা গৰুৰ দৰে পাচে পাচে দৌৰাই ফুৰাই আনন্দ পায়। কিন্তু নিৰ্দ্দিষ্ট সময়ৰ পাচত বন্দনাৰ ৰূপো মহাৰাণীৰ টকাৰ দৰে অচল হৈ যাব।"

উৎপল নিমাত।

পলাসে বহুত কিবাকিবি ভাবি চিনাকী বাটটোৰেদি গৈ থাকে কলেজলৈ বুলি। 'পকেট'টো হেপিয়াই চাই দেখে যে তাৰ জেপত দুটা টকা আছে। সি এবাৰ 'ৰিক্‌ছ'ত যোৱাৰ কথা ভাবিলে। "চিটিবাচ" পোৱাৰ সময় তেতিয়া পাৰ হৈ গ'ল। সি ভাবিলে কলেজলৈ 'ৰিক্‌ছ' ভাড়া 'কমসে কম' বাৰ অনা লব। বাকী থাকিব এটকা চাৰি অনা। "বিশ সাল বাদ" নামৰ ফিল্মখন চোৱাৰ কথাও এবাৰ ভাবিলে। ফিল্ম চাই উঠি 'গ্ৰাণ্ড হোটেল'ত চিঙাৰাৰে সৈতে চাহ একাপ নাখালেও তাৰ মনটো মুকলি নালাগে। দ্বিতীয় শ্ৰেণীত কম পইছাতে যোৱাৰ কথা সি এবাৰ ভাবিলে। প্ৰথম শ্ৰেণীৰ পৰা তাক কোনোবা চিনাকী ছোৱালীয়ে দেখিলে তাৰ বৰ লাজ লাগিব বুলি সি দ্বিতীয়বাৰ ভাবিলে। ইমানপৰ পলাসে তাৰ সাঁচতীয়া টকা দুটা ঘৰত থৈ আহিছো বুলিয়েই ভাবিছিল। টকা দুটা তাৰ জেপত অহা দেখি তাৰ বহুতো চিন্তা হৈ গ'ল। এই দুটকীয়া সৰু সৰু কথা-বোৰ ভাবি তাৰ নিজৰো লাজ লাগে। তাৰ সমাজখনত জীৱনৰ মান-দণ্ড বজাই ৰখা তাৰ বাবে বৰ টান হল। লগৰ লৰাবোৰৰ মাজত নিজকে বৰ হীন কৰি দিবলৈ তাৰ লাজ লাগে। তাৰ অৰ্থনৈতিক অৱস্থাই তাক তাৰ সমাজখনৰ পৰা বাজ কৰি গতি-য়াই উলিয়াই দিয়া যেন লাগিল। তাৰ কেতিয়াবা খুউব বেয়া মানুহ হৈ যাবৰ মন যায়। খুব বেয়া মানুহ হোৱাও টান, খুউব ভাল মানুহ হোৱাও টান। ইয়াৰ নিৰপেক্ষ নীতিটোত সি হাৰ মানি গৈছে। চলিত সমাজটোৰ ওপৰত তাৰ বৰ খং উঠে। টকা দুটা ৰচাবৰ চেষ্টা কৰি সি খোজকাঢ়ি গৈ থাকিল। খোজকাঢ়ি গলেও মানুহে তাক বৰ গৰিব বুলি নাভাবেতো। নিজকে দুখীয়া বুলি পৰিচয় দিবৰ ইচ্ছাও পলাসৰ নাই। ককায়েকে দৰমহা পোৱা মাহৰ শেষ দিন কেইটা পলাসহঁতে প্ৰায়ে এবেলা শুকান ৰুটি খাই থাকিবলগীয়া হয়। ভোকে লঘোণে ভাবি সি কেতিয়াবা কিতাপ-চিতাপ নপঢ়ি আঠুৰা নতৰাকৈয়ে তুলীহীন চাল-পীৰাখনত শুই থাকে। তাৰ দেশখনত কিমান মানুহ তাৰ দৰে চলি গৈছে কোনে জানে। পলাসে মনে মনে ভাবে সি আৰু পঢ়িব নোৱাৰিব। কেৱল খাই বৈ জীয়াই থাকিবলৈকে সি কৰবাত চাকৰি বিচাৰি যাব লাগিব। যৌৱনৰ আমনি সহিব পাৰিলেও

যথৰ এই অর্থনৈতিক দুৰাৱস্থাৰ আগনি সি সহিব নোৱাৰে। গাভৰু ভনীয়েক তিনিজনী আৰু বিধবা বুঢ়ী মাকৰ কথা ভাবিলে তাৰ দুখ লাগে। সি কান্দিব নোৱাৰে। ক্রন্দন নাৰীৰ ধর্ম্ম পুৰুষৰ নহয় বুলি জানে। চাৰি আলিৰ চাহৰ দোকানৰ মূৰত পলাসে উৎপলক বৰ "গেচত" ৰৈ থকা দেখিলে। উৎপলে পলাসক মাতিলে।

"পলাস তইতো আৰু first period নাপাবগৈ। ৰবি মৰো গৈছো। তৃতীয় বার্ষিকৰ ছাত্রী ৰূপহী লালপৰীজনী আজি এইফালে অহাৰ কথা আছে। পাঁচ মিনিট ৰবিনা, চাহ লও একচাট্। মাৰনা হাত দুচ্।"

উৎপলে "হেণ্ডচেক্" কৰিবলৈ হাত বঢ়াই দিলে।

"যাৰ যদি আহ ভাই উৎপল; মোৰ কিন্তু লালপৰী গালপৰীইঁতক চোৱাৰ ধান্দা নাই।"

"তেনেকৈ কিয় কৰ পলাস। তই মানুহটো কেতিয়াবা ৰুষ্ট কেতিয়াবা দুষ্ট একো ধৰিব নোৱাৰি। আহ দুচ্ চিগাৰেট এটাকে খাই ল।"

পলাসৰ জাৰ লাগিল। উৎপলে কোৱামতে সি চিগাৰেট এটা জ্বলাই যাবলৈ ওলালে। দোকানখনত তেতিয়া কেইবা জনো ভদ্রলোক আছিল।

"মোৰ লগত খুচুৰা পইছা নাই পলাস। আৰু "মণিবেগ্টোও" গাৰুৰ তলতে থাকি আহিল। পইছা আছে যদি তয়ে চিগাৰেটৰ দাম দি দেচোন।"

"নাই নাই ভাই মোৰ পইছা নাই; তয়ে দে।" পলাসে প্রায় খাবলৈ ললে।

"ভদ্রলোক হৈ চিগাৰেট খাব জানে। পইছা দিবৰ সময়ত এইবোৰ কি খেমালি কৰে।" দোকানী লৰাটোৱে কলে।

পলাসৰ লাজতে দোকানী লৰাটোক একচৰ লগাই দিবৰ মন গৈছিল। ইতিমধ্যে পলাসে তাৰ জেপৰ দুটকীয়াখন উলিয়াই দিলে।

"ইমান কৃপণ হলে নচলে বুজিছ পলাস" উৎপলে কলে।

"তই কি বুজিবি উৎপল। এক পইছা আয় নথকা মানুহে অনর্থক ইমান পইছা খৰছ কৰাতো পাপ।"

উৎপল নাহিল। পলাস দোকানৰ পৰা ওলাই আহিল। ভদ্রতাৰ খাতিৰত পইছা চাৰি অনা খৰছ কৰি তাৰ কিবা কিবা লাগিল। তাৰ হাতত মাত্র এটকা বাৰ অনা থাকিল। সি কিছু কথা ভাবিলে। অৱস্থাৰ পৰিবর্ত্তনে ভাৱৰ পৰিবর্ত্তন আনে।

একো নাই বুলি পলাসে খোজকাঢ়ি গৈ থাকিল। এনেতে একেলগে পঢ়া মধু আগৰৱালা 'স্কুটাৰ'ত উঠি তাৰ আগে পাৰহৈ গ'ল। পলাসে ৰবলৈ নকলে। মধু ধনী মানুহৰ লৰা। চোকা লৰা। সিহঁতৰ মানত দুখীয়া জীৱনৰ কোনো অর্থ নাই। ধনী মানুহ বুলিলেই খং উঠা পলাসৰ স্বভাৱ। তাৰ পৰিবেশ, পৰিস্থিতি আৰু দাৰিদ্রতাই তাক এনে হবলৈ বাধ্য কৰাই দিছে। অসামঞ্জস্যই তাৰ এনে হোৱাৰ মূল কাৰণ। পুঁজিবাদেই তাৰ দৰিদ্রতাৰ মূল কাৰণ বুলি

সি ধৰি লয়। এইদৰে তাৰ ভাৱ-বোৱ ঘূৰি পুনৰ মাৰ্ক্সধৰ্মী হৈ যায়। তাৰ পিতৃহীন ঘৰখন চাৰিকুৰি টকীয়া কেৰাণী ককায়েকে কোনোমতে চলাইছে। ককায়েকে ঘৰখনৰ বাবে নিজৰ যৌৱনৰ বহুতো বাসনা ত্যাগ কৰিছে। সুবিধা পালে নিশা কলেজ কৰি চাকৰি কৰাৰ মতলব পলাসৰ আছে। পঢ়াৰ সুবিধানুযায়ী চাকৰি পোৱা মস্কিল। আজি-কালি চাকৰি নিৰ্ভৰ কৰে খাতিৰ-বাতিৰ, ঘোচ-ঘাচ আৰু অলেখ চেলাম ঠুকাৰ ওপৰত। নহলে বিশ্ববিদ্যালয়ৰ এটা জাক্‌জমকীয়া ডিগ্ৰীৰ সৈতে এটা ধুনীয়া চেহেৰাৰ প্ৰয়োজন, যাতে দৰ্কাৰ হলে কোনোবা হেড্‌ক্লাৰ্ক বা অফিচাৰৰ ঘৰতে বুঢ়ী হৈ থকা ভনীয়েক নাইবা জীয়েকক বিয়া কৰি লব পাৰি। নহলে চাকৰি নাই। ইয়াৰ ব্যতিক্ৰম দুই এটাহে দেখা যায়। কেৱল "কোৱালিফিকেচনেই" চাকৰি পাবৰ বাবে যথেষ্ট নহয়। পলাসে মানুহৰ চৰিত্ৰক এখন বগা কাগজৰ লগত তুলনা কৰিব নিবিচাৰে। তাৰ মতে দাগবিহীন বৈচিত্ৰবিহীন এটা উকা চৰিত্ৰ হোৱাতকৈ নোহোৱাই ভাল।

কিছুমান বাজে কথা চিন্তা কৰি গৈ থকাৰ পাচত তাৰ আকৌ চিগাৰেট এটা খাবৰ মন গ'ল। সি অৱশ্যে তাৰ ভাৱবোৰক বাজে চিন্তা বুলি নধৰে। পৰিস্থিতিয়েহে চিন্তাৰ খোৰাকি যোগায়। হাতত খুচুৰা পইছা থকা বাবেই সি এটা দামী চিগাৰেট খালে। কম দামী চিগাৰেট খালে কলেজীয়া লৰাৰ ইজ্জত হানি হয় বুলি বহুতো লৰাৰ ধাৰণা আছে। বহুতো লৰাৰ দৰে পলাসেও চখতে চিগাৰেট খোৱাৰ অভ্যাসটো বনালে। দুটা চিগাৰেট খোৱাৰ পাচত তাৰ হাতত পইছা থাকিল মাত্ৰ এটকা আঠ অনা। এইবাৰ পলাসে এটা অন্য কথা ভাবিলে। ডেকা লৰাক যৌৱনে আমনি কৰাতো পৃথিবীৰ নতুন কথা নহয়। সি ভাবিলে টকা দুটা খুচুৰা নকৰা হলেই ভাল আছিল। এই দুটকাৰ লগতে আৰু কেইটামান গোটাই সি নাজমাৰ লগত একেলগে ফিল্ম চাই সঙ্গসুখ উপভোগ কৰিব পাৰিলেহেঁতেন। সুবিধানুযায়ী যৌৱনক উপভোগ কৰিবলৈ শিকিব লাগে। এই কথাষাৰ সি বহুতৰে মুখত শুনিছে। আকৌ এবাৰ সি টকা ছুটাৰে ইলোৰা আৰু মিলাৰ সৈতে "মমতা" হোটেলত চাহ খাই আড্ডা দি ডেৰ ঘণ্টা কথা পাতি থকাৰ কথা ভাবিলে। মৰমবোৰ গুপুতে বুকুত সাঁচি থোৱাৰ পৰা কি ফয়দা আছে। আদান-প্ৰদান কৰিব লাগে। মৰম মানে কামনা নহয় জানো বুলি সি কেতিয়াবা ভাবে। মিলাৰ লগত কেনেকৈ কথা পাতিলে ভাল দেখিব সি এবাৰ কল্পনা কৰি চালে। ইলোৰাজনীক সি হয়তো মৰমতে বহুত কথাই কৈ দিব হাঁহি হাঁহি ···। তায়ো হয়তো হাঁহি হাঁহি কৈ দিব—ইচ্‌ পলাসদাটো যে ইমান দুষ্ট। এইবোৰ তাৰ যৌৱনৰ অসংযত ভাবনা। এনেতে পলাসৰ যে ধুনীয়া 'ড্ৰেচ্‌' নাই কথাষাৰ মনত পৰি গ'ল। বাস্তৱক আওকাণ কৰা টান। ধুনীয়া পোছাক পিন্ধিব নোৱাৰিলে আজি-কালি আধুনিক প্ৰসাধনৰ প্ৰকোপত ৰূপৰ চহকী কলেজৰ কোনো ছোৱালীয়ে কোনো লৰাৰ লগত

প্ৰেমত নপৰে বুলি পলাসৰ ভাল ধাৰণা আছে। বহুতে হয়তো ভাবে পলাসৰ সৌন্দৰ্য্যবোধ নাই। কিন্তু ধুনীয়া পোছাক লব পৰাটো নিৰ্ভৰ কৰে টকাৰ ওপৰত। সৌন্দৰ্য্য অৱশ্যে ধুনীয়া 'ড্ৰেচ'ত বিচৰা বস্তু নহয়। বাস্তৱটোৱে তাৰ কল্পনাৰ ডেউকা ভাঙি দিলে। সি আকৌ ভাবিলে— উহুঁ—তাৰ দুখীয়া টকা কেইটা এইদৰে পানীত পেলাই দিব নোৱাৰি। এনে কৰাতকৈ এসেৰ কুচিমাছ নি ভালকৈ খোৱাতহে তৃপ্তি আছে। তাৰ ভাৱবোৰ নিৰস বাস্তৱ হৈ গ'ল। পইছাৰ অভাৱত সি যে দুমাহ চুলি কটা নাই এই কথাষাৰ তাৰ মনত পৰিল। গেঞ্জি এটা লোৱাৰ কথাও সি ভাবিছিল। এইবোৰ তাৰ দুটকাৰ চিন্তা। হেজাৰ টকা থকা হলে সি হয়তো ইমানবোৰ কথা অনৰ্থক নাভাবিলেহেঁতেন। ইলোৰাজনীক কেতিয়াবা তাৰ খুব ভাল লাগে। কেতিয়াবা সি তাইক বিয়া কৰি পেলোৱাৰ জোখাৰে ভালপোৱাৰ কথা ভাবে। কিন্তু যুক্তিৰ সহায় নোলোৱাকৈ ইলোৰাই জানো তাক ভাল পাব পাৰিব। ইলোৰাক বিয়া কৰিলে সি লব লাগিব দুটা চাকৰ, এখন মটৰ আৰু খুউব কমেও এটা চল্লিশ হেজাৰ টকীয়া বিলাসী ঘৰ। উহুঁ ইলোৰাৰ প্ৰেমত পৰাৰ মৰসাহ সি কৰিব নোৱাৰে। প্ৰেম অৱশ্যে যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ইলোৰাই গান গাব পৰা, নাচিব পৰা শিল্পী ছোৱালী। চকুত ধুনীয়াকৈ কাজলৰ লেপ দিব পৰাত ইলোৰাৰ খ্যাতি আছে। তাই দেহত সুন্দৰৰ সমাবেশ কৰিব পাৰে। কিন্তু এইবোৰেই সুকুমাৰ কলা নহয় বুলি পলাসে যুক্তি দিব পাৰে। ইলোৰাক সি শিল্পী হিচাবে সন্মান কৰিব পাৰে— কিন্তু মানুহ হিচাবে নোৱাৰে। মানুহ মাত্ৰেই শিল্পী নহয় আৰু সকলো শিল্পী মানুহ নহয় বুলি পলাসে ভাবে।

বহুতো লাগ বান্ধ নোহোৱা সংমিশ্ৰন ভাৱৰ প্ৰবাহত পলাসে কেতিয়া 'চিনেমা' হলৰ কাষৰ তিনি আলিটো পালে কবই নোৱাৰিলে। তেতিয়া সি "পেৰেডাইজ, বৰদিঙৰ"ৰ পৰা দেশ ৰক্ষাৰ নামত জাউবিয়ে জাউবিয়ে হৈ চৈ কৰি গৰম "লেকচাৰ" ধ্বনি শুনিলে। বহুতে গল্প কৰিছো লিখি চীনাৰ পৰা দেশ ৰক্ষাৰ কথাও কলে। এজাক মনপা ছোৱালী পলাসৰ আগে দি পাৰ হৈ যায়। তাৰ বৰ মৰম লাগিল। দুৰ্দান্ত চীনাৰ আক্ৰমনত সিহঁত ভৈয়ামৰ ডিবুৰুকৈ আশ্ৰয় বিচাৰি আহিছে। চহৰখনত তেতিয়া মিলিটেৰী গাড়ীৰ যেন শোভাযাত্ৰাহে হৈছে। সকলো মানুহৰ মুখত নেফা আৰু লাডাখৰ কথা।

এনেতে পলাসে তাৰ বিবাহিত বন্ধু নৌশাদক লগ পালে। নৌশাদে পলাসক মাতিলে।

"আৰে পলাস বহুত দিনৰ মুৰত।"

"তই কৰ পৰা ওলালিহি ?" সিহঁত দুয়ো কাষৰ হোটেলখনত বহিল। নৌশাদে চাহ চিঙৰাৰ অৰ্ডাৰ দিলে। নৌশাদ ডিব্ৰুগড়ৰ মানুহ, থাকে যোৰহাটত। এতিয়া মটৰ ড্ৰাইভাৰ।"

"যুদ্ধৰ আগে আগে তই যাহওক বিয়াখনকে পাতিলি।" পলাসে হাঁহি কলে।

"যিজনী ছোৱালীক এদিন দেখিলেই ভয় লাগিছিল সেইজনী ছোৱালীকে বিয়া কৰাবলগীয়া হ'ল পলাস। তইতো জানই, মই যেতিয়া জীৱনৰ ওঠৰ ফাগুনত উপনীত হওঁ তেতিয়া তাই সগৌৰৱে জীৱনৰ ছাবিশ-টা বসন্ত অতিক্ৰম কৰিছে। বুজিলি পলাস। বয়সত তাই মোতকৈ ডাঙৰ।"

"সেইবোৰ সৱ তেজৰ ৰহস্য নৌশাদ।"

"কেৱল তেজৰ ৰহস্যই নহয়, হৃদয়ৰো ৰহস্য। মাধৱী আৰু মোৰ তেজৰ মিলন ডাক্তৰি মতে নাই হোৱা। কাৰণ তাইৰ 'এ গ্ৰুপৰ' তেজ, মোৰ 'বি গ্ৰুপৰ' তেজ। তাই হিন্দু নাৰী; মই মুছলমান মানুহ। তেজৰ মিলন হোৱাৰ আগতে আমাৰ দুয়োৰে হিয়াৰ মিলন হ'ল বুজিছ পলাস। প্ৰাণৰ মিলনহে আচল কথা মোৰ এই কুৰূচ, ৰূপটোত যে তাইৰ নিচিনা ৰূপহী মেট্ৰিক পাছ ছোৱালী এজনী প্ৰেমত পৰিব পাৰে বুলি মই আগতে ভবাই নাছিলো।"

"সেইবোৰ প্ৰেমৰ কথা। নাৰীয়ে পুৰুষৰ বাহ্যিক সৌন্দৰ্য্য চাই প্ৰেমত নপৰে নৌশাদ।"

"ঠিক কলি পলাস। মোৰ মাধৱী বৰ ভাল ছোৱালী।"

"পিচে তোৰ প্ৰথম সন্তানটি হিন্দু কৰিবিনে মুছলমান কৰিবি ?"

"তান্য কৰাৰ ইচ্ছা নাই মানুহ কৰিব পাৰিলেই যথেষ্ট, অপ্ৰীতি আৰু বিভেদ সৃষ্টি কৰা ধৰ্ম্মৰ মাজত নথৈ তাক এক নতুন ধৰ্ম্মৰ মাজত ডাঙৰ কৰিব লাগিব।" কথাখিনি কৈয়ে হাত এখন জেপত থৈ নৌশাদে চক্ খাই গ'ল! —পলাস।

"কি হ'ল, নৌশাদ ?"

"সৰ্ব্বনাশ টকা চল্লিশটা কোনোবাই পকেট্ মাৰি নিলে। চাহৰ দাম দিবলৈকো মোৰ জেপ উদং হ'ল।" কথাখিনি কৈ নৌশাদৰ লাজ লাগিল। পলাসক বহুত দিনৰ মূৰত পাই সি ভাল দৰে খোৱাব নোৱাৰিলে।

"চাহৰ দাম বাৰু মূয়ে দিম নৌশাদ। কিন্তু যোৰহাটলৈ ঘূৰি যাবি কেনেকৈ ?"

"লেঠা সেই খিনিতে। টকা চল্লিশ টা মই ধাৰ কৰি আনিছিলো। মাধৱী জনীয়েও স্কুলৰ দৰমহা পোৱা নাই। মটৰ মালিক কুকুৰৰ পুতেকে সময় মতে দৰমহা নিদিয়ে নহয়। মই নিৰুপায়তহে তাত গাড়ী চলাই আছো। দুবাৰ মেট্ৰিক ফেইল কৰি মই মটৰ ড্ৰাইভাৰ হলো পলাস। তইঁ-তেতো কালিলৈ বি, এ, পাছ কৰি ডাঙৰ মানুহ হবি। আমাৰ জীৱন পঙ্গু হৈ গৈছে। যুগৰ প্ৰতিযোগিতাতো আমি বাৰে বাৰে হাৰি গৈছো। আমাৰ শাসক দলে হাতী আৰু পৰুৱাৰ শাৰীৰিক বলৰ প্ৰতিযোগিতা পাতি দুৰ্ব্বলৰ বং চাই ভাল পায়। দুজন মানক দুমাইল আগত আৰু দুজন মানক দুমাইল পাচত থৈ দৌৰ প্ৰতিযোগিতা পতাৰ অৰ্থ আমি বিচাৰি নাপাওঁ। আমি ধনী হব নোৱাৰো পলাস। এই দুৰ্নীতিময় দেশখনত আমি চাকৰিৰ বাবে কঢ়া-কঢ়ি, ভাতৰ বাবে টনা-টনি কৰি থাকোতেই যাব।"

"তই কমিউনিষ্টৰ দৰে ইমান অধৈৰ্য্য হৈছ কিয়। ধৈৰ্য্য ধৰ, লাহে লাহে হব। দুশ বছৰৰ পাচত নহলেও চাবিশ বছৰৰ পাচত তোৰ আৰ্থিক অৱস্থা ভাল হব।"

নৌশাদে হাঁহিলে।

"মহাত্মা গান্ধীয়ে আমাক কিজানি ফাকি দি থৈ গ'ল। বিনোৱাজীয়েও কিজানি সোপা-টিপা নীতিৰে আমাক ভুৱা দিছে। নেহেৰুৱে মাত্ৰ আমাক সান্ত্বনা দিছে।"

"তোৰ ভাষাত গান্ধী হ'ল ফাকি। বিনোৱা হ'ল ভুৱা আৰু নেহেৰু হ'ল সান্ত্বনা।"

'ভুল বুজিছো নেকি পলাস ?"

"আমাৰ দেশখন অশিক্ষিত মানুহে ভৰা দুখীয়া দেশ। সেই বাবেই বেগাই আগ বাঢ়িব নোৱাৰে।"

"সেই বাবেইতো কৈছো যিখন দেশত অধিক সংখ্যক মানুহ অশিক্ষিত আৰু দুখীয়া —য'ত মানুহৰ দুবেলাৰ বাবে হাহাকাৰ তাত Democracyৰ নামত ভেঁকোভাৱনা খেলিলে কি হব। তই সুখত আছ বাবেই মোৰ কথাবোৰ বুজিবলৈ টান পাবি।"

"নৌশাদ তই মোৰ জীৱনটোক দূৰৰ পৰ্ব্বত চোৱাদি নাচাবি।"

"বেয়া নাপাবি পলাস সমাজতন্ত্ৰৰ মুখা পিন্ধা ধনতন্ত্ৰ বৰ সাংঘাতিক বস্তু।"

হোটেলৰ ৰাজনীতি শেষ কৰি নৌশাদ যাবলৈ ওলাল।

"আজি আমাৰ ঘৰতে থাক। কালিলৈ যাবি গৈ। মই টকা কেইটামান ধাৰ কৰি দিম। দৰমহা পালে মণি অৰ্ডাৰ কৰি পঠাবি।"

"থাক। কিন্তু চিনাকী ড্ৰাইভাৰ পালে আজিয়েই যামগৈ।"

কাৰোবাক লগ পাবলগীয়া আছে বুলি নৌশাদ গ'লগৈ।

এইবাৰ পলাসে লগ পালে কলেজীয়া ডেকা গল্প লিখক অৰূপ চলিহাক। হাতত যোৱা মাহৰ এখন নতুন আলোচনী লৈ অৰূপে পলাসক মাতিলে।

"খবৰ কি পলাস ?"

'এইয়া ভাই। তোৰ দৰে গল্পৰ প্লট বিচাৰি ফুৰা নাই অৱশ্যে। আজিকালি তই পঢ়ি পঢ়ি বৰ জ্ঞানী হৈ গৈছ।"

"হাতত আলোচনীখন দেখিয়েই তই তেনেকৈ কৈছ-ক ভাই। কিন্তু মোৰ টেবুলত এদ'ম কিতাপ দেখিয়েই কোনোবাই যদি মোক জ্ঞানী আখ্যা দিয়ে তেন্তে সি কোনোবা নিশ্চয় মূৰ্খ হব লাগিব।"

"তেনে প্ৰতিদিনে নতুন কিতাপ কিনাটো তইঁতৰ এটা 'চখ' নে'কি ?"

"এতিয়া আৰু যুক্তি-তৰ্কৰ মেলাখন নেমেলো দেই।"

এনেতে "ৰিকছ"ত পাৰহৈ যোৱা ছোৱালী এজনীয়ে অৰূপলৈ চাই হাঁহি থৈ গুছি গ'ল। তাকে দেখি পলাসে কলে।

"ধুনীয়া ডেকা গল্প লিখকসকললৈ ছোৱালীবোৰ কিছু সচেতন হব লাগে। গল্প লিখকক ছোৱালীয়ে ভাল পায়। কলেজীয়া ডেকা, নাম কৰা গল্প লিখক বুলিলে যে কথাই নাই। ছোৱালীৰ এই দুৰ্ব্বলতাকণৰ সুযোগ লৈয়ে তইঁতে ছোৱালীৰ

যৌৱনক লুটিব বিচাৰ। সাহিত্যিক হলি কি হ'ল - আচল মানুহটো বৰ জঘন্য।"

"আচল মানুহজনটো সৰ বেয়া। দুৰ্বীণ লগাই চালে মহাত্মা গান্ধীৰ ৰূপো তই জঘন্য দেখিবি। সেই দৰে সকলোৰে। কাপোৰৰ তলত তয়ো সম্পূৰ্ণ নাঙঠ।"

বিশেষ কামত অৰূপটো আঁতৰি গ'ল।

বৰযুণজাক চিপ্ চিপ্ কৰি দি আছিল। থেলাৱালা, ৰিকছৱালা আৰু মগনীয়া কিছুমানে পলাসৰ কাষতে বাৰান্দাত থিয় হৈ আছিল। গাভৰু মাগনী ছোৱালী এজনী আহি পলাসৰ কাষতে থিয় হৈ কয়—"বাবু পইছা।" সি তাইৰ শেঁতাপৰা মুখখনলৈ কিছুপৰ চাই থাকিল। সি এক অনা পইছা দি দিয়াৰ পাচত ছোৱালীজনী কলৈ গুচি যাব এবাৰ ভাবিলে। যৌৱনে জানো তাইকো আমনি নকৰে। নিশ্চয় কৰে। কিন্তু যৌৱনৰ আমনিত কৈ তাইৰ পেটৰ ভোকৰ আমনি বেচি। এই ভোকৰ তাড়নাতে তাই হয়তো এদিন বেশ্যা হৈ যাব। কেইটামান জাৰজ সন্তান জন্ম দি লগে লগে লৈ তাই হয়তো মাগি ফুৰিব চহৰে নগৰে। এইদৰে তাইৰ সন্তানবোৰেও তাইৰ চকুৰ আগতে বেশ্যা হৈ যাব। এই দৰে সিহঁতৰ নানা বেমাৰো হব। উপায় জানো নাই—নিশ্চয় আছে। পলাসৰ দেশৰ সোপা-ঢিলা ধনী চৰকাৰটোৱে জানো ইহঁতৰ জীৱনৰ কথা ভাবে। পলাসে ওপৰলৈ চাই গান্ধী আৰু লেনিনৰ ছবি দুখন আঁৰি থোৱা দেখিবলৈ পালে। দৰিদ্ৰতাই মানুহৰ জীৱনলৈ অজ্ঞতা আনিছে আৰু দৰিদ্ৰতাই মানুহলৈ নীচাত্মক চিন্তাধাৰা আনিছে। ই মানুহক অস্বাস্থ্যকৰ কৰি তুলিছে। ইয়াৰ বাবে পলাসে বিচাৰে জীৱন্ত বিপ্লৱ। ধৈৰ্য্য ধৰি থাকিবৰ পলাসৰ দৰে মানুহৰ অৱকাশ নাই।

হোটেল কিছুমানৰ পৰা সোৱাদ লগাকৈ পুৰি আৰু গৰম তৰকাৰিৰ গোন্ধ আহিল। গৰম কাপোৰ জোপ মাৰি দোকানৰ মাৰোৱাৰী দুটাই অবাক হৈ ভাবি থকা পলাসে দেখিলে। দেশ ৰক্ষাৰ বাবে সিহঁতে বহুত টকা দান কৰিলে। এতিয়া হয়তো ভাবিছে কিহত কিমান ভেজাল দিলে, কোনটোত কিমান দাম ললে সুতেমূলে পায়ো অধিক লাভ কৰিব পাৰি। দেশৰ নামত সিহঁতে কৰা দানবোৰ আচলতে সিহঁতৰ নহয় —প্ৰজা সাধাৰণৰহে।

বৰযুণ বেচি হ'ল। 'ৰিকছ'ৰ সন্মুখৰ পৰ্দ্দা টানি এহাল অভিজাত্যাভিমানী ডেকা-গাভৰু পলাসৰ আগেদি পাৰ হৈ যায়। তেওঁলোকৰ বিলাসী গৰম কাপোৰ আৰু যৌৱনৰ উম্ দেখি তাৰ হিংসা লাগি গ'ল। পলাস বৰ পৰশ্ৰীকাতৰ নহয়তো? সি ঠাণ্ডাত জয়দেৱৰ দোকানৰ পৰা চূণ অকণ লৈ ছাদা এপালি খালে। আজি-কালি স্কুল কলেজৰ লৰাই ছাদা মলি খোৱাতো এটা 'চখ্' হৈ গ'ল।

কথা কিছুমান ভাবি পলাসৰ খুব বেয়া লাগিল। তাৰ নিজকে বৰ বেয়া লৰা বেয়া লৰা লাগিল। দৰিদ্ৰতাই তাক ভাল হবলৈ আজৰি নিদিলে। সি বেয়া হোৱাৰ বাবে সি কেৱল নিজকে দোষিব নিবিচাৰে— সমাজো তাৰ বাবে দায়ী। মানুহ জন্মোতেই

বেয়া হৈ নাহে। পৰিবেশ আৰু পৰিস্থিতিয়েহে মানুহৰ চৰিত্ৰৰ ৰূপ দিয়ে বুলি পলাসৰ বিশ্বাস।

তাৰ জাৰ লাগিল। কলেজলৈ নগৈ চিনেমা চোৱাৰ কথা ভাবিলে। চিনেমা আদি নাচালে হেনো মানুহ মুলুং।?) হৈ থাকে। ওচৰতে কিতাপৰ দোকানৰ এখন দেখি সি যোৱা মাহৰ "মণিদীপ"খন কিনি পঢ়াৰ কথা ভাবিলে। অসমীয়া মানুহে কিতাপ কিনি নপঢ়ে বুলি এটা ভাল বদনাম আছে। পেটৰ ভোকতকৈ জ্ঞান ডাঙৰ নহয়। জীয়াই থাকিব নোৱাৰিলে জ্ঞানেৰে কি হব। কিতাপ নিকিনাৰ এইটো এটা সাধাৰণ যুক্তি। কি দৰে জীয়াই থাকিব লাগে তাক জানিবলৈও বহুতো মানুহে কিতাপ আৰু বাতৰি পঢ়ে। এনেতে পলাসে লগ পালে ৰতন মহাজনৰ পুতেক গান্ধী, বিনোৱাৰ পৰম ভক্ত জয়মলক। জয়মল কলেজৰ গভীৰ অধ্যয়নশীল ছাত্ৰ।

"ক'ত ঘূৰি ফুৰিছে, পলাস? এই বৰষুণৰ দিনা ঘৰতে পঢ়া-শুনা কৰাহেঁতেন ভাল আছিল।" এটা সস্তা উপদেশসনা কথা।

"বিশ্বখনেই আমাৰ বাবে বিশ্ববিদ্যালয়। পৃথিবীখন হ'ল এখন মুক্ত গ্ৰন্থ। জীৱনবোৰ হ'ল সৰু সৰু পৰিচ্ছেদ। আমি পৰীক্ষাৰ্থী, পৃথিৱী হ'ল এক বিৰাট পৰীক্ষা ঘৰ। বহুতো সমস্যা জয়মল। আৰু এই সমস্যাৰ সমষ্টিয়ে হ'ল আমাৰ জীৱন। আপোনাৰ দৰেতো কেৱল এটা সমস্যা লৈ আমি ঘূৰি ফুৰা নাই। পঢ়াৰ বাহিৰে আপোনাৰ একো চিন্তা নাই। ড্ৰইংৰুমত বহি, লাইব্ৰেৰীত আবদ্ধ থাকি আপুনি গোটেই জীৱনটোৱেই পঢ়ি পঢ়ি কটাই দিব পাৰিব। আমি কিন্তু নোৱাৰো।"

"আমাক গালি পৰাটোৱেই আপোনা লোকৰ ধৰ্ম্ম। গান্ধী, বিনোৱাৰ দেশৰ মানুহ ইমান অধৈৰ্য্য হব নেপায় পলাস। নৈতিকতাৰ মূৰ খাইছে কিয়?"

"আমাৰ নৈতিকতাৰ মূৰ খাইছে আপোমালোকে — ধনীৰ দলে। আমাৰ জীৱনৰ প্ৰতি মমতাবোধ কমি গৈছে। এনে অৱস্থাত নৈতিকতাৰ দোহাই দি, ধৰ্ম্ম আৰু অশ্লীলতাৰ দোহাই দি আমাক ঠগিবৰ চেষ্টা নকৰিব। আমাৰ প্ৰাণত হিংসা কিয় জাগি উঠিছে, অহিংসাৰ বাবে গান গোৱা ধনীৰ দলত শৰণ লোৱা গান্ধী-বিনোৱাই জানো বুজিছে—। অৰ্থনৈতিক বাদ দি, অৰ্থ নৈতিক সমতাক বাদ দি, কোনো জাতিয়ে সভ্যতা-সংস্কৃতি আৰু স্বাধীনতা বজাই ৰাখিব নোৱাৰে।"

"পাগল" বুলি মনতে ভাবি জয়মল নিজৰ 'প্ৰাইভেট্ ৰিকছ'খনত উঠি আঁতৰি গ'ল।

সমাজখনে তাক পাগল কৰি দিয়া নাইতো বুলি কলেজত অনৰ্গল লেকচাৰ দি যাব পৰা পলাসে ভাবিলে। তাৰ যৌৱনে, তাৰ ঘৰখনে, তাৰ সমাজখনে আৰু তাৰ দৰিদ্ৰতাই তাক অস্থিৰ কৰি তুলিছে। আত্মহত্যা কৰাৰ কথা সি ভাবে। কিন্তু সি পৰাজয় বৰণ কৰি মৰিব নিবিচাৰে। তাৰ বুকুতো আছে জীয়াই থকাৰ আশা।

পুলিচ থানাৰ কাষৰ মহাত্মাৰ শিলৰ প্ৰতিমূৰ্ত্তিটো দেখি তাৰ খুব হাঁহি দিবৰ মন গৈছিল। ধনীৰ গ্ৰাসত পৰি তুমিও কেৱল শিল হৈ ব'লা মহাত্মা।" পলাসে এটি নমস্কাৰ জনালে। মহাত্মাক অধ্যয়ন কৰাত সি হয়তো ক'ৰবাত ভুল কৰিছে। ববষুণ বেচি হোৱাত পলাসে দোকানৰ বাৰান্দাত সোমাই থাকিল। এনেতে সি ধুনীয়া ছোৱালী বুলিলে মৰিব পৰা আৰ বৰুৱাক লগ পালে। (R. Barua) কলেজত কাৰোবাৰ প্ৰেমত নপৰিলে কলেজীয়া জীৱনটোৰেই অসাৰ্থক। আৰ বৰুৱাই পলাসক মাতিলে।

"বুজিছ পলাস, কলেজলৈ নতুনকৈ অহা কাশ্মীৰী ছোৱালীজনীৰ ৰূপে মোক হত্যা কৰিব। She is the turning point of my college life."

সঁচা কথা কবলৈ গলে এই কাশ্মীৰী ছোৱালীজনীয়ে কলেজখনলৈ প্ৰথম আহিয়েই দেহৰ সৌন্দৰ্য্য প্ৰকাশত বিশেষ খ্যাতি-অৰ্জ্জন কৰিছে। মানে তাই "হলিউড্ ফেচন"'ত থাকে।

"কেৱল বাহ্যিক ৰূপত প্ৰেমত পৰা-বোৰ মস্ত মুৰ্খ— বন্ধু বৰুৱা।"

"তেনে তই মোক মুৰ্খ বুলিলি। তোৰ মানত দুনিয়াৰ সব্ব প্ৰেমিক মুৰ্খ।"

"সৱ বুলিতো মই কোৱা নাই।"

পলাসৰ কথাত বৰুৱাৰ বিৰক্তি জাগিল। বৰুৱাই কোৱা আধা নাঙঠী কাশ্মীৰী ছোৱালী জনীৰ কথা অৱশ্যে বহুতো লৰাৰ মুখে মুখে। আধুনিক প্ৰসাধানৰ পৰশে তাইক কিছু চিকণ কৰি তুলিছে। তাইৰ প্ৰতি পলাসৰ মন্ত ৰেলেগ। সেই ক্ষীণাঙ্গী নিতম্বী বিলাসী ৰূপহী ছোৱালীজনীৰ কথা পলাসেও কেতিয়াবা ভাবে। তাইৰ লাহী দেহটি সম্পূৰ্ণ যৌৱনেৰে পুৰঠ। পৃথিবীৰ বহুতো দেশৰ নানা জাতিৰ নানা ৰং-বিৰঙৰ পোছাক তাই পিন্ধে। পঞ্জাবী, বঙালী, অসমীয়া আৰু হলিউড্ মাৰ্কা সকলো ধৰণৰ "ড্ৰেচ্" তাই পিন্ধে। তাইৰ সাজ-পোছাকে এটা আন্তৰ্জাতিক মনৰ পৰিচয় দিয়ে। তাইৰ সাজ-পোছাকত এটি বিশ্ব সংহতিৰ চিন পোৱা যায়। তাই যেন বিভুৰ বহুতো মানুহৰ সমন্বয়ত গঢ়ি উঠা বিধতাৰ এক অদ্ভুত অপূৰ্ব্ব সৃষ্টি। তাই হয়তো বিশ্ব সংহতিৰ এটি জীৱন্ত প্ৰতীক। তাইৰ উঠন স্তন যুগল আৰু বিলাসী দেহটোলৈ কামনাৰ দৃষ্টিৰে চাই থাকি মানুহবোৰক কিছু শান্ত্বনা দিবৰ বাবেই কি জানি কেতিয়াবা গোটেইজনী আধা নাঙঠী হৈ আহি কলেজৰ বাহিৰে ভিতৰে পখিলা ঘূৰাদি নাচি ফুৰে। এই বিষয়ত তাই কলেজখনৰ প্ৰথম পথ-প্ৰদৰ্শক। বহুপৰ নিমাতে থাকি পলাসৰ ভাৱবোৰ চকুৰে নেদেখি বৰুৱাই কলে— ।

"সেই কাশ্মীৰী ছোৱালীজনীৰ ৰূপক তেনে তই স্বীকাৰ নকৰ ?"

"স্বীকাৰ কৰো। তাইৰ ৰূপ আছে কিন্তু সৌন্দৰ্য্য নাই। হৃদয়ত সৌন্দৰ্য্য নাথাকিলে সুন্দৰৰ শিল্পী হব নোৱাৰে।"

"ৰূপ আৰু সৌন্দৰ্য্যৰ জানো কিবা পাৰ্থক্য আছে ?"

"নিশ্চয় আছে। সৌন্দৰ্য্য এনে বস্তু নহয় যে তই চকুৰে দেখিবি। সৌন্দৰ্য্য হৃদয়ৰ

বস্তু। ইয়াক বুজিবলৈ ভাৱ আৰু অনুভূতিৰ প্ৰয়োজন। ৰূপ ক্ষণস্থায়ী কিন্তু সৌন্দৰ্য চিৰস্থায়ী। এজনী কুৰূপা কলী ছোৱালীৰো সৌন্দৰ্য্যৰ জ্যোতি থাকিব পাৰে। বহুতো কলী ছোৱালীৰ প্ৰেমৰ গভীৰতা বেচি। সেইহে বহুতো ৰূপহ ডেকাইও কেতিয়াবা কলী ছোৱালীৰ প্ৰেমত পৰে।

ৰুকুৰা নিবৰ। আগৰ দৰে পলাসৰ কথাত তৃপ্তি নাপাই সি আঁতৰি গ'ল। ৰুকুৰাৰ ছাতিটো বেচ ধুনীয়া।

পলাসৰ সহপাঠী নাচিমে তেতিয়াও কলেজলৈ যাবলৈ ৰিক্‌ছ'ৰ বাবে কিছু অপেক্ষা কৰি আছিল। তাই ছাতিটোৰে ৰৰষুণ জাকক ভেটিলে। নাচিমে দূৰৰ পৰাই পলাসক লক্ষ্য কৰিছিল। বসন্তৰ বাতৰি অনা আৰু ছোৱালীৰ আচল উৰুৱাই নিয়া ফাগুনৰ বতাহ জাকে পলাসক বৰ জাৰ লগাই দিলে। নাচিমে স্তন যুগল উপচি পৰা্টকৈ উদঙাই এটা দামী উলৰ ৰঙা চুয়েটাৰ পিন্ধি-ছিল। এবাৰ পলাসৰ চকুৱে চকুৱে পৰাত তাই হাঁহি দিলে। ইমান ধুনীয়া হিয়া-হৰি-নিয়া হাঁহি যেন সি আগতে দেখাই নাই। ছোৱালীক সন্মুখৰ পৰা চাবলৈ সাহ লাগে। এনেকুৱা হাঁহিৰেই নাৰীয়ে পুৰুষৰ প্ৰণয় তৃষ্ণা বঢ়াই তোলে। এফলীয়াকৈ ওলাই থকা নাচিমৰ উন্নত স্তন দুটি পলাসে লক্ষ্য কৰিলে। তাইৰ বুকুখন বাৰু তাৰ প্ৰেমেৰে উপচি আছে। নাচিমৰ নীলা চকুৰ এপলক অদ্ভুত চাৱনিয়ে পলাসৰ প্ৰাণত ভাৱৰ সঞ্চাৰ কৰিলে। ধুনীয়া ছোৱালী চোৱাও আপদ নোচোৱাও আপদ বুলি পলাসে ভাবিলে। এইবোৰ সব "দিল্লীকা লাড়ু।" পলাসে ক্লাচত নাচিমক বহুত বাৰ দেখিছে; কিন্তু কথা পতাৰ সাহ সি কৰিব পৰা নাই। পলাসে বাৰান্দাতে থিয় হৈ থাকে। ৰৰষুণত তিতা বাবে ছোৱালী স্কুলখনৰ ছোৱালীবোৰক ভেতিয়া ছুটি দি দিয়ে। পলাসে লক্ষ্য কৰিলে —স্কুলীয়া লৰা-ছোৱালীবোৰক সাজ-পোছাক আৰু প্ৰসাধানৰ বিলাসিতা কলেজৰ লৰা-ছোৱালীতকৈ বেচি হৈছে। ই কিহৰ লক্ষণ পলাসে কব নোৱাৰে। আজি-কালি লৰাক ছোৱালীয়ে আগেয়ে নামাতিলে লৰাই মাতি-বলৈ লাজ কৰে বুলি নাচিমে পলাসক আগেয়ে মাতিলে।

"কলেজলৈ জানো দেৰি হোৱা নাই? আৰু পাঁচ দহ মিনিট আছে।" তাই ঘড়ীটো চাই কলে।

"দেৰি অৱশ্যে হৈছে। মই আৰু নাযাওঁ বুলিয়ে ভাবিছো।"

"নেযাব কিয়? আহক ৰিক্‌ছ'তে যাওঁ। ৰৰষুণ জাকো এৰা নাই।" ইতি-মধ্যে তাই 'ৰিক্‌ছ' এখন ৰখালে।

এচমকা ৰোমান্তিক সৌন্দৰ্য্যসনা বতাহ পলাসৰ চকুৰ আগে পাক মাৰি হিয়াৰ মাজেদি প্ৰবাহিত হ'ল। এয়া নাচিমৰ আদেশ নে অনুৰোধ সি ভাবিলে। ৰহমান অফিছাৰৰ জীয়েক নাচিমে তাক জুখি চোৱা নাইতো! নাচিমে দ্বিতীয় বাৰ পলাসক মাতিলে। বেগাই যাব নোৱাৰাতো পলাসে নিজৰে দুৰ্ব্বলতা বুলি ভাবিলে। জেপত থকা টকাটোৰ কথাও পলাসে ভাবিলে। ভদ্ৰতাৰ খাতিৰত সি 'ৰিক্‌ছ' ভাড়া দিব

লগীয়া নহয়তো। টকাতকৈ সন্মান ডাঙৰ কথাষাৰ সি শুনিছে। নাচিমৰ নিৰ্দ্দেশ মতে সি ৰিক্চ'ত উঠিলে। সন্মুখৰ "হুড"খন অভিজ্ঞ ডেকা ৰিকৃছ'ৱালাটোৱে পেলাই দি সিইঁতক আঁৰ কৰি দিলে। নাচিমৰ লাজো লাগিল। যোৱা বাৰ "কলেজ ইয়েৰৰ দৌৰ প্ৰতিযোগিতাত দৌৰি তাই লুটিখাই নাওঠী হৈ পৰি যাওঁতে এই পলাসটোৱেই তাইক দাঙি তুলি দিছিল।

"আপুনি বাৰু ইমান লাজকুৰীয়া কিয় ?" নাচিমে কলে।

পলাসে মনে মনে ভাবিলে খুউব নিলাজটোকে নাচিমে লাজকুৰীয়া বুলিলে। "গেচত" থকা ছোৱালীক মতা অভ্যাস অৱশ্যে পলাসৰ নাই। কোনো ছোৱালীৰ ৰূপৰ দাম সি বঢ়াব নিবিচাৰে।

"তুমি অ' আপুনি ভবা মতে মই খুউব লাজুক নহয় নাচিম।"

নাচিমলৈ তাৰ মৰম লাগিল। খুব মৰম লগা ছোৱালীক সি "আপুনি" সম্বোধন কৰিবলৈ বেয়া পায়। কিন্তু কলেজৰ দস্তুৰ মতেই সি নাচিমক আপুনি বুলিলে। নাচিমৰ নামটোও পলাসৰ চুটিকৈ মাতিবলৈ মন গৈছিল। আজি-কালি মৰম লগা মানুহৰ নামটো মানুহে সম্পূৰ্ণকৈ নামাতে।"

"এই কলেজখনলৈ আমি খুব কম সময়ৰ বাবে আহিছো পলাসদা। এই দিন কেইটাত আমি সকলোৱে সকলোৰে লগত খুউব চিনাকি হব লাগে। সদায় লগতে থাকিও চিনাকি নোহোৱাটো কাৰুণ্যৰ বিষয়। সেই বাবেই আজি মযে আপোনাক আগেয়ে মাতিলো। অভিমানী হৈ গাম্ভীৰ্য্য বজাই ৰাখিবলৈ গলে পিচত অনুতাপ কৰিব লাগিব।"

পলাসে আৰধনাৰ কথাবোৰ কিছু জটিল পালে। "কলেজ ইলেক্চন" "কলেজ ইয়েৰ" আৰু কলেজৰ সৰস্বতী পূজাই লৰা-ছোৱালীৰ মাজত চিনাকি হোৱাৰ প্ৰচুৰ সুযোগ আনি দিয়াতো পলাসে নাচিমৰ লগত ইমান দিনে চিনাকি হৈ কথা পতাৰ সাহ কৰিব পৰা নাছিল। কেইটামান ধুনীয়া ড্ৰেচ্ নহলে ছোৱালীৰ কাষ চপা ভাল নহয় বুলি পলাসৰ এটা ভাল ধাৰণা আছে। অৱশ্যে বহুতো ছোৱালীয়ে ধুন মৰা ডেকাক ভাল নেপায়।

"এবাৰ চিনাকি হৈ পিচত পাহৰি যোৱাটোও কাৰুণ্যৰ বিষয় পলাসদা।"

"ভৱিষ্যতৰ বাবে সোঁৱৰাই দিছে নেকি ?"

"ওঁ" তাই হাঁহি মুখখন জোকাৰি দিলে।

অজ্ঞাতসাৰেই পলাসৰ হাতখন নাচিমৰ যৌৱন উপচা বুকুত লাগি চুয়েটাৰৰ বুটাম দুটা টপ্ টপ্ কৈ খুলি গ'ল। তাই লাজত ৰঙা পৰি গ'ল। ইমান ওচৰৰ পৰা ইমান ধুনীয়া নাচিমজনীক দেখি! বহুতো লৰাৰ দৰে সিও তাইৰ প্ৰেমত পৰাৰ কথা ভাবিলে। কিন্তু যাৰ দুবেলা খাই বৈ জীয়াই থকাটোৱেই প্ৰধান সমস্যা সিও জানো প্ৰেমত পৰাৰ কথা ভবাটো সমীচিন (?) হৈছে। ভাতৰ খকতকৈ হয়তো প্ৰেমৰ খক ডাঙৰ নহয়। পলাসৰ যে খুব জাৰ লাগিছে কথাষাৰ নাচিমে মন কৰিলে।

"ইমান ঠাণ্ডাত আপুনি কোট-চুয়েটাৰ পিন্ধি নাহিল কিয় ?"

পলাসে ভাবিলে নাচিমে তাক insult কৰা নাইতো ! নাচিমে তাৰ দৰিদ্ৰতাক উপহাস কৰা নাইতো ! তাৰ এবাৰ মিছা-কৈয়ে কৈ দিবৰ মন গল এই দৰে— "এবাৰ এটা দামী কোট "ত্ৰিপ্লেক্স"ত দি হেৰুৱালো। চুয়েটাৰটো'ও কালি বন্ধু কৈলাসে চিলঙলৈ যাবলৈ লৈ গ'ল। ( কলেজ ইয়েৰত পলাসে কৈলাসৰ চুয়েটাৰটোহে পিন্ধিছিল ; এটা কোট কালিলৈহে ধুবিয়ে দিব।" এই-খিনি কথা কোৱা হলে নাচিমে তাক দুখীয়া সুবুলি ত্যাগী বীৰৰ আখ্যা দিলেহেতেন কিজানি। কিন্তু নকলে। শেষত দাসে কোৱাৰ দৰেই কৈ থলে এই দৰে—

গৰম কাপোৰ কিনিব পৰা নোৱাৰাৰ ওপৰতহে মানুহৰ জাৰবোৰ নিৰ্ভৰ কৰে নাচিম।"

নাচিমে বুকুৰ উম দি থোৱা মাফ্লাৰখন পলাসৰ ডিঙিত হাঁহি হাঁহি আৰি দিলে। "মেৰিয়াই ল'ক নহলে জাৰত তন্‌চিল বাঢ়িলে কষ্ট পাব।" কথাত প্ৰাণৰ উম্ আছে। মাফ্লাৰ নহৈ ফুলৰ মালা হোৱা হলেতো লেঠা ছিগিলহেঁতেন।

"আপুনিটো ডাক্তৰ নহয়। তন্‌চিল হব বুলি কেনেকৈ জানিলে ?"

"এই সাধাৰণ কথাবোৰো ডাক্তৰে কব লাগিছেনেকি ?"

এইবোৰ নাচিমৰ সহানুভূতি নে মৰম, কৰুণা নে পুতৌ পলাসে বুজিবলৈ টান পালে। নাচিমে তাক বৰ বেয়া ধৰণে অপ-মান কৰি দিয়া নাইতো !

"আপোনাৰ মাফ্লাৰৰ উমতকৈ মৰমৰ উম বেচি নাচিম। এনেকুৱা উম পালে হাজাৰ শীততো আমি নমৰো।"

"ধেমালি বাক্য পাচত কৰিব।" তাই হাঁহিলে মাথোন।

"পাচলৈ বাট চাবলৈ ধৈৰ্য্য জানো আছে।"

"নিৰাশাবাদীৰ দৰে কথা নকবচোন বাৰু।"

বৰষুণজাক ডাঙৰকৈ দিলে। বিকৃছ'-ৱালাটোৰে পানী-কোটেৰে দেহাটো আবৰি এহাতে এটা ছাতি লৈ বিকৃছ' চলাই দিলে। ডেকা বিকৃছ'ৱালাটোৰে কিবা-কিবি ভাবি পেলোৱা নাইতো। নাচিমক পলাসে খুউব ধুনীয়া দেখিলে। সি কামনাৰঞ্জিত দৃষ্টিৰে তাইক কেইবাবাৰো চালে। তাইক চুমা খাই দিবৰ মন যোৱাকৈ তাৰ মৰম লাগিল। নাচিমৰ যাদু সনা চকু, হাঁহি আৰু কোকিল-কণ্ঠী মাতে পলাসৰ প্ৰাণত অযুত ফাগুনৰ ৰং বোলালে। এটি চুমাৰ বাবে সি ব্যাকুল হৈ পৰিল। চুমাৰ ব্যাকুলতা আছে কিন্তু পৰি-তৃপ্তি নাই। সি মনে মনে এবাৰ ভাবিলে— ডেকা প্ৰেফেচাৰ সকলৰ দৰে বেচি ভদ্ৰলোক হৈ থাকিলে বহুতো সুন্দৰ সুযোগ হেৰুৱাই পিচত অনুতাপ কৰিব লাগিব। ইমান সুবিধা পায়ো নাচিমক চুমা এটা নাখালে উৎপলে তাক হয়তো মস্ত মুৰ্খ বুলি কৈ দিব। এটা চুমা খালে নাচিমে বিশেষ আমনি নেপায় বৰং ভালহে পাব। ডেকা লৰাৰ

এটা চুমা এজনী গাভৰু ছোৱালীৰ বহুত কামনাৰ বস্তু। এইবোৰ পলাসৰ নাচিমক চুমা খোৱাৰ যুক্তি।

এনেতে পলাসৰ টকা দুটাৰ কথা মনত পৰিল। বাস্তৱটোৱে যেন তাৰ বুকুত "ঘোচা" এটা মাৰি দিলে। সি ধনী মানুহৰ পুতেক হোৱা হলে হয়তো ইমানবোৰ সাধাৰণ কথা নাভাবিলেহেঁতেন। সি আকৌ ভাবিলে—ৰিক্‌ছ' ভাড়া সিয়ে দি দিবলগীয়া নহয়তো। এক্ষালে যৌৱনৰ আমনি, আনফালে অৰ্থ নৈতিক চিন্তা!

পলাসে কিছুমান সাধাৰণ কথা ভাবি যোৱাৰ পাচত ৰিক্‌চখন বিৰাট কলেজ আট্টালিকাটোৰ ডাঙৰ তোড়নখনৰ সন্মুখত ৰৈ গ'ল। বৰষুণজাক আৰু এৰা নাই। নাচিমে সৰু "মণিবেগ"টোৰ পৰা পইছা উলিয়ালে। পলাসে ভাবিলে ৰক্ষা—পইছা নাচিমে দিব।

"মাইজী, দশ ৰূপইয়া হামাৰা খোচ্ৰা নাহি" ৰিক্‌চৱালাটোৱে কলে। পলাসে চক্ খাই গ'ল। সি চকুদুটা খুব স্বাভাৱিক ভাবে থবলৈ যত্ন কৰিলে।

"আপোনাৰ লগত খুচুৰা পইছা হব জানো?" নাচিমে সুধিলে পলাসক।

"হব নাচিম। মিছাকৈই ইমান ডাঙৰ টকাখন উলিয়াইছে কিয়? গাৰুৰ তলত থৈ অহাহেঁতেনোচোন ভাল আছিল।"

পলাসৰ কথাখিনি কিছু অসংযত অসংযত লাগিল। মান-সন্মান আৰু ভদ্ৰতাৰ খাতিৰত ৰিক্‌চৱালাটোক টকাটো দি জেপটো উদং কৰি পেলালে। পলাসে কলেজৰ সন্মুখৰ বাৰান্দাত ৰূপৰ পোহাৰ পাতি থকা লৰা-ছোৱালীজাক দেখিলে। তাত যেন সৌন্দৰ্য্যৰ প্ৰতিযোগিতা হৈছে। সিহঁতৰ লগত যেন তাৰ সাজ-পোছাকবোৰ নিমিলিব। প্ৰায়বোৰৰ গাতে ৰংবিৰঙৰ 'ড্ৰেচ'! ন ন ডিজাইনৰ পোছাকৰ ভেৰাইটি চ'। পাউদাৰ, চেণ্ট আৰু অলেখ বিলাসী প্ৰসাধনৰ মধুৰ সৌৰভে পৰিৱেশটো গোলাপী গোলাপী কৰি তুলিছিল। বহুতো ছোৱালীৰ লাহি দেহবোৰত পাউদাৰ, স্নো, লিপ্‌ষ্টিক আদি অলেখ কৃত্ৰিম সৌন্দৰ্য্যৰ অপূৰ্ব্ব সমাবেশ হৈছে।

পলাস আৰু নাচিম দুয়ো একেটি সৰু চাটিতে সোমাই কিছু তিতি-বুৰি কলেজত উঠিল। সিহঁতক বহুতো লৰাই দূৰৰ পৰাই হাঁহি উকি মাৰি দিছিল। লৰাবোৰ খুব অভদ্ৰ নেকি—।

নাচিমে ছোৱালীজাকৰ ফালে যোৱাৰ আগতে পলাসক কলে—

"আহো দেই, পলাসদা।"

"সঁচাকে যোৱা?"

"ওঁ!" 'নীলা চকুৰ ভাষা।'

"মাফ্‌লাৰখন নেলাগে?"

"পাচত দিব। জাৰ নালাগিব জানো?"

"তোমা......আপোনাৰ মাফ্‌লাৰৰ উমতকৈ প্ৰাণৰ উম বেচি।"

"কেৱল মৰমৰ উমেৰে মানুহ জীয়াই থাকিব নোৱাৰে—জীয়াই থাকিবলৈ হলে মাফ্‌লাৰ উম আৰু বহুতো উমৰে প্ৰয়োজন। সেইখন লৈ যাওক পাচত দিব বাৰু।"—

তেতিয়া সিহঁতৰ ক্লাচ আৰম্ভ হোৱা তিনিমিনিট হৈ গ'ল। দুয়ো দুফালে ঘূৰি আহি একেলগে ক্লাচত সোমালে। ল'ৰা কিছুমানে হাঁহিলে। পলাসৰ এটা কথা মনত পৰিল—কলেজ ছুটাৰ পাচত সি ঘৰলৈ দুটকাৰ চাউল কিনি নিয়াৰ কথা আছিল।

সি মাফ্লাৰখন পাচত দিব।

---

বিঃ দ্রঃ— গল্পটোৰ নাম "ইটো সিটো বস্তুবো" দিবলৈ ইচ্ছা আছিল। গল্পটোৰ নাম "কেইটামান গল্পৰ টুকুৰা"ও দিবৰ মন আছিল

# ❋ মন মযূৰীৰ নাচ ❋

শ্রীএক্রামুল ইছলাম্
১ম বার্ষিক (টি-ডি-চি) কলা

[ গল্প ]

এইয়া হাজাৰ বছৰ বিনিদ্রা উজাগৰী মধুচন্দ্রিকা নিশা। এক অনামিকা ক্লান্তিত যেন পৃথিৱীৰ টোপনি আহিছে। এতিয়াও এই মাটিৰ পৃথিৱীত উজাগৰে আছে বহুতো অসুখী আত্মা আৰু নগৰৰ প্রহৰী কেইটা। হয়তো মন্দিৰা ফুকনৰ দৰে বহুতো তিৰোতা। সিহঁতৰ চকুত আছে অযুত কামনা, হেৰাই গৈছে সকলো চেতনা এইয়া যৌৱনৰ সুক্ষ্ম মঞ্চ।

অতীতৰ দৰে আজিও আকাশত অমাৱস্যাৰ জোনটো উজ্জ্বল হৈ আহিছে। এজাক দুষ্ট বতাহে মনবোৰ কঁপাই তুলিছে। অকণি অকণি তৰাবোৰে জুমি জুমি চাই হাঁহিছে। পার্কৰ সেই ডালিয়া "কচমচ" কেইজোপাই আনন্দত মুৰ জোঁকাৰি নাচিছে।

ডেকা-গাভৰুৰ যৌৱনৰ উত্তাল তৰঙ্গৰ মিলন ভূমি শিৱসাগৰ পুখুৰীৰ পাৰে পাৰে ফুৰি ফুৰোতে সেইজনী ছোৱালীক মই কেইবাদিনো লগ পাইছো। অথচ কোন সেই গৰাকী মনত পেলাব পৰা নাই। মনে মনে ভাবিছো ছোৱালীজনী চিনাকি হ'ব লাগিব, নাইবা আমাৰ স্বপ্নাৰ বান্ধৱীও হ'ব পাৰে। সেইয়া যদি নহয় তেন্তে তেওঁৰ চৰিত্রত অলপ কলঙ্ক থাকিব লাগিব আৰু ভাবিছো যদি আমাৰ ক্লাচৰ সেই মৃণালিনী বৰুৱা হয় তেন্তে তাই ইমান সহজে মোক পাহৰিব নোৱাৰে। ধৰি লৈছো ছোৱালী-জনী দুষ্ট যিমানে পাহৰিবলৈ চেষ্টা কৰিছো সিমানে কৌতূহল বেচি হৈ গৈছে। আন-হাতে মোহাচ্ছন্ন নোহোৱাও নহয়।

কেতিয়াবা এজন মানুহৰ সৈতে, কেতিয়াবা সৰু ছোৱালী এজনীৰ সৈতে এই পুখুৰীৰ পাৰলৈ আহে। চিনাকি সুৰত অলপ হাঁহি মাৰি আঁতৰি যায়। মাজে মাজে বহু দূৰৰ পৰা এবাৰ ঘূৰি চাই আগ-বাঢ়ে। মনত এনে ভাব হয় যেন লক্ষ্মণক বিদায় দি উর্ম্মিলাই এবাৰ চাইছেহে। সেইযুৰি নয়নত যেন মিশ্রিত হৈ আছে বহু যুগৰ পোৱা-নোপোৱাৰ ত্যাগ আৰু ধৈর্য্যৰ ভাষা, সেই ভাষা যেন কোনো অকৰা কৰিয়ে পায়ো হেৰুৱালে। অৱশ্যে ময়ো দৃষ্টিয়ে ঢুকি নোপোৱালৈকে ভালকৈ চাই লওঁ, ভয়ো লাগে যদি মোৰ লগৰ বা অফিচৰ কেৰাণীবোৰে গম পায়, তেতিয়া হয়তো মোৰ ই-এ-চিৰ মান নাথাকিব। সেইবাবেও যথেষ্ট সতর্ক হ'ব লাগে। সেই মুখ হাঁহি মোৰ বৰ বেয়া নালাগে। মই যদি কওঁ পুৰুষবোৰে এই মুখ হাঁহি বেয়া পায়, তেন্তে মই বহুত ভুল কৰা হ'ব।

ঠিক বাৰটো মোৰ মনত নাই। আনদিনাৰ দৰে শিৱসাগৰ পুখুৰী পাৰত থকা বেঞ্চত বহি আছো। হঠাৎ এক নাৰী-কণ্ঠ কাণত পৰিল। ঘূৰি চাই মই সেই নিতৌ দেখা গাভৰু গৰাকীক দেখি খুব অপ্ৰস্তুত হৈছিলো। ইমান অপ্ৰস্তুত হৈছিলো বোধ হয় সৰুতে শিক্ষকে অঙ্ক কৰি আনিবলৈ দিওঁতে, "অঙ্ক কিয় নকৰিলি" বুলি সোধোঁতেও মই সিমান অপ্ৰস্তুত হোৱা নাছিলো। আজি সিমান অপ্ৰস্তুত কৰিলে এই গৰাকী গাভৰুৱে। মোৰ কাষতে খালি হৈ থকা বেঞ্চখনত নিঃসঙ্কোচে বহি দিয়াত মই অস্বস্তিবোধ নকৰাও নহয়। আনদিনাৰ দৰে চাৰিওফালে এবাৰ মূৰটো ঘূৰাই চাইছিলো। হয়তো কোনোবাই লক্ষ্য কৰিছে। যিহেতু শিৱসাগৰলৈ অহা মোৰ বৰ বেছি দিন হোৱা নাই, নতুন মানুহ, নতুন ঠাই। বহুত দিনৰ আগতে এবাৰ আহিছিলো। ইয়াৰ আহোম ৰজাৰ কীৰ্ত্তি চিন চাবলৈ. তেতিয়া মই মাত্ৰ প্ৰথম বাৰ্ষিকত। মোৰ সহপাঠী বন্ধু মহিম বৰুৱাৰ লগত এই পুখুৰীৰ পাৰত কেইবাদিনো বহু সময় কটাইছিলো।

আজি সেই দিন নাই। এই পাঁচোটা বছৰতে বহুত পৰিবৰ্ত্তন হ'ল, বাটত বিজুলী চাকিয়ে পোহৰ কৰা হ'ল। পানীৰ যোগান ব্যৱস্থা হ'ল, "ফুট-পাথ" হ'ল আৰু বহুতো চূণ দিয়া ঘৰ হ'ল। এই কেইটা বছৰতে ইমান মানুহ হ'ল, ভাবিবই নোৱাৰি। প্ৰথমে আহিয়েই মোৰ অৱস্থা ঠিক সেই দৰে হৈছিল। মনতে আনন্দও লাগিছিল। আৰু ভাল লাগিছিল "ফুট-পাথ"ৰ কাষত থকা বোকা দেখি, লগতে বাটৰ মাজত থকা পানীৰ ডোঙাবোৰ দেখি

এবা, নগৰৰ জীৱনৰ কালস্ৰোত আৰু ঘটনাৰ কালস্ৰোত বৰ প্ৰখৰ। সেই সোঁতত কিমানে কিমান হাবাথুৰি খাইছে তাৰ কথা কোনে জানে। তথাপি স্মিত আৰু বিস্মিত নয়নে মই আলোচনা আৰম্ভ কৰিলো। তথাপিও ভাবিছো কোন হ'ব পাৰে। কলেজত থাকোতে প্ৰত্যেকৰ লগত কথাবাৰ্ত্তা হৈছিলো একেবাৰে সাধাৰণ ভাবে। তাতে "আপুনি" সম্বোধন কৰাত নভৱাকৈ থাকিব নোৱাৰিলো।

পুখুৰীৰ পানীত সূৰ্য্যৰ শেষ ৰশ্মি পৰি নতুন ৰঙৰ সৃষ্টি কৰিছিল। ঢৌবোৰে আনন্দতে নাচিছিল। পাৰ্কৰ "কচ্‌মচ," ডালিয়া আদি নানা ৰঙৰ ফুলবোৰে আমালৈ জুমি জুমি চাইছিল। আমিও সেই দৃশ্য চাই চাই ক্ৰমাৎ আগুৱাই গৈছিলো তথাপি নামটো সুধিবলৈ সাহ গোটাব পৰা নাছিলো, হয়তো নামটো সুধিলেই যেন গতি সলনি হৈ যাব। এনেবোৰ খেলিমেলি ভাবে মোক জুমুৰি দি ধৰিছিল। অৱশ্যে এইটো সকলোৰে ক্ষেত্ৰত নহবও পাৰে।

সেইদিনাই মই পুখুৰীৰ পাৰে পাৰে ফুৰি একেবাৰে তেওঁলোকৰ ঘৰ ওলাইছিলোগৈ। মাজবাটতে নামটো মন্দিৰা ফুকন নে কি কৈছিল? কলেজৰ ইমানবোৰ ছোৱালীৰ মাজত এনে এজনী ছোৱালীক মনত ৰাখিব পৰাটো সহজ কথা নহয়। মনত থাকিব মাত্ৰ কেইজনীমান ছোৱালী যি হয়তো সঙ্গীত সন্মিলনত নতুবা তৰ্ক প্ৰতিযোগিতাত

আগ ভাগ লব পাৰে। নতুবা খুব ধুনীয়া মনোলোভা আৰু থাকে এক শ্ৰেণীৰ ছোৱালী যি একাপ চাহৰ বিনিময়ত প্ৰেম যাচিব জানে। সেইবোৰ কলেজত একো নতুন কথা নহয় আৰু মই যদি কওঁ সেইটো অমূলক তেন্তে পাঠকৰ হাঁহিয়তৰ পাত্ৰ হ'ব লাগিব। সেইদিনা আকাশত খুব বেচি পপীয়া তৰাৰ স্খলন হৈছিল। এমুখ হাঁহিৰে মন্দিৰাই তেওঁৰ স্বামীৰ লগত পৰিচয় কৰাই দিছিল।

মন্দিৰাৰ স্বামীৰ নাম নকওঁ। মানুহবোৰে ভুল বুজে। বহুতে কয়, মন্দিৰাই এই নির্জু মানুহটোক ঠগিলে। সেইবোৰ কথাত মই কোনো মন-কাণ নিদিওঁ! মই যদি ই এ-চি হৈয়ো সেই সামান্য কথাৰ বিচাৰ কৰিব নোৱাৰো মানুহবোৰে মোক কি বুলি ভাবিব? মোৰ দুৰ্ব্বলতাখিনি প্ৰকাশ কৰি দিয়া হ'ব। অৱশ্যে এই সংসাৰৰ পুৰুষবোৰ কিছুমান ক্ষেত্ৰত খুব দুৰ্বল। সিহঁতৰ বিচাৰ বুদ্ধি সময়ত হেৰাই যায়। আনহাতে নাৰী জাতিটো সদায় কিছু কিছু ক্ষেত্ৰত খুব চতুৰ এটি হাঁহিৰে শত্ৰুকো জয় কৰে আৰু সেই হাঁহিৰে জীৱনো নষ্ট কৰে। এই জাতিটো বুজিব নোৱাৰিলো কোনো দিনে। বুজিবৰ চেষ্টাও কৰা নাই অৱশ্যে।

মন্দিৰা ফুকনৰ সতে থকা সময়খিনিত বাৰে বাৰে মোৰ চকুৰ আগত ভাঁহি উঠিছিল এটি কলেজীয়া জীৱনৰ ৰোমাঞ্চসনা স্মৃতিবোৰ জীৱন্ত হৈ উঠি মোক একেবাৰে দীঘলী-পুখুৰীৰ পাৰ পোৱাইছিলগৈ। য'ত মোৰ চকুৰ আগত চকু থৈ আবৃত্তি কৰিছিল সুমিত্ৰা দেৱীয়ে যাৰ মুখখনে মোক পাহৰাই দিছিল মোৰ জাগতিক ব্যাখ্যা যাৰ কাৰণে প্ৰয়োজনতকৈ দুটা বছৰ বেচি পঢ়িব লগা হৈছিল। গোটেই নিশা উজাগৰে থাকি সুন্দৰ ভাষা লগাই খুব দীঘল চিঠি এখন লিখিহে শুইছিলো। শেষত পাহৰি গ'ল সকলো কথা। মোৰ বাবে অকণো অপেক্ষা কৰিব নোৱাৰিলে। আজিহে বুজিছো সেই-বোৰ অঁকৰা কৰিক বলীয়া কৰা ফাগুন। ক্ষমা কৰি দিলো সুমিত্ৰাক। সেইয়া সুমিত্ৰাৰ দোষ নহয় বয়সৰহে। সুযোগ আহিছিল, বেঙাৰ দৰে যাথোন চাই থাকিলো।

এদিন অনাকাঙ্ক্ষিত ভাবেই ছন্দপতন হ'ল। স্বপ্নাৰ নিৰ্লিপ্ত মুখ আৰু চন্দনৰ লেপ সনা অশান্তিৰে মুদ খাই অহা চকু জুৰিলৈ চাই থাকোতে মোৰ অকস্মাৎ মনত পৰিল এখন মুখ। সেইখন মনৰ সঁচাৰ-কাঠিৰে চৌদিশ সোৱাৰ মুখহে। এক আকস্মিক ছায়া-পথত ক্ষণিক পোহৰ লৈ নামি অহা পপীয়া তৰাৰ দৰে অহা এইয়া মাথো মোৰ অকাল বসন্ত। সুমিত্ৰাই দৃঢ় ভাবেই জনাই দিলে "মোৰ মতে বিয়া হ'ব নোৱাৰে। ভাল পোৱাৰ দান মিলনেই নহয়।" মিলন হোৱা হলে হয়তো সেয়া এটা সামান্য কাহিনীয়ে হ'লহেঁতেন।

মাথো শুনিছিল। এক পাষাণ প্ৰতিমাৰ দৰে নিৰ্ব্বাক হৈ বহিছিল মন্দিৰা। ইয়াৰ পিচত ইচ্ছাকৃত ভাবেই মই অন্য প্ৰসঙ্গলৈ আগবাঢ়িলো। দেশৰ না না সমস্যাবোৰ আলোচনা কৰি সুমিত্ৰাক মাজতে সুমাই ৰাখিলো। অতীত বুৰঞ্জী যিমানেই ৰোমন্থনৰ

চেষ্টা কৰিছিলো সিমানেই গুৰুতৰ অপৰাধীয়ে নিজক ৰচাবলৈ গৈ মিছা মতাৰ দৰে এটাৰ পিচত এটাকৈ অজস্ৰ মিছা কথা কলে।

তেতিয়া সুমিত্ৰাৰ সতে বন্ধুত্ব আছিল বিকেন্দ্ৰীয়গামী। আজিৰ মন্দিৰাৰ বন্ধুত্বহে কেন্দ্ৰীয়গামী, গাঢ়। ছোৱালীৰ বন্ধুও বেচি শত্ৰুও বেচি, বদনামো হয় সহজে প্ৰেমৰ মূল্য ইমানেই কম হোৱা হলে আজিৰ যুগৰ কৰি তাক পাগলৰ সংখ্যা বহুত কমিলেহেঁতেন। আমাক কেন্দ্ৰ কৰি বন্ধু সমাজত বহুতো মজাৰ গল্পৰ সৃষ্টি হৈছিল, হবও। জীৱনটো সহজ বাট নহয়, বহুত খলাবমা

ক্ষমা কৰি দিছো সুমিত্ৰাক যিহেতু ক্ষমা স্বৰ্গীয় বস্তু। এইটোও ঠিক যে "চুটি কলেজীয়া জীৱনত ছোৱালী-চুপতি কৰা হয়, প্ৰেম কৰা নহয়। এই ৰোমাঞ্চত কেৱল জন্ম হয় সাহিত্য বা কৱিতা। তাত থাকে অকণি প্ৰেমৰ আকুতি। সেইবোৰ ছোৱালীৰ চকুত প্ৰেমৰ জোৱাৰ নাই, আছে বনৰীয়া ফুলৰ সুৰভি, সেই সুৰভিয়ে ক্ষণিক আনন্দ দিব পাৰে। সেইবোৰক সহজ কথাৰে ক'ব পাৰি "মামুলি প্ৰেম।" এয়া সুমিত্ৰাৰ বয়সৰ দোষ। লগতে মোৰ দৰে কৱিৰ বুৰ্বকামি। খুব ভুল কৰিলো সেই অঁকৰা কৱিক বলিয়া কৰা ফাগুনত উটি,— যি পেলাই দিলেহি এক অচিন বন্দৰৰ পাৰত।

আন নালাগে আমাৰ স্বপ্নাৰ কথাকে কওঁ। যি জনী ছোৱালীয়ে হেমন্তৰ বাহিৰে আনৰ লগত বিবাহ-সূত্ৰত আবদ্ধ নহওঁ বুলি প্ৰতিজ্ঞা কৰিছিল সেইজনীয়েই দেখোন প্ৰতিজ্ঞা ৰাখিব নোৱাৰিলে। এইবোৰ যৌৱনৰ উত্তেজনাহে, মাথো যৌৱনৰ।

হঠাৎ সুন্দৰ সাজ-পাৰেৰে এজন মানুহ সোমাই আহিল। অনুমান কৰিলো, মন্দিৰাৰ স্বামী। তেখেতে নিজেই নমস্কাৰ জনালে। ময়ো ভদ্ৰতাৰ খাতিৰত এটি নমস্কাৰ জনালো। বেচ অমায়িক যেন লাগিল ব্যৱহাৰত।

শিৱসাগৰ পুখুৰীৰ পাৰত প্ৰায়েই দেখো। দেখিলেই অস্বস্তি বোধ কৰো। মন্দিৰাৰ কাষত থকা সময়খিনি মই নিজকে পাহৰো। দিনটোৰ হাজাৰ ব্যস্ততাৰ মাজতো মই সময় উলিয়াওঁ। যিহেতু তেওঁৰ চকুত চকু থৈ মই আবৃত্তি কৰিব পাৰো। প্ৰতিদিন আনন্দ পাৰ্কত, শ্বহীদ স্তম্ভত নাইবা দ'লৰ কাষত বহি বহুত সময় কটাই দিওঁ। সেই সময়ত ঘড়ীটো কোবেৰে যোৱা যেন লাগে।

স্বপ্নাৰ কাণত মন্দিৰা আৰু মোৰ কথাবোৰ পৰিবলৈ বেচি সময় নালাগিল। প্ৰথমে তেওঁৰ বাধা নামানি গৈছিলো। শেষলৈ বন্ধ কৰি দিলো। যিহেতু পৃথিৱীত ইতিহাসৰ মৃত্যু নাই। আজিও পৃথিৱী এক প্ৰাচীন স্বপ্নত নিমগ্ন। আমি মাথো নিদ্ৰামগ্ন হৈ আছো। প্ৰাচীনতম্ প্ৰজ্ঞাকে অৱলম্বন কৰি সমাজৰ ঘাত-প্ৰতিঘাতত কাণ দি আগুৱাইছে। আজিৰ পৃথিৱীয়ে মানুহক ঘৃণা কৰিবলৈ শিকাইছে। য'ত শান্তিৰ লেখমাত্ৰ নাই। মাত্ৰ পৰচিন্তা লৈয়ে ব্যস্ত মানৱ। এৰি দিলো মন্দিৰাক চিৰদিনৰ বাবে। সমাজৰ চকুত মই বহুত সৰু হৈ গলো।

এইখন পৃথিৱী যুদ্ধৰ পৃথিৱী,—য'ত বিজ্ঞানৰ সূৰ্য্য ঘূৰিছে দুৰ্ব্বাৰ গতিত। ইয়াত কৰিতাৰ মূল্য নাই। শিল্পীৰ তুলিকাত জুই জ্বলিছে। আজিৰ পৃথিৱীত প্ৰেম নাই প্ৰেমিকা নাই,—আছে মাথোঁ প্ৰেমৰ অভিনেতাহে আৰু কিছুমান শূন্য মঞ্চ। দেশত মাথোঁ হাহাকাৰ।

কথাটো শুনি মোৰ বিশ্বাস হোৱা নাছিল। অনুসন্ধান চলালোঁ, শেষ মুহূৰ্ত্তত তথ্য উদ্ঘাটন কৰিলোঁ। মন্দিৰাৰ স্বামীৰ নাম আশ্ৰফহে, মোৰ নিজকে মানুহ মানুহ যেন লগা নাছিল। বিশ্বাস হেৰাই গৈছিল। আজিৰ বিজ্ঞানৰ যুগত এইবোৰ মঙ্গল গ্ৰহৰ যেন যাত্ৰীহে।

আৰু এদিন শ্বহীদ স্তম্ভকে সাক্ষী কৰি এডোখৰ টুকুৰা কাগজ দি আঁতৰি গ'ল। খুলি পেলালোঁ লগে লগে। এখন চিঠি, মোৰ ধৈৰ্য্য নহ'ল "এই সংসাৰত পুৰুষবোৰ কেনে তাকমো ৰ তিক্ত অন্তৰে বহু দিনৰ আগতে অনুভৱ কৰিছে। সিহঁতৰ অন্তৰবোলা বস্তুটো নাই,— আছে মাথোঁ আশাবাদী বহুতো স্বপ্ন আৰু বহুতো নিষ্ঠুৰ মৰম।"

কিবা এক অপ্ৰকাশ বেদনাই মোক আগুৰি ধৰিছিল। এই ঘাত-জৰ্জৰ বস্তুবাদী জগতৰ প্ৰকৃত ৰূপ দেখা পাই মই আচৰিত মানিলোঁ। তেতিয়াও আকাশত জোনটো অনুজ্জ্বল হৈ আহিছিল। তৰাবোৰে জুমি জুমি চাই হাঁহিছিল। পাৰ্কৰ ফুলবোৰে মোৰ সৈতে মুৰ জোকাৰিছিল।

---

যি দেশক মানুহে নিজৰ বুলি লৈ বুদ্ধি, প্ৰেম আৰু ধৰ্ম্মৰ দ্বাৰা গঢ়ি তোলে সেই দেশেই তেওঁৰ স্বদেশ। মানুহৰ দেশ মানুহৰ চিত্তৰ সৃষ্টি, সেই কাৰণেই দেশৰ মাজেৰেই মানুহৰ আত্মাৰ প্ৰকাশ।

—কবিগুৰু ৰবীন্দ্ৰনাথ।

# ঃ হেৰোৱা স্মৃতি ঃ

[ গল্প ]

শ্ৰীপ্ৰদীপ কুমাৰ বৰুৱা
তৃতীয় বাৰ্ষিক কলা

বিচনীখন ঘূৰাই ঘূৰাই মই বৰ ক্লান্ত হৈ গৈছিলো। উহ্, ইমান গৰম! মনত এনেকুৱা ভাব হল যেন আনকালে আৰু কেতিয়াও এনে গৰম পৰাই নাই। এৰা, ইমান গৰম আনকালে কেতিয়াও পৰা নাই। তাতে আকৌ এইবাৰ গৰম অলপ সোনকালেই পৰিছে। আচল গৰমৰ দিনকেইটাতো আছেই · খিড়িকীখনেৰে লাহেকৈ মই বাহিৰলৈ চাই পঠিয়ালো। আকাশত অলপ ক'লা ডাৱৰ থূপ খাইছে, হয়তো ৰাতি বৰষুণ দিব পাৰে। বাহিৰত কোনোৱা আহিছিল হবলা। মোৰ কাষতে মায়ে হাত-বাকচ এটা কাপোৰ এখনেৰে ঢাক কৰি আছিল। মানুহ অহাত মায়ে লাহেকৈ উঠি বাহিৰলৈ গ'ল। মই হয়তো তেনেকৈ পৰি থকাটো মায়ে ইচ্ছা নকৰিলে, নহলে উলিয়াই থোৱা কাগজ পত্ৰবোৰ বাকচটোত সুমুৱাই থবলৈ মোক নকলেহেঁতেন। মইয়ো বৰ বাধ্যৰ দৰে বিচনাৰ পৰা উঠি গৈ এখন এখন কৈ বাকচটোত কাগজবোৰ সুমুৱাবলৈ ধৰিলো। মই বৰ শৃঙ্খলাৰে কাগজ-পত্ৰবোৰ বাকচটোত সুমুৱাবলৈ চেষ্টা কৰিলো। এখন এখনকৈ সুমুৱাওঁতে এটা ডাঙৰ লেফোফা দেখি কিনো আছে এইবুলি চাওঁতে দেখিলো যে কিছুমান পুৰণি ফ'টো। প্ৰায়বিলাক ফ'টোৱেই সৰু সৰু, মাত্ৰ তিনি-চাৰিখনমানহে পোষ্টকাৰ্ড চাইজৰ—এনলাৰ্জ কৰা। প্ৰথমতে এনলাৰ্জ কৰা কেইখন চালো। বেলেগে বেলেগে দেউতা আৰু মাৰ দুখন আৰু গুৱাহাটীত থকা আমাৰ ঘৰটোৰ আগত আমি সকলোৱে তোলা ফ'টো দুখন। সৰুবিলাকৰ ওপৰৰখনত আছিল মোৰ একেবাৰে সৰু ভাইটোৱে চৰিয়া এটাৰ ওপৰত বহি পানী খেলি থকা অৱস্থাত আছে। তাৰ পাচৰ ফ'টোখন চাই মই সঁচাকৈয়ে বৰ আচৰিত হৈ গলো। মই ভাবিবই পৰা নাছিলো যে এনে এখন ফ'টো মই দেখিবলৈ পাম। বহু দিনৰ আগতে মই ফ'টোখন বিচাৰি মই কত যে হাৱৰাণ নহৈছিলো! এই ফ'টোখন বিচাৰি মই গুৱহাটীৰ পান-বজাৰত থকা প্ৰভাত ষ্টুডিও'কো কম আমনি কৰা নাছিলো, কিন্তু ষ্টুডিও'ত ফ'টোখনৰ নিগেটিভ্ বেলেগে নাছিল কাৰণেই মই আকৌ ফ'টোখন কৰাব নোৱাৰিলো। সেই সময়ত মোৰ মনটোত সঁচাকৈয়ে বৰ দুখ লাগিছিল। তথাপিও সেই দুখ মই মানি থৈছিলো। এতিয়া ফ'টোখন পাই মোৰ মনটো ভাল লাগি গ'ল। যদিও এই সময়ত মোৰ ফ'টোখনৰ প্ৰয়োজন

নাছিল। ফ'টোখন মই আৰামেৰে চাম বুলি বিচনাখনত শুই ললোঁহি আৰু মুখৰ আগত ফ'টোখন লৈ একান্ত মনেৰে চাবলৈ ধৰিলোঁ। সকলো ঠিকেই আছে। মাত্র মাজে মাজে দুই এটা বগা দাগ্ পৰি ফ'টোখনৰ সৌন্দৰ্য্য অলপ কমাইছে, তথাপিও ধুনীয়া। লাহে লাহে মোৰ স্মৃতি-পটত আজিৰ পৰা প্রায় আঠ বছৰৰ আগৰ ঘটনা এটাই ভুমুকি মাৰিবলৈ ধৰিলে। ইতিমধ্যে বাওঁহাতেৰে ফ'টোখন মই আলফুলকৈ তুলি লৈছিলোঁ।

মই প্রথমতে তাইক দেখিছিলোঁ গুৱাহাটীত। তাইৰ মাক আছিল খাছীয়া পাহাৰৰ কোনোবা এখন গাৱঁৰ। আমি তাইৰ মাকক দেখা নাছিলোঁ। দেউতাই তাইক শ্বিলঙৰ পৰা আমাৰ ঘৰলৈ আনে। তাইক আনোতে মই আছিলোঁ হাইস্কুলৰ তলৰ শ্রেণীত। দেউতাই কোৱামতে ঘৰত হেনো তাইৰ মাক আৰু তাইহে আছিল। মাকক অকলশৰীয়া কৰি তাইক লৈ আহোতে তাই হেনো অলপো অসন্মতি প্রকাশ কৰা নাছিল। গাৱঁৰ পৰা নগৰলৈ আহি তাই বৰং ভালেহে পাইছিল। প্রথম দিনা আহোতে মায়ে তাইক কুঁহিয়াৰ খাবলৈ দিয়া মোৰ বেচ মনত আছে। তাই থকা-মেলাৰ সুবিধা কৰি, দেউতাই গেৰেজৰ কাষতে এটা খেৰেৰে বেলেগ সৰু ঘৰ কৰাই দিছিল। প্রথম দিনা নতুন বুলিয়েই নেকি জানো অলপ অলপ লাজ কৰিছিল কিন্তু পিচলৈ তাইৰ সেই লাজ ভাঙিল। লাহে লাহে তাই আমাৰ বৰ ঘৰুৱা হৈ পৰিল, আনকি অতি কম সময়ৰ ভিতৰতে আমাৰ অসমীয়া মাত-কথাও দুই এটা বুজি পোৱা হ'ল। শ্বিলঙত তাইৰ ঘৰুৱা নাম আছিল কংকি। গতিকে আমিও তাইক সেই নামেৰেই ইয়াতো মাতিবলৈ ধৰিলোঁ। প্রথমতে দেউতাই তাইক বৰ মৰম কৰিছিল। কিন্তু পিচলৈ দেউতাই তাইৰ খবৰ সিমান নাৰাখিছিল।

ওখ, বগা আৰু ধুনীয়া শৰীৰটোৰে তাই সঁচাকৈয়ে বৰ চকুতলগা আছিল। দেউতা আছিল উচ্চ চৰকাৰী চাকৰিয়াল। গতিকে আমাৰ ঘৰলৈ দেউতাৰ অনুগ্রহ বিচাৰি প্রায়েই মানুহ আহিয়েই আছিল। প্রায়বোৰ মানুহেই দেউতাৰ অনুপস্থিতিত আমাক তাইৰ কথা সুধিছিল। বোধকৰো আমি সৰু বুলিয়েই নেকি জানো? মিছা কব নাপায়, আনকি কিছুমান গণ্য-মান্য লোকেও ছেগ্ বুজি তাইৰ কথা দেউতাৰ আগত উলিওৱা কেইবাদিনো মই মনে মনে শুনিছিলোঁ। তাইৰ খোজটোও আছিল এক-প্রকাৰ। এই খোজটোৰ কাৰণে তাই কিমানদিন যে মাৰ কথা শুনিব লগীয়াত পৰিছে তাৰ ঠিক নাই। মায়ে তাইক কৈ কৈ কিন্তু তাৰ পৰা অকণো লৰ-চৰ কৰাব নোৱাৰিলে।

লাহে লাহে তাইৰ লগত মোৰ ঘনিষ্ঠতা বাঢ়ি আহিল। মই স্কুলৰ পৰা আহি আবেলি তাইৰ লগত ধেমালি কৰোঁ। মোৰ ওপৰত তাই কেতিয়াও খং নেদেখুৱাই বৰং মৰমহে কৰে। পিচত মই তাইৰ ঘৰলৈকো যাবলৈ ধৰিলোঁ। মই গলে সদায়ে তাই বহি থাকে। মোৰ উপস্থিতিত তাই কোনো

আশঙ্কা বোধ নকৰে। মই গলে তাই মাত্ৰ মুখটো তললৈ কৰি লাজ কৰে। মোৰ বৰ ভাল লাগি যায়। লাহে লাহে মোৰ সাহ বাঢ়ি গ'ল গতিকে কেতিয়াবা মই তাইৰ একেবাৰে ওচৰলৈ যাওঁ—গাৰ কাষলৈকে। তাই কোনো অসম্মতি প্ৰকাশ নকৰে। মোৰ প্ৰতি তাইৰ মনটো কেনেকুৱা এই কথা জানি মোৰ মনটো আনন্দৰে ভাৰ পৰে। মোৰ আৰু তাইৰ মাজৰ সম্পৰ্কটো যে ঘৰৰ দুই এটাই গম নাপাইছিল এনে নহয়, কিন্তু মই সৰু লৰা বুলিয়েই নেকি মোক বিশেষ একো নকৈছিল। মাত্ৰ মায়েহে মোক কেতিয়াবা "কিনো হোৱাই-নোহোৱাই তালৈ গৈ থাক" বুলি সাৱধান কৰি দিছিল। কিন্তু মাৰ সেই কথাই মোক আকণো টলাব নোৱাৰিলে। এনেকৈয়ে আমাৰ ছমাহমান গ'ল। সাতমাহ সোমোৱাৰ লগে লগেই এটা ঘটনা ঘটিল। সেই ঘটনাই মোক প্ৰথমতে চিন্তান্বিত আৰু পিচলৈ বৰ ব্যতিব্যস্ত কৰি তুলিলে। তাইৰ প্ৰতি মোৰ যি বিশ্বাস সেই বিশ্বাস নোহোৱা হৈ গ'ল। মই ভাবিলো, মৰম কৰিলে মৰমৰ প্ৰতিদান এয়ে নেকি ?

আমাৰ ঘৰৰ বাওঁফালে এখন খালি পথাৰ আছিল। পথাৰখনৰ এটা মূৰত আছিল মদন গোৱালৰ ঘৰ। মদন গোৱাল দেছুৱালী মানুহ আৰু সি গাখীৰৰ কাৰবাৰ কৰে। ইমানখিনিবেই আমি মদন গোৱাল মানুহটোক জানিছিলো। আৱশ্যকবোধ নকৰাত ইয়াতকৈ আমি বেছি জানিবলৈ ইচ্ছাও কৰা নাছিলো। মদন গোৱাল মাজে মাজে আমাৰ ঘৰলৈ আহিছিল আৰু ঘৰৰ লগত ভাল বেছ সম্ভাৱ আছিল। কংকি শিলঙৰ পৰা অহাৰ এদিনৰ পিচতেই মদন গোৱাল আমাৰ ঘৰলৈ আহিছিল আৰু তাৰ লগত তাইক প্ৰথমতে ময়েই চিনাকি কৰি দিছিলো। তেতিয়া মই কোনো ভয় বা সন্দেহ মদন গোৱালক কৰা নাছিলো কাৰণ আমাৰ পৰিচিত প্ৰায়বোৰৰ লগতে মই কংকিক চিনাকি কৰি দিছিলো আৰু অলপ দিনলৈ ই মোৰ নিত্য কৰ্ম্মত পৰিণত হৈছিল। তাৰ পাচত আৰু বহুতোবাৰ মদন গোৱাল আমাৰ ঘৰলৈ আহিছে আৰু গৈছে। ইয়াৰ ভিতৰতে মদনৰ সান্নিধ্যলৈ তাই কেনেকৈ আহিল মই কব নোৱাৰো। কাৰণ প্ৰথমতে মদনক তাই ভাল চকুৰে চোৱা নাছিল। মদনৰ লগত তাইকতো মই আগেয়ে কেতিয়াও একেলগে দেখা নাছিলো। দুদিন এদিন দেখোতে দেউতাই ওচৰত আছিল। মনত আছে এদিন দেখিছিলো গৰু বিহুৰ দিনা। সেইদিনা তাই, মই আৰু মোৰ ওপৰৰ ককাইদেউজনা মদনৰ সৈতে আনন্দৰে ওচৰৰ নৈখনলৈ গৈছিলো। তাই, মই ও মদন পানীত নামিছিলো। এবাৰ তাই দ'ৰ ফালে যোৱাত মদনে তাইক পিঠিত থপৰিয়াই সেইফালে যাবলৈ মানা কৰিছিল। মইও তাইৰ ওচৰত আছিলো। মইও তেনেকৈ কব পাৰিলোহেঁতেন কিন্তু মদনে কিয় আগেয়ে কলে। তেতিয়াও মই কাকো সন্দেহ কৰা নাছিলো। কিন্তু এদিন সন্দেহ কৰিলো প্ৰথমতে মদন গোৱালক আৰু পাচত খাছীয়া পাহাৰৰ কংকিজনীক।

শুকুৰবাৰৰ সন্ধিয়া এটাত বেগা-বেগিকৈ ঘৰলৈ খোজ লৈছিলো। আকাশত মেঘবোৰে ঠেহ পাতি আছে। কোন সময়ত বৰষুণ দিয়ে ক'ব নোৱাৰি। বাৰিষা বতৰ। অলপ আগতে বৰষুণ দি গৈছে আকৌ হয়তো এতিয়াই আহিব পাৰে। এনেতে মোৰ কথাই ঠিক হ'ল। দুই এটোপাল বৰষুণ ইতিমধ্যে পৰিছেই। মই কিন্তু বৰষুণৰ কাৰণে ভয় খোৱা নাছিলো। ভয় খাইছিলো ঘৰৰ কাৰণেহে। ঘৰতো পালোহিয়েই বৰষুণ জোৰেৰে অহাৰ আগতে তেও ৰক্ষা পৰিলো। কিন্তু ইমান দেৰিলৈকে ঘৰলৈ নহাত মাৰ গালিৰ পৰা ৰক্ষা পৰাটোহে আচল ৰক্ষা। গতিকে মই এখোজকে দুখোজ কৰি ঘৰৰ ফালে গৈছো। ঘৰ পালোহি আৰু বেছি দেৰি নাই, কিন্তু মোৰ পাচফালে এইয়া কিহৰ শব্দ? পথাৰখন পানীত তিতি থকাত নিয়মতকৈ বেছি শব্দ হৈছিল। মোৰ অলপ ভয় লাগিল কাৰণ শব্দ একেবাৰে ওচৰতে। ঘপ্‌কৈ পিচলৈ ঘূৰি চাই মই বৰ অবাক হৈ গ'লো। কাৰণ সেই সময়ত মোৰ পাচফালে কোনোবা আহিব বুলি মই ভবাই নাছিলো। কংকিয়ে মুখটো তললৈ কৰি মোৰ পাচফালে যে আহি আছিল তাক মই কবই পৰা নাছিলো। একো নকৈ পোনতে তাইক কেনৈ ইমান পৰলৈকে ঘৰলৈ যোৱা নাই এই বুলি মাজ পথাৰতে এটা কৃত্রিম গালি দিলো আৰু লগে লগে দিলো তাইৰ পিঠিত লাহেকৈ এটা চৰ। মোৰ হাতখন অলপ গৰম লাগি গ'ল। বোধকৰো তাই বৰষুণত তিতিছিল। লাহেকৈ মই জেপৰ পৰা ৰুমালখন উলিয়াই হাতখন মচি ললো। তাইৰো গাটো মোৰ সৰু ৰুমালখনেৰে মচি দিবলৈ মন গৈছিল কিন্তু ভাবিলো যদি কোনোবাই দেখে তেন্তে মোক কি বুলিব। ৰাস্তাত মই তাইক কিবা-কিবি কৈ আহিছিলো। যাহওক তাইক আগবঢ়াই অনা বুলি মায়েও সিদিনা বিশেষ একো নকলে।

তাইৰ পিচদিনাও ঘৰলৈ আহোতে দেৰি হ'ল। লাহে লাহে তাইৰ ওপৰত মোৰ ক্রমে সন্দেহ বাঢ়ি গ'ল। ভাবিলো নিতৌ এইৰ কেনৈ ঘৰ সোমাওঁতে ৰাতি হয়। তাইনো নিতৌ ইমান দেৰিকৈ ক'ৰ পৰা আহে জানিবলৈ মই বৰ ইচ্ছুক হৈ পৰিলো। সেই গতিকেই পিচদিনা কিবা এটা কৰিম বুলি মনতে পাং পাতি থাকিলো। নির্দ্দিষ্ট সময় উপস্থিত হলহি। কিন্‌কিন্ কৈ বৰষুণ দি আছে। ডাৱৰীয়া কাৰণেই নেকি সিদিনা ৰাতিটোৰ আন্ধাৰবোৰ পৃথিবীলৈ অলপ সোনকালে আহিছিল। ক'ত সোমাব লাগে ঠিক নাই। গতিকে আগতেই সাৱধান হোৱা ভাল বুলি ভাবি মই ভৰিত 'কেন্‌ভাচ্' জোৰ আৰু তিনিৰেটাৰীৰ টর্চ্চটো জেপত সুমুৱাই ললো। কোনেও নজনাকৈ দেউতাৰ পুৰণা পানীকোটটো আৰু টুপীটো পিন্ধি লাহে লাহে মই ঘৰৰ পৰা ওলাই তাই অহা বাটেৰে খোজ ললো। মনতে ভাবি গৈছো বেচেৰীয়ে হয়তো ক'বই নোৱাৰে যে তেওঁৰ আচল খবৰ লবলৈ এজন আহিছে। ৰ'বা আৰু অলপহে, গম পাবা। কিহৰ কাৰণে

তোমাৰ ইমান ৰাতি। তুমি ভাবা হয়তো তোমাৰ ঘৰটো বেলেগ কাৰণে আমি একো গম নাপাওঁ। এনেদৰেই ভাবি মই গৈ আছো বৰ সাৱধানেৰে। চাৰিওফালে এবাৰ এনেয়ে ঘূৰি চালো। লগে লগে টৰ্চ্চটো জেপৰ পৰা উলিয়াই সোঁহাতেৰে ভালকৈ খামুচি ধৰি ললো। মাই ঠিক আছে। তাই চাগৈ এতিয়াও ঘৰলৈ অহা নাই। অলপ দূৰ গৈছোহে মাত্র হঠাৎ মোৰ টৰ্চ্চটো জ্বলি উঠিল। টৰ্চ্চৰ পোহৰত দেখিলো কংকিয়ে তললৈ মূৰ কৰি নিশ্চিন্ত মনেৰে আহি আছে ঘৰলৈ। তাইক তেনেকৈ অকলে আহি থকা হলে মই বেছি আচৰিত নহলোহেঁতেন কিন্তু তাইৰ লগে লগে মদন গোপালক দেখিহে মই বৰ আচৰিত হলো। বোধকৰো মদন গোপালে তাইক আগবঢ়াই দিছে। সিহঁতে মোক চিনিব নোৱাৰিছিল গতিকে তাহাঁতক একো নকৈ ৰাস্তা এৰি দিয়াটোকে মই সমীচীন বুলি ভাবিলো। তাইৰ আৰু মদন গোপালৰ ওপৰত মোৰ বৰ খং উঠি গ'ল। আমাৰ ঘৰত কি খাবলৈ নাই যে তাই মদন গোপালৰ তালৈ যাব। ৰাতিপুৱা, দুপৰীয়া, আবেলি তাই পেট ভৰাই খায়েই দেখোন। মদন গোপালেনো তাইক মনে মনে কেলৈ এইদৰে প্রশ্রয় দিছে। লোকৰ ঘৰত থকা প্রাণীৰ ওপৰত তাৰ ইমান লোভ কিয়? তাতে কংকিৰ লগত মোৰ কি ঘনিষ্ঠতা সি তাক জানেই। তথাপিও সি কংকিক লোভ কৰে। বাৰু মদন গোপালে মোক চিনি পোৱা নাই। মোৰো যে এটা পাৰ্টি আছে, সি হয়তো নাজানেই। ঘৰৰ সহায়ো লব পাৰো কিন্তু ঘৰত কথাটো কলে আটাইয়ে মোক বুৰ্ব্বক বুলি হাঁহিব। এইদৰে ভাবি গুণি মনে মনে মই ঘৰ সোমালোহি। সিদিনা একো নাখাই শুই থাকিলো।

পিচদিনা কামৰ পৰা আহিয়েই দেউতাই কলে দেউতা হেনো ডিব্রুগড়লৈ বদলি হৈছে আৰু আমি দুই-চাৰিদিনৰ পাচতে যাব লাগিব। কথাটো শুনি ঘৰৰ বাকীবিলাকে ভাল পালেনে নাই ক'ব নোৱাৰো, মই কিন্তু বৰ ভাল পালো। নতুন ঠাই দেখিম, নতুন কথা শিকিম, নতুন স্কুলত পঢ়িম ইত্যাদি ভাবে মোৰ মনটো আগুৰি ধৰিলে। তাৰোপৰি ভাল পোৱাৰ আচল কাৰণটো হল আমাৰ লগতে দেউতাক কৈ কংকিকো ডিব্রুগড়লৈ লৈ যাম। এই কথাষাৰ তৎক্ষণাৎ মদন গোপালক জনাই দিবৰ মোৰ মন গ'ল। তাৰ ওপৰত প্রতিশোধ লবলৈ যেন ভগৱানে মোক এটা ভাল সুযোগ দিছে। মদন গোপালে আৰু মোক কিমান দিন এই দৰে ভুৱা দি থাকিব। তাৰ আচল স্বৰূপ মই ইতিমধ্যে উদ্‌ঘাটন কৰিছো। তাৰ মুখত কেৱল কংকিৰ কথা, কেলেই? তাই লাগিলে যেনেকুৱাই নহওক তাক প্রশংসা কৰাৰ তাৰ দৰকাৰ বা কি? কংকিৰ কথা ভাবিলো তাই বেচেৰীৰ চাগৈ একো দোষ নাই। তাই সৰল স্বভাৱৰ। মৰম হয়তো আমাতকৈ কিজানি অলপ সিহঁতে বেছিকৈ বুজে। গতিকে কোনোবাই মৰম যাচিলে তাই তাক নেওচিব নোৱাৰে। এইটো কিজানি ইহঁতৰ স্বভাৱেই। গতিকে সেইফালৰ পৰা কংকিৰ গাত মই একো দোষ

নেদেখিলো। মই কিজানি কংকিক ভাল পোৱাৰ কাৰণেই কোনো প্ৰকাৰে তাইৰ ওপৰত কোনো দোষ জাপি দিব নোৱাৰিলো। কিন্তু তথাপি তাই মদন গোপালৰ ঘৰলৈ মনে মনে যায় কিয়? খোৱা-বোৱাৰ ফালৰ পৰা আমাৰ ঘৰততো তাই একো কষ্ট পোৱা নাই। তাই হয়তো এতিয়াও তাক বুজি পোৱা নাই। তাৰ মনৰ আচল কথা তাই হয়তো এতিয়াও গম পোৱা নাই। মিছা প্ৰলোভন দেখুৱাই হয়তো সি তাইক ফুচুলাইছে। কিন্তু এই ফুচুলনি আৰু তাৰ বেছি দিন নচলিব, খুউব বেছি হয়তো দুই চাৰি দিন।

পিচদিনা আছিল দেওবাৰ। ৰাতিপুৱা শুই উঠি মোৰ মনটো বৰ ফৰকাল ফৰকাল লাগিছিল যেন বহুত দিন চিন্তা কৰাৰ পাচত কিবা এটা ডাঙৰ কাম হৈ উঠিল। দিনটোও বেছ ফুৰ্ত্তিৰেই পাৰ কৰি দিলো। সেইদিনা ইচ্ছা কৰিয়েই মই গধূলি খেলি আহোঁতে মদন গোপালৰ ঘৰৰ আগেদি আহিছিলো। ইচ্ছা আছিল মদন গোপালক লগ পালে আমি বদলি হোৱাৰ কথাটো খুউব ৰং-মনেৰে জনাম। কিন্তু ভগৱানৰ কি ইচ্ছা কব নোৱাৰো মদন গোপালক মোৰ কথাটো জনোৱা নহ'ল। অৱশ্যে তাক যে মই লগ পোৱা নাছিলো এনে নহয়, পাইছিলো। সি তাৰ মুখেৰে কিবা-কিবি কৈ ঘৰৰ আগৰ কুঁহিয়াৰৰ বাৰিখনত সোমাই কুঁহিয়াৰৰ দীঘল পাতবোৰ কাটি ৰাস্তাৰ ফালে দলিয়াই আছিল আৰু কংকিয়ে তাইৰ ডিঙিৰ মণিধাৰ জোকাৰি জোকাৰি সেইফালে বৰ আগ্ৰহেৰে অহা যেন দেখিছিলো। মোক দেখি মদন গোপালে আনকালৰ দৰেই মাতিছিল। মই কিন্তু যিমান পাৰো সিমান চমুকৈ তাৰ উত্তৰ দি ঘৰৰ ফালে গুছি আহিছিলো। সিদিনা সেই সময়ত মোৰ বৰ বেয়া লাগিছিল। কংকি যে মদন গোপালৰ তালৈকে যায় তাক মই সিদিনা বেছ গম পালো। তাইক মই ইমান মানা কৰিছিলো তথাপি তাইৰ স্বভাৱৰ লৰচৰ নহ'ল। তাইৰ ওপৰত মোৰ আস্থা হেৰাই গ'ল।

ইয়াৰ পাচৰখিনি একেবাৰে চমু অৰ্থাৎ তাৰ কেইদিনমান পাচত আমি গুৱাহাটীৰ পৰা গুচি আহিলো। আমাৰ লগত কিন্তু কংকি নাহিল। মদন গোপালৰ দৰে মই তাইক মৰম কৰিব নেজানিলো। মদন গোপালে মা আৰু দেউতাক কৈ তাইক তাৰ নিজৰ কৰিয়েই ৰাখিলে। তায়ো কোনো আপত্তি নকৰিলে। মোৰ দুখ লাগিছিল। মই জানো যে মই একো কৰিব নোৱাৰো। সেই কাৰণে তাতেই তাই ভালে-কুশলে থাকক বুলি বিশেষ একো নকলো।

ফটোখন আকৌ এবাৰ ভালকৈ চালো। কংকি শ্বিলঙৰ পৰা গুৱাহাটীৰ আমাৰ ঘৰলৈ অহাৰ কেইদিনমানৰ পাচতে এই ফটোখন আমাৰ মোমাইদেৱে তেওঁৰ নতুন কেমেৰাটোৰে তুলিছিল। সকলো অঙ্গ-প্ৰত্যঙ্গই বঢ়িয়াকৈ উঠিছিল। উজ্জ্বল ধুনীয়া চকুজোৰ যেন মোলৈকে চাই আছে। দীঘল কাণ কিখন, ধুনীয়া ক'লা শিংজোৰ আৰু ধুনীয়া বগা নিপোতল শৰীৰটো তাৰোপৰি দীঘল নেজডাল মাটিত লাগো লাগো হৈ

আছে। মুঠৰ ওপৰত প্ৰয়োজনীয় সকলো সৌন্দৰ্য্যৰে বঞ্চিতা এজনী ধুনীয়া গাই। এতিয়া চাগৈ মদন গোপালৰ কাৰবাৰ আৰু বহল হৈছে। ফটোখন এবাৰ ক'ত যে হেৰাই-ছিল ক'ব নোৱাৰো। বিচনাৰ পৰা নামি আকৌ আগৰদৰে আন আন কাগজ-পত্ৰৰ লগত ফটোখনো ভালকৈ থৈ দিলো। উঠি আহি দুৱাৰ মুখতে মাক লগ পালো। বোধ কৰো মায়ে ইতিমধ্যে ফুৰিবলৈ অহা মানুহক বিদায় দিছে। বাকচটোৰ ফালে চাই মায়ে এটি সন্তোষৰ হাঁহি মাৰিলে। সেই হাঁহিত যেন বহুত কিবা-কিবি সোমাই আছিল।



# ঃ ছন্দ হাৰা ঃ

—অধ্যাপক ভুবন চুতীয়া।

[ গল্প ]

সন্ধ্যা নামি আহিল। নগৰৰ ৰাজ-পথত বিজুলি চাকিবোৰ জ্বলি উঠিল। অলপ আগতে বিৰ দি বাট পাৰলৈ নোহোৱা বাটত মানুহৰ সংখ্যা লাহে লাহে কমি আহিবলৈ ধৰিলে। টেক্সী ড্ৰাইভাৰ ৰামধনৰ দৃষ্টি ৰাজ-পথৰ মানুহৰ প্ৰতি বেচি সন্ধানী হৈ আহিল।

পুৱা ৮ বজাতে টেক্সীখন আনি ষ্টেণ্ডত খাৰা কৰি কোনোবা ঠাইলৈ যোৱাৰ আশাত কোনোবা অজানা যাত্ৰীৰ আশাত বাট চাই চাই দিনটো ৰামধনে আজি বাৰে বাৰে এটা কথাই ভাবি আছে— পুৱাই শুই উঠি সি আজি কাৰ মুখ দেখিছিল। বাৰে বাৰে মনত পেলাবলৈ যত্ন কৰিও তাৰ মনত পৰা নাই কোন হব পাৰে সেই অমঙ্গলীয়া মানুহটো, যাৰ দৰ্শনৰ কাৰণে সি আজি দিনৰ দিনটো বৈ এটাও ভাড়া পোৱা নাই। ইমান চেষ্টা কৰিও সি কিন্তু পুৱা উঠি তাৰ সাত বছৰীয়া পুতেক বুলবুলৰ বাহিৰে আৰু কাকো দেখাৰ কথা মনত পেলাব পৰা নাই। তাৰ ভৱিষ্যত আশাৰ স্থল বুলবুল। বহুত কিবা-কিবি সি আশা কৰি আছে বুলবুলৰ পৰা। ভগৱানে কৰাত তাৰ আশাবোৰ যে বালিঘৰ নহয়, তাৰ আভাস তাক দিছে। কণমান লৰাটো। এটা সাধাৰণ বেয়া মানুহ টেক্সী ড্ৰাইভাৰৰ লৰা সি। হলে কি হব, পদুম বোকাতহে ফুলে। নহলেনো অতখন ডাঙৰ, সৰু সকলো ধৰণৰ মানুহৰ লৰা থাকোতে তাৰ বুলবুলে শ্ৰেণীত প্ৰথম হৈ প্ৰমোচন পায়নে? বুলবুলে সঁচাকৈয়ে তাৰ নাম উজ্জ্বল কৰিব।

আজি শুই উঠি প্ৰথম সি বুলবুলকে দেখিছে। বুলবুলে যেন সি শুই উঠালৈ বাট চাইহে আছিল। জাৰৰ দিনৰ পুৱাৰ লেপৰ উমৰ মোহ এৰিব নোৱাৰি উঠো উঠো বুলিও উঠিব নোৱাৰি বাগৰ কেইটামান সলাই চকু দুটা মেলাৰ লগে লগেই বুলবুলে জপিয়াই জপিয়াই তাক কৈছিল— 'দেতা আজি নতুন কিতাপ আনি দিবই লাগিব। ৰফিক, মণ্টু, সকলোৰে আনিলে। মোৰহে আনি দিয়া নাই।" কথাখিনি শুনি নিজকে তাৰ এজন খুনীৰ দৰে অপৰাধী যেন লাগিল। তাৰ লৰাই শ্ৰেণীত প্ৰথম হৈ প্ৰমোচন পাইছে। ওপৰ শ্ৰেণীৰ লৰাও নহয়। কিতাপ কেইটা আনি দিবলৈ বৰ বেচি কুড়িটা টকা লাগিব। অথচ সেই কুড়িটা টকাকে আজি সি দুদিনে যোগাৰ কৰিব পৰা নাই। যোৱা কালি মহাজনক দি হাতত বৈছিল মাত্ৰ টকা পাঁচটা। তাৰে বজাৰৰ পৰা অকণমান মাছ, অলপ শাক-

পাচলি আৰু অলপমান বুনিয়া লাড়ু লৈ আহিল। তাৰ লৰাই শ্ৰেণীত প্ৰথম হোৱাত লগৰ লৰাবোৰে মিঠাই মিঠাই কৈ আছে। লৰাৰ কথা। খোৱাইও তৃপ্তি পাব আৰু তাৰ মুলবুলেও উৎসাহ পাব গতিকেই বুনিয়া লাড়ুখিনি। বুলবুলক অৱশ্যে কোৱাই নাই কথাটো। ৰাতি ১১ বজাত সি যেতিয়া ঘৰ সোমাইছেহি বুলবুল টোপনিত লালকাল দি আছিল। বহুত সময়ত তাৰ তেনেকুৱাই হয়। কেতিয়াবা সদায় ঘৰতে থাকি'ও এসপ্তাহলৈকে তাৰ বুলবুলৰ লগত কথা পতাই নহয়। ৰাতি যেতিয়া সি ঘূৰি আহে বুলবুল শুই থাকে। আকৌ পুৱা যেতিয়া ৩।৪ বজাতে সি ঘৰৰ পৰা ওলাই বুলবুল শুয়েই থাকে। বৰ দুখ লাগে কেতিয়াবা।

শুই উঠিয়েই সি বুলবুলকে দেখিছে প্ৰথমে। তাৰ পিচত সদায় নিশা ১০।১১ বজালৈকে লঘোনে-ভোকে তাৰৈ বাট চাই থকা তাৰ তিৰোতাজনী: 'বেচেৰী'। তাৰ তিৰোতাজনীৰ কথা ভাবিলেই অন্তৰখনৰ কোনোবাখিনিত বৰকৈ কিহবাই আঘাত কৰা যেন লাগে। সৰু ছোৱালী এজনীক কোলাত লৈ মৰম কৰাৰ দৰে মৰম কৰিবৰ মন যায়। ভগৱানৰ প্ৰতি আপোনা-আপুনি মূৰটো দোঁ খাই যায়। ইমান মৰম, ইমান শ্ৰদ্ধা, ইমান শক্তি সোমাই আছে কলী-মাল সেই অকণমান দেহাটোৰ ভিতৰত। ভাবি থাকোতে কেতিয়াবা কব নোৱৰাকৈয়ে তাইক উৰ্মিলাৰ লগত তুলনা কৰি পেলায় সি।

সাদৰী হাতেৰে সযতনে যতনাই দিয়া এমুঠি খাই উঠি মুখত বিড়ি এটা জ্বলাই যেতিয়া দিনটোলৈ বুলি ওলাইছে, তেতিয়াও দুৱাৰমুখত সি দেখা পাইছে— তাকেই বিদায় জনাবৰ কাৰণে হাতত কম্বলখন আৰু বান্দৰ টুপীটো লৈ বৈ থকা- তাৰ নিজৰ মানুহজনীকেই। তাৰ পিচত পদূলিত দেখা পাইছে পুৱাৰ মিঠা ৰ'দৰ সোৱাদ লৈ পুৰণা অসম বাণী, কেইখনমান কাগজ, কেচি, কেইডালমান বাঁহৰ কাঠি, অলপমান ভাত লৈ গুড্ডি বনোৱাত ব্যস্ত তাৰ বুলবুলটো। তাক ওলাই যোৱা বুলি গম পাই ওপৰলৈ মূৰ নকৰাকৈয়ে সি আকৌ এবাৰ সোঁৱৰাই দিলে তাক— "দেতা, আজি আনিব লাগিব হলে— ।"

তাৰ পিচতেই মহাজনৰ ঘৰৰ পৰা গাড়ীখন উলিয়াই আনি সি দিনটো ষ্টেণ্ডত বহি আছে যাত্ৰীৰ আশাত। দিনটো বাৰে বাৰে কাণত বাজি আছে বুলবুলৰ কথা কেইটা। লগে লগে তাৰ দৃঢ় সঙ্কল্প যে— আজি সি কিতাপ নিবই, কিন্তু ক'তা? দিনৰ দিনটো বাট চাই এজনো যাত্ৰী আজি সি পোৱা নাই। এতিয়ালৈকে এটা পইছাৰো আমদানি হোৱা নাই তাৰ। কিতাপৰ দোকান যে অলপ পিচতে বন্ধহৈ যাব। অন্য বস্তু হোৱা হলে যেই সেই এখন দোকানৰ পৰা বাকী কৰিয়েই নিব পাৰিলোহেঁতেন। চিনাকি দোকানী বহুত আছে। কিতাপৰ দোকানীতো তাৰ এজনো চিনাকি নাই। হব কেনেকৈ? যোৱা দুবছৰে বুলবুললৈ নেওঁতা আৰু লৰা-পাঠ পুথি কিনিবলৈ যোৱাৰ বাহিৰেতো সি এদিনো যোৱা নাই

কোনো কিতাপৰ দোকানলৈ।

সোৱা চামচুল আহিছে ভাড়া মাৰি। তাৰ আজি তক্দিৰ বৰ ভাল। পুৱাই পালে এটা ভাড়া দিনটোৰ কাৰণে। তাৰ পৰাই টকা কুড়িটামান ধাৰলৈ লোৱা যাওক।

"হেৰা ড্ৰাইভাৰ যাবানে ?"

"ক'ত যাব বাবু ?"

"তিনচুকীয়া।"

"বলক বাবু।"

"ভাড়া পিচে ?"

"থৈ আহিব লাগিবনে, আকৌ লৈ আহিব লাগিব ?"

"আকৌ ঘূৰি আহিম"— যাত্ৰীয়ে কলে।

ৰামধনে যেন কোনোবা দেৱতাকহে পালে। মনটো তাৰ কুমলি গ'ল। ঘপ-কৰে কৈ পেলালে, 'আপ-ডাউন, মাইলে আঠ অনাকৈ দিব বাবু।"

"বলা।"

যাত্ৰী গাড়ীত বহিল। দুজন মানুহ। দেখাত বেচ্ ভদ্ৰলোক। হয়তো ঠিকাদাৰ হ'ব। ৰামধনে ভাবি পেলালে।

জাৰৰ দিনৰ কথা। গাড়ীৰ দুৱাৰ আদি ভালকৈ বন্ধ কৰি দি ৰামধনে গাড়ী চলাই দিলে।

নগৰৰ সীমা অতিক্ৰম কৰাৰ লগে লগেই এন্ধাৰবোৰ গাঢ় হৈ আহিল। মাজে মাজে ডাঠ কুঁৱলী। বাৰে বাৰে লাইটৰ "ফ'কাচ" বদলাব লগা হৈছে। কব নোৱাৰা-কৈয়ে ৰামধনৰ হাতৰ মুঠি টান হৈ গৈছে। বাটৰ যেচনবোৰ এটি এটিকৈ অতিক্ৰম কৰি আগবাঢ়ি গৈ আছে ৰামধনৰ টেক্সী, দুজন যাত্ৰী লৈ। যাত্ৰী দুজনৰ কথা-বাৰ্ত্তাৰ পৰা বুজিব পাৰিলে তাৰ অনুমান মিছা নহয়। দুয়ো কাৰবাৰী মানুহ। কাৰবাৰৰ কথাকে পাতিছে। ফ্ৰি ৰাস্তা। কুঁৱলীয়ে আগনি নকৰাহেঁতেন আৰু অলপ স্পীদ দিব পাৰিলোহেঁতেন। ঠিকেই আছে। বেচি স্পীদত গাড়ী চলোৱা ভাল নহয়। তাতে গাড়ীখনৰ ... ...কথাষাৰ মনত পৰাৰ লগে লগে সি আৰু অলপ জোৰেৰে খামুচি ধৰিলে ষ্টিয়েৰিংত।

সোৱা হিজুগুৰি। তিনচুকীয়া পালো-হিয়েই। গাড়ীৰ ঘৰিটোলৈ চাই দেখে মাত্ৰ এঘণ্টা লাগে ডিব্ৰুগড়ৰ পৰা তিনিচুকীয়ালৈ। "এতিয়া হল্টেজ" বা কিমান ডেৰি কৰে। বেচি ডেৰি কৰিলে আকৌ ডিব্ৰুগ ত কিতা-পৰ দোকান বন্ধই হৈ যাব। ঠিক আছে। তিনচুকীয়াত জানো কিতাপৰ দোকান নাই। ইয়াৰ পৰাই কিনি নিব। কিন্তু সি যাত্ৰী আনিছেহে। ভাড়াতো তাক দিয়া নাই। একো কথা নাই। ডিব্ৰুগড়ত বজাৰ কৰাত ডেৰি হ'ব বুলি কৈ বজাৰ কৰিবলৈ বুলি টকা দহটামান খুজি লব লাগিব। আটাইবোৰ নহলেও কেইখনমান অন্ততঃ কিনি নিব। কিতাপো জানো কমসোপা ? তাৰ অকণমান বুলবুলটোয়ে যে ইমানবোৰ কিতাপ পঢ়িব ভাবিলে আচৰিতেই লাগে। নপঢ়িব কিয় ! এনেয়ে প্ৰথম হৈছেনে শ্ৰেণীত ? হওক এসোপা কিতাপ। কি কথা আছে। যিমানে পঢ়িব সিমানেই ভালহে। পিছে বস্তু-বেহানিৰ দামবোৰহে অতি চৰাহৈ গৈছে

দিনে দিনে। বজাৰত অনান্য বস্তু-বেহানিৰ যিহে জুইছাই দাম। কিতাপৰ দাম অৱশ্যে সি কব নোৱাৰে। তথাপি অন্য বস্তুৰ দাম বাঢ়িছে যেতিয়া কিতাপৰো দাম নিশ্চয় বাঢ়িছে।

এই তিনচুকীয়া পালোহিয়েই। সোৱা তিন্‌কোণীয়া পুখুৰী। "কোনফালে লম বাবু"—সি যাত্ৰীক সুধিলে। যাত্ৰীয়ে উত্তৰ দিলে—"কচুজান ৰোড।" ইয়াত কৈ আৰু বেছি কবৰ দৰকাৰো নাই। তিনিচুকীয়া তাৰ অজানা ঠাই নহয়।

সি আকৌ ভাবিবলৈ ধৰিলে। আগৰ দিনত হোৱা হলে হয়তো বুলবুলৰ কিতাপখিনি কিনিবলৈ বৰ বেছি পাঁচটকা লাগিলেহেঁতেন। এতিয়া লাগিব কমেও কুড়িটকা। চাৰি গুণ বেচি। কি যে হৈ গ'ল দিন-দুনীয়া। দেশত কিবা বস্তুয়েই কমকৈ হৈছেনে, কিয়েই নে? নহয়, এই পাকিস্থানখন হৈয়েই যি হবৰ হ'ল। কমখন মানুহ আহিল নে আমাৰ দেশলৈ তাৰ পিচৰ পৰাই। এইবাৰু তিনচুকীয়া। আজি দহ বছৰৰ আগতে কি আছিল আৰু আজি কি হ'ল। চাৰিওফালে পথাৰ, মাজে মাজে পুৰণি ৰজাদিনীয়া পুখুৰী, মাটিৰ গড়, আলিৰ দুয়োকাষে পিটনি মাজতে ষ্টেচনটো, বজাৰখন, হাইস্কুল আৰু তেল কোম্পানীৰ ঘৰবোৰৰে সৈতে প্ৰকাণ্ড টেঙ্কিবোৰ। এয়েই আছিল তিনচুকীয়া আজি দহবছৰৰ আগতে আৰু আজি ভাবিবই নোৱাৰি আজিৰ তিনচুকীয়াৰ অৱস্থা আজি দহবছৰৰ আগৰ তুলনাত।

"ড্ৰাইভাৰ ৰোকা" — এজন যাত্ৰীয়ে কলে। এইয়া টাউন এৰি ভালেমান দূৰ আহিল। বাগানৰ সীমা পালোহি। "চাইড" কৰি গাড়ী ৰাখিলে সি। গাড়ী ৰখাৰ লগে লগেই আৰোহী নামি পৰিল আৰু "এঘণ্টাৰ ভিতৰত ঘূৰি আহিম" বুলি কৈয়েই এন্ধাৰৰ মাজত যাত্ৰী লীন হৈ গ'ল। একেষাৰ কবলৈকো সি সুবিধা নাপালে।

তাৰ পিচত এঘণ্টা, ডেৰ ঘণ্টা, পুৰা দুঘণ্টা মটৰৰ ভিতৰতে বোন্দাপৰ দিয়াৰ পিচত ঘূৰি আহিল যাত্ৰী দুজন। সকলো পণ্ড হ'ল তাৰ। ডিব্ৰুগড় নেলাগে তিনচুকীয়াতো নিশ্চয় কিতাপৰ দোকান বন্ধ হ'ল। বৰ খং উঠি গ'ল তাৰ। প্ৰথম গাড়ী লবলৈ আহোতে দেৱতা যেন লগা মানুহ দুজনৰ ওপৰত।

তথাপি সি শান্তনা লভিছে এটা কথাত। যোৱা কালি দোকানত কিতাপ নাই অহা বুলি জীয়া ফাঁকি এটা দিওঁতে বুলবুলেই তাক কৈছিল—সিহঁতৰ স্কুলৰ মাষ্টৰৰ হাততে সব পিতাপ আছে বুলি। ভাড়া পাইছে যেতিয়া কাইলৈ টকাকে দিব। বুলবুলৰ হাতত; মাষ্টৰৰ পৰাই লৈ লব কি কি কিতাপ লাগে।

আৰোহীৰ নিৰ্দ্দেশত সি গাড়ী চলাই দিলে। দিনত মুখৰ তিনচুকীয়াৰ এটা মৃত প্ৰায় ৰূপ। গৰম কাপোৰলৈ নিশা আৰামেৰে কটাব নোৱাৰা কিছুমান বিহাৰী মটিয়াই ৰাতিৰ জাৰ, দিনৰ কষ্ট পাহৰিবলৈ একে লগে লগ লাগি কীৰ্ত্তনৰ নামত এটা চিনেমাৰ গানকে নিজৰ তাল মানত খাপ,

খুৰাই লৈ গাই থকাৰ বাহিৰে মানুহৰ কোঢ়াল নাই। দুই এটা ফাপৰে ধৰা কুকুৰৰ বাহিৰে ৰাস্তাত কোনো নাই। গাড়ীৰ বেগ সচৰাচৰ বাঢ়ি যোৱাৰ দৰেই বাঢ়ি গ'ল। যোৱা বাটেৰে আকৌ ঘূৰি আহিল ৰামধনৰ গাড়ী, ষ্টেচনবোৰ এটা এটাকৈ পিচ পেলাই আহোতেও বাটত একেখিনি কথাকে ভাবি আহিছে ৰামধনে। তাৰ বুলবুলৰ কথা, মৰমী মানুহজনীৰ কথা। বাটলৈ চাই আমনি লাগি বুলবুল নিশ্চয় শুই পৰিছে ইমান পৰে। আৰু তাৰ মানুহজনী? হয়তো কিবা হাতৰ কাম কৰি বহি আছে। হয়তো বুলবুলৰ লগতে শুই পৰিছে কাণ দুখন সজাগ ৰাখি। ঘৰৰ আগত তাৰ গলখেকাৰিটো শুনিয়েই লেমটো লৈ দুৱাৰখন খুলি দিবলৈ উঠি আহিব। জুই ধৰিবলৈ লোৱা ভগা চৰুটো আনিব। জুই ধৰি দিব। হাত ভৰি ধুবলৈ গৰম পানী আনি দিব। ভাত-পানী যতনাই দিব। সি খাই থাকোতে জুইৰ অঙঠাবোৰ খুচৰি থাকিব। তাৰ পিচত, আৰু কিবা-কিবি বহুতো।

এইয়া চাউলখোৱা পালোহি আৰু অলপ দূৰ। গাড়ী চাই দেখে এঘণ্টাও নালাগিল আহি পাওঁতে। ১১ বাজিবলৈ আৰু ১৫ মিনিত মাত্র।

এইয়া জালান নগৰ পেট্রলৰ পাম্প। এতিয়া কোনফালে যোৱা যায়। কানৈ কলেজৰ ফালেই ভাল হ'ব। বাটত পুলিচ আছে বা। ৰাস্তাটো আকৌ 'ওৱান ৱে" কৰিলে নহয়। পুলিচে পালে ধৰিব। নাই ক'ৰ পুলিচ বাটত বৈ আছে এই ৰাতিখন ইমান ঠাণ্ডাত। এই ফালেই যোৱা যাওক

ইমান কুঁৱলি এই খিনিত। লাইটৰ "ফ'কাচ" বদলি কৰিলে ৰামধনে। আৰে এইটো কি? ব্রেক, ব্রেক যে নাই গাড়ীত। তেন্তে..........

আৰু একো ভাবিবৰ সময় নহল ৰামধনৰ। বাটত শুই থকা গৰু বচাবলৈ যাওঁতে গাড়ী গৈ ডাঙৰ এটা আৱাজ কৰি কলেজৰ বাউণ্ডাৰি ৱালত খুন্দা মাৰিলে গৈ। শব্দ শুনি পৰীক্ষাৰ আগ-মুহূর্ত্তত নিশালৈকে পঢ়ি থকা কিছুমান হোষ্টেলবাসী ছাত্র ওলাই আহিল। পুলিচত খবৰ দিয়া হ'ল। পুলিচ আহি গাড়ীৰ ভিতৰৰ পৰা অজ্ঞান অৱস্থাত তিনিজন মানুহ উলিয়াই হস্পিটেললৈ লৈ গ'ল। কলেজৰ লৰাইঁতে কোনোবাই ইচ্, ইচ্ কৰিলে। কোনোবাই হাঁহিলে গাড়ীৰ অৱস্থা দেখি। সকলোৱে মন্তব্য কৰিলে— মদখাই গাড়ী চলালে এনেকুৱা হয়েই।

নিশা এক বাজিল। বুলবুল চাগৈ টোপনিত লাল-কাল দিলে। ৰামধনৰ মৰমী মানুহ জনীয়েও চাগৈ টোপনিত কল-মতীয়াই এতিয়ামানে কিবা ভয়ঙ্কৰ সপোন দেখিছে...... ......।

# সম্পাদকীয় ----


## ॥ ছাত্ৰশক্তিৰ অপচয় ॥

ছাত্ৰসকলে নিজৰ জ্ঞান বৃদ্ধিৰ কাৰণে ৰাজনীতি অধ্যয়ন কৰাটো আনন্দৰ বিষয় কিন্তু ৰাজনীতি চৰ্চ্চাৰ নামত দেশত বিশৃঙ্খলতাৰ সৃষ্টি কৰা গৰিহণাৰ বিষয়। ছাত্ৰসকলৰ মাজত আজি দেখা দিয়া এই নিয়মানুবৰ্ত্তিতা ভঙ্গ হোৱাটো এক প্ৰকাৰ বেমাৰ নহলেও ই কিন্তু বেমাৰৰেই লক্ষণ। যথোপযুক্ত পৰিবেশ আৰু সা-সুবিধাৰ অভাৱেই এই সমস্যাৰ মুল বুলি আহমদাবাদত শিক্ষ-মন্ত্ৰী শ্ৰীএম, চি, চাগলাই এটি বিবৃতি দিছে। ছাত্ৰসকলে বিপথগামী হোৱাৰ কাৰণ অৱশ্যে এটি বিষয়তে আবদ্ধ থাকিব নোৱাৰে। কোনো কোনো নেতাই নিজৰ উদ্দেশ্য সাধনৰ বাবে ছাত্ৰসকলক ৰাজনীতিৰ মাজলৈ টানি নিয়াৰ উদাহৰণো একেবাৰে নোহোৱা নহয়। উৰিষ্যাৰ ছাত্ৰ আন্দোলনত বিসম্বাদী কংগ্ৰেছীৰ সাহায্যৰ সন্দেহ প্ৰকাশ কৰি ডাঃ ৰাম সুভাগ সিঙক উৰিষ্যালৈ পৰিস্থিতি অধ্যয়নৰ বাবে পঠিওৱা হৈছে। এই বিষয়ে প্ৰাথমিক তদন্ত কৰি অনুসন্ধান কমিটিয়ে গৃহ-মন্ত্ৰীৰ ওচৰত ১১৫ পৃষ্ঠাৰ প্ৰতিবেদন দাখিল কৰিছে বুলিও জনা গৈছে। সম্পূৰ্ণ অনুসন্ধানৰ বাবে যথেষ্ঠ থল আছে বুলিও প্ৰতিবেদনত উল্লেখ কৰা হৈছে। বিসম্বাদী কংগ্ৰেছী নেতাৰ উছটনিত যদি ছাত্ৰসকলে এই আন্দোলন চলাইছে তেন্তে ই বৰ পৰিতাপৰ বিষয়। ছাত্ৰসকলক এইসকল কংগ্ৰেছী নেতাই এনে গৰ্হিত কামত নিয়োগ কৰা বুলি প্ৰমাণিত হলে তেওঁলোকক কোনো পধ্যে ক্ষমা নকৰি কেৱল শাস্তি বিধান কৰাটোহে উচিত হব। এই ক্ষেত্ৰত ছাত্ৰসকলক দোষাৰোপ কৰি লাভ নাই। এই কথা আমি দৃঢ়তাৰে কব পাৰো ছাত্ৰসকলক ৰাজনীতিৰ সৈতে জড়িত কৰি তেওঁলোকেই শিক্ষাৰ অৱনতি ঘটাইছে। উৰিষ্যা চৰকাৰে যদি কিবা বেয়া কাম কৰিছে বা বেয়া কাম কৰা কিবা ইঙ্গিত পাইছে তেন্তে তাৰ বিৰুদ্ধে বিৰোধী ৰাজনৈতিক দলসমূহে খোলাখুলি ভাবে আন্দোলন কৰাহে যুক্তিসঙ্গত। তাৰ পৰিবৰ্ত্তে ছাত্ৰসকলৰ সহায় লোৱা উচিত হোৱা নাই। এইবিলাকেই ছাত্ৰসকলক দেশৰ যি কোনো আন্দোলনত সহযোগিতা কৰিবলৈ উদগনি দিছে। অৱস্থাৰ মৌলিক পৰিবৰ্ত্তনৰ বাবে আৰু পৰিস্থিতিৰ উপশমৰ বাবে চৰকাৰৰ বৰমূৱীয়াসকলৰ বিৰুদ্ধে ব্যাপক ভাৱে হোৱা অভিযোগবোৰৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে উপযুক্ত ব্যৱস্থা অৱলম্বন কৰাটোহে উচিত

হ'ব। এনে ব্যৱস্থা কৰিলে ছাত্ৰসকলক নিজৰ কৰ্তব্যত ব্ৰতী হোৱাত সুযোগ দিয়া হ'ব। এই কথা ছাত্ৰসকলেও মনত ৰখা উচিত—তেওঁলোকে নিজৰ নায্য দাবি পূৰণ কৰিবলৈ যি কোনো আক্ৰোশমূলক নীতিৰ আশ্ৰয় নলৈ ন্যায় আৰু খুব যুক্তিসঙ্গত ভাৱে দাবি পূৰণৰ দিহা ললে নিশ্চয় সফলতা লাভ কৰিব পাৰিব। নিজৰ দাবি পূৰণৰ বাবে চলোৱা কোনো প্ৰচেষ্টাকে আমি আন্দোলন বুলি নকওঁ কিন্তু তেনে চেষ্টাক আন্দোলন বা বিক্ষোভত পৰিণত হবলৈ নিদিয়া কৰিব পৰাটোৱেই দায়িত্বপূৰ্ণ ব্যক্তিসমূহৰ প্ৰধান কৰ্তব্য হ'ব। আমি এই কথাত নিৰৰে লক্ষ্য কৰিছো—ছাত্ৰ-জীৱনৰ অভাৱ-অভিযোগ একেবাৰে নোহোৱাও নহয় আৰু এইবিলাকৰ কাৰণেই ছাত্ৰসকলে আজি ৰাজনীতিত জপিয়াই পৰি আন্দোলনৰ আশ্ৰয় লৈছে। ইয়াৰ বাবে আমি ছাত্ৰসকলকো দোষাৰোপ কৰিব নোৱাৰো। শিক্ষা-নীতিত ভালদৰে শিপাই উঠা দুৰ্নীতি আৰু আসোঁৱাহবোৰ আজি সকলোৰে দৃষ্টিগোচৰ হৈছে। ছাত্ৰজীৱনৰ প্ৰয়োজনীয় আহিলা-পাতিবোৰ সময় মতে যোগান নোপোৱাত ছাত্ৰসকলে ক্ষোভ প্ৰকাশ কৰিবলৈ সুবিধা পাইছে। এইবোৰ কাৰণ দৰ্শাই আমি শিক্ষা বিভাগক তথা চৰকাৰক শিক্ষাৰ যথোচিত ব্যৱস্থাকৰণত অধিক-তৰ মনোযোগ দিবলৈ আহ্বান জনাওঁ। এনে কাৰ্য্যকৰী আৰু ফলপ্ৰদ শিক্ষাৰ যথোচিত সুবিধা নথকাৰ বাবে মধ্য শিক্ষা পৰ্য্যায়ৰ আনকি উচ্চ পৰ্য্যায়ৰ অসংখ্য ছাত্ৰৰ বুদ্ধি বৃত্তি আৰু স্বাভাৱিক বিকাশৰ যে বিপুল অপচয় হৈছে সেইটোও আজি সৰ্ব্ব-সাধাৰণৰ চকুত জল্-জল্ পট্-পট্‌কৈ ওলাই পৰিছে। বিভিন্ন কলেজ আৰু বিশ্ববিদ্যা-লয় সমূহতো ছাত্ৰ-ছাত্ৰী ভৰ্ত্তিৰ সংখ্যা আগতকৈ সঙ্কুচিত কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গভীৰ অসন্তুষ্টিৰ উদ্ভৱ হৈছে। অলপতে মেডিকেল কলেজৰ স্নাতকসকলৰ হাউচ-চাৰ্জ্জন প্ৰশিক্ষন লোৱা সম্পৰ্কেও এটি অপ্ৰিয় পৰিস্থিতি উদ্ভৱ হোৱাৰ দৃশ্য আমাৰ চকুৰ পৰা আতৰ হোৱা নাই। অসম ভেটেৰিনেৰী কলেজৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত চৰকাৰে অৱলম্বন কৰা সংশোধিত পদ্ধতিৰ ফলত পুৰণি ছাত্ৰসকলৰ প্ৰতি যি অন্যায় কৰিছে সেই অন্যায়ৰ প্ৰতিক্ৰিয়া আজিও ছাত্ৰসকলৰ মাজত উদ্ভৱ হৈ আছে। এতিয়া এইবিলাকে তেওঁলোকৰ মনত কেনে প্ৰতিক্ৰিয়া কৰে সেইটোহে চিন্তাৰ বিষয়। ইয়াৰ বাবে সময়ত যদি ছাত্ৰ বিক্ষোভ অথবা কোনো আন্দোলনৰ সৃষ্টি হয় তেন্তে ইয়াৰ বাবে আমি শিক্ষা বিভাগকেই দোষাৰোপ কৰিম কিয়নো তেওঁলোকৰ এই অসন্তোষ একেবাৰে অমূলক নহয়। প্ৰকৃতপক্ষে কবলৈ গলে পৰিকল্পিত শিক্ষাৰ উন্নয়ণ ব্যৱস্থা কাৰ্য্যকৰী কৰিবলৈ লোৱাৰ বহু আগতেই ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ-অভিযোগবোৰ পূৰণ কৰিব পৰা আঁচনি হাতত লব লাগে। বাস্তৱ ক্ষেত্ৰত কিন্তু আমি তেনে দূৰদৰ্শী আঁচনিৰ অভাৱ দেখিছো। ই বৰ দুখৰ কথা। শিক্ষা বিভাগৰ এনে কিছুমান খামখিয়ালী ভাৱৰ কাৰণেই ছাত্ৰ-ছাত্ৰীসকলৰ

মানসিক উৎকৰ্ষ সাধনৰ অৱনতি ঘটিছে। ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক অৱনতিৰ কাৰণ কি এই বিষয়ে চৰকাৰ আৰু শিক্ষা বিভাগে অধ্যয়ন কৰাৰো সময় আহি পৰিছে। তেওঁলোকৰ এনে গুৰুত্বপূৰ্ণ সমস্যাৰ সমাধানৰ প্ৰতি চৰকাৰ আৰু শিক্ষা বিভাগে আওকাণ কৰি থাকিলে সময়ত তেওঁলোকক নিৰ্দ্ধাৰিত দিশত নিয়ন্ত্ৰণ কৰাত কঠিন হৈ পৰিব আৰু তেনে কৰিবলৈ গলেই ছাত্ৰ-ছাত্ৰীসকলৰ ৰাজহুৱা জীৱনত অসদাচৰণে মূৰ ডাঙি উঠিবলৈ প্ৰয়াস পাব। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা এনে অসদাচৰণ আমি কোনো কালেই নিবিচাৰো আৰু যদি সেয়ে হয় তেন্তে আমি ধৰি লম— সবল সুস্থ জাতি এটা গঢ়ি তোলাত আৰু প্ৰকৃত গণতান্ত্ৰিক এখন মৰ্য্যদাসম্পান্ন দেশৰ গুৰি ধৰাৰ প্ৰচেষ্টাত তেওঁ-লোক বিফল হৈছে। আমি আজিও আশা কৰো ছাত্ৰ-ছাত্ৰীসকলে এনে গৰ্হিত কামৰ পৰা নিজক আঁতৰাই ৰাখিব আৰু ভৱিষ্যতত নিজৰ ন্যায্য দাবি পূৰণৰ বাবে প্ৰত্যেক ক্ষেত্ৰতে ন্যায় আৰু যুক্তিসঙ্গত সিদ্ধান্ত গ্ৰহণ কৰি দেশৰ আইন আৰু শৃঙ্খলতা ৰক্ষা কৰিব।

---



Students who have passed the Certificate 'C' in 1963 under the authority of Ministry of Defence.



*Sitting (L to R)*:—Under officer—A. Suleiman, 2nd Lt. D. Chaliha, 2nd. Lt. S. Pandey (o/c.) Senior Under officer, N. Hazarika, U/o T. Gogoi.

*Standing (L to R)*:—Sergeant. B. Mishra, U/O T. Saikia, U/O D. Gogoi, U/O G. Khowand Sqdn. Sgt. Major, G. Agarwalla.

